● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

মই সদায় সপোন দেখো। আৰু মৃত্যু নোহোৱা পৰ্যন্ত মই সপোন দেখিবলৈ নেৰো।

চে গুৱেভাৰা
*বিপ্লৱী*



www.dainikagradoot.in

৭ ২০২৪ৰ নিৰ্বাচনত দাক্ষিণাত্য জয়ৰ প্ৰস্তুতি মোদী-শ্বাহৰ
১৫ আঘাতৰ বাবে কমনৱেলথৰ পৰা বাহিৰ নীৰজ
৪ ঘৃণা-হিংসাৰ ৰাজনীতিত বিপন্ন গণতন্ত্ৰ

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৮৭তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ১০ শাওণ ১৪২৯ ভাস্কৰাব্দ ২৭ জুলাই ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 27 July 2022 মূল্য ঃ ৯.০০ টকা

# এইবাৰ ইডিৰ মাৰাথন জেৰা আজমল ভ্ৰাতৃদ্বয়ক



■ বিপুল পৰিমাণৰ ধনৰ বেআইনী লেনদেনৰ সন্দেহ ■ অধিক জেৰাৰ সন্মুখীন হ'ব লাগিব বদৰুদ্দিন-ছিৰাজুদ্দিন আজমল ■ ছয়-সাত ঘণ্টাজুৰি কমেও তিনিবাৰ ই ডিৰ জেৰা ■ আজমল ফাউণ্ডেছনৰ নামত বিদেশৰ পৰা অহা ধনত অনিয়মৰ সন্দেহ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৬ জুলাই ঃ** প্ৰৱৰ্তক সঞ্চালকালয় (ইডি)ৰ ধাৰাবাহিক জেৰাৰ সন্মুখীন হৈছে সাংসদ বদৰুদ্দিন আজমল আৰু তেওঁৰ বিধায়ক ভ্ৰাতৃ ছিৰাজুদ্দিন আজমল। এআইইউডিএফৰ সভাপতি সাংসদ বদৰুদ্দিন আৰু বিধায়ক ভ্ৰাতৃ ছিৰাজুদ্দিন ইতিমধ্যে তিনিবাৰ দিল্লীত ই ডিৰ জেৰাৰ সন্মুখীন হৈছে। প্ৰতিদিনে প্ৰায় ছয়-সাত ঘণ্টাকৈ আজমল ভ্ৰাতৃদ্বয়ক ই ডিয়ে জেৰা কৰাৰ কথা আজি সদৰী কৰে এআইইউডিএফৰে বিধায়ক কৰিমুদ্দিন বৰভূঞাই। ষড়যন্ত্ৰমূলকভাৱে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ হস্তক্ষেপত এই জেৰা চলোৱা হৈছে বুলিও বিধায়কজনে উল্লেখ কৰে। তেওঁ লগতে কয় যে এআইইউডিএফৰ শীৰ্ষ নেতাদ্বয় আৰু অধিক জেৰাৰ সন্মুখীন হ'ব লাগিব। উল্লেখ্য যে দেশে-বিদেশে আজমলৰ সুগন্ধিৰ ব্যৱসায় বিয়পি আছে। বিশ্বৰ সুগন্ধিৰ বজাৰত আজমল ব্ৰেণ্ডৰ এক সুকীয়া পৰিচয় আছে। প্ৰধানকৈ এই *১০ পৃষ্ঠাত চাওক*




'একতা যাত্ৰা'ৰ ৩০ বছৰৰ পাছত জম্মু-কাশ্মীৰৰ শ্ৰীনগৰত যুৱ মৰ্চাৰ 'ত্ৰিৰংগা যাত্ৰা' সম্পন্ন

■ অসমৰ বাকী বাইদুল্লা খানহঁতৰ কি হ'ব? ■ নানা জালিয়াতি-অনৈতিক কাৰ্যত লিপ্ত থাকিও নিৰ্বিঘ্নে সুতৰ ব্যৱসায় চলাই আছে ■ পৰ্যটক-চিকিৎসাৰ ভিছা লৈ আহিও চলাইছে কোটি কোটি টকাৰ ব্যৱসায় ■ হাৰাশাস্তিত নৰক যন্ত্ৰণা ঋণগ্ৰস্তৰ

# কাবুলিৱালাৰ অবৈধ সুতৰ বেহা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
গুৱাহাটী, ২৬ জুলাই ঃ ডিব্ৰুগড়ৰ বাইদুল্লা খানৰ ঘটনাই শেহতীয়াকৈ সমগ্ৰ ৰাজ্যতে চাঞ্চল্যৰ সৃষ্টি কৰিছিল। বাইদুল্লা আৰু তেওঁৰ একাংশ সহযোগীৰ দৌৰাত্ম্যত বিনীত বাগাৰিয়া নামৰ এজন যুৱকে আত্মহত্যা কৰাৰ পাছতে আন বহু তথ্য পোহৰলৈ আহিছে। বাইদুল্লাৰ লগতে তেওঁৰ সমগ্ৰ পৰিয়ালটোৱেই সুতৰ ব্যৱসায়ত জড়িত আৰু ইতিমধ্যে বিভিন্নজনক হাৰাশাস্তি কৰাৰ অভিযোগত ধৃত বাইদুল্লাৰ ভগ্নীকো গ্ৰেপ্তাৰ কৰা হৈছে। বিভিন্ন লোকক ঋণ দিয়াৰ বাবদ তেওঁলোকে মাত্ৰাধিক পৰিমাণৰ সুত লোৱাৰ অভিযোগ উঠিছে। সেইদৰে বিভিন্ন ঋণগ্ৰস্তক তেওঁলোকে নানা ধৰণৰ হাৰাশাস্তি কৰাৰো অভিযোগ ইতিমধ্যে উঠিছে। তেওঁলোকৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি স্বয়ং মুখ্যমন্ত্ৰীয়েও ঘোষণা কৰিছে। অৱশ্যে কেৱল এজন বাইদুল্লা খানৰ বিৰুদ্ধেই পদক্ষেপ গ্ৰহণ কৰিলেই জানো হ'ব? অসমত এনে *১০ পৃষ্ঠাত চাওক*



*কাৰ্গিল বিজয় দিৱসত বীৰ ছহিদলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন মন্ত্ৰী পীযুষ হাজৰিকাৰ, মহানগৰীত মঙলবাৰে।*

# হিজবুল মুজাহিদীন-লস্কৰ ই তৈবাৰ ভাবুকি নেওচি লালচ'কত উৰিল ত্ৰিৰংগা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৬ জুলাই ঃ** দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী সংগঠন হিজবুল মুজাহিদীন, লস্কৰ ই তৈবাৰ চৰম ভাবুকি নেওচি সুদীৰ্ঘ ৩০ বছৰৰ মূৰত জম্মু-কাশ্মীৰৰ শ্ৰীনগৰৰ লালচ'কত জাতীয় পতাকা উত্তোলন কৰিলে ভাৰতীয় জনতা যুৱ মৰ্চাই। উল্লেখ্য যে ১৯৯২ত সেই সময়ৰ বিজেপি নেতা ড° মুৰলী মনোহৰ যোশীৰ নেতৃত্বত বিজেপিয়ে কন্যাকুমাৰীৰ পৰা শ্ৰীনগৰলৈ পদযাত্ৰাৰে 'একতা যাত্ৰা' শীৰ্ষক এক কাৰ্যসূচী ৰূপায়ণ কৰিছিল, য'ত বৰ্তমানৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অন্যতম সদস্য আছিল। এই কাৰ্যসূচীৰ সামৰণিত অৰ্থাৎ ২৬ জানুৱাৰীত বিজেপি নেতৃত্বই তথা *১০ পৃষ্ঠাত চাওক*

সাফল্য নে ব্যৰ্থতা? বিগত ১৭ বছৰৰ তথ্য সংসদত দাঙি ধৰিলে কেন্দ্ৰীয় চৰকাৰে

# ৫,৪২২টা বিত্তীয় অনিয়মৰ গোচৰ ৰুজু ইডিৰ ঃ দোষী সাব্যস্ত হৈছে মাত্ৰ ২৩জন

■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৬ জুলাই ঃ** দেশত সম্প্ৰতি কেন্দ্ৰীয় সংস্থা প্ৰৱৰ্তক সঞ্চালকালয় (ইডি)য়ে বহু হাইপ্ৰফাইল গোচৰৰ তদন্ত অব্যাহত ৰখাৰ সময়তে আজি সংসদত প্ৰকাশ পায় এক চাঞ্চল্যকৰ তথ্য। লোকসভাত এক লিখিত প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় চৰকাৰে সদৰী কৰে যে বিগত ১৭ বছৰত বিত্তীয় দুৰ্নীতিৰ অভিযোগত মুঠ ৫,৪২২টা গোচৰ ৰুজু কৰিছে ইডিয়ে। এই গোচৰত দোষী সাব্যস্ত হৈছে মাত্ৰ ২৩জন। *ছয় পৃষ্ঠাত চাওক*

■ ধৃত আখতাৰ হুছেইনৰ তথ্যৰ ভিত্তিত তামিলনাডুতো অসমৰে আন এজনক গ্ৰেপ্তাৰ ■ তথ্য বিচাৰি আৰক্ষীক যোগাযোগ কৰ্ণাটকৰ

# অল-কায়দা সন্ত্ৰাসবাদীৰে জড়িত অসমৰ যুৱকক বাংগালুৰুত গ্ৰেপ্তাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ/নিউজ ব্যুৰ'**
**গুৱাহাটী/বাংগালুৰু, ২৬ জুলাই ঃ** বিশ্বত্ৰাস সন্ত্ৰাসবাদী সংগঠন অল-কায়দাৰ লগত জড়িত থকাৰ সন্দেহত বাংগালুৰুত গ্ৰেপ্তাৰ কৰা হৈছে অসমৰ এজন যুৱকক। আন চাৰিজন সহযোগীৰ স'তে গ্ৰেপ্তাৰ হোৱা যুৱকজনৰ নাম আখতাৰ হুছেইন (২৪) বুলি কৰ্ণাটকৰ আৰক্ষীয়ে সদৰী কৰিছে। অৱশ্যে ধৃত যুৱকজনৰ ঘৰ অসমৰ কোন ঠাইত তাৰ তথ্য প্ৰকাশ পোৱা নাই। এই সন্দৰ্ভত অসম আৰক্ষীৰ বিশেষ শাখাৰ অতিৰিক্ত সঞ্চালক প্ৰধান হীৰেণ চন্দ্ৰ নাথে 'দৈনিক অগ্ৰদূত'ক কয় যে কৰ্ণাটক আৰক্ষীয়ে ধৃত যুৱকজনৰ সন্দৰ্ভত তেওঁলোকৰ পৰা তথ্য বিচাৰিছে। কিন্তু বিস্তৃতভাৱে একো নজনোৱাত অসম আৰক্ষীৰ বাবে তথ্য সংগ্ৰহ কৰাটো সম্ভৱ হোৱা নাই। সেয়েহে ধৃত যুৱকজনৰ সন্দৰ্ভত কৰ্ণাটক আৰক্ষীক বিস্তৃত তথ্য দিবলৈ অসম আৰক্ষীৰ পৰা *১০ পৃষ্ঠাত চাওক*

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ নতুন উপাচাৰ্য ড° হাজৰিকা

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২৬ জুলাই ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰূপে নিযুক্তি লাভ কৰিছে ভাৰপ্ৰাপ্ত পঞ্জীয়ক ড° জিতেন হাজৰিকাই। পোন প্ৰথমবাৰৰ বাবে *১০ পৃষ্ঠাত চাওক*

দিল্লীৰ সংবাদমেলত পুনৰুক্তি মুখ্যমন্ত্ৰীৰ ■ জনজাতিকৰণৰ দাবী জনোৱা সংগঠনৰ লগত প্ৰত্যক্ষভাৱে কথা পাতিব ■ ডলু বাগিচাত বিমানকোঠ স্থাপনৰ আবেদন জনাবহে চৰকাৰে

# জনজাতিকৰণক লৈ চৰকাৰৰ সদিচ্ছা আছে

**অগ্ৰদূত প্ৰতিবেদক**
**নতুন দিল্লী, ২৬ জুলাই ঃ** ৰাজ্যৰ ছয় জনগোষ্ঠীক জনজাতিকৰণৰ ক্ষেত্ৰত চৰকাৰৰ সদিচ্ছা আছে বুলি আজি পুনৰুক্তি কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। বিগত কে'বাদিনো ধৰি দিল্লীত বাহৰ পাতি থকা মুখ্যমন্ত্ৰীয়ে আজি ইয়াত এক সংবাদমেলত কয় যে জনজাতিকৰণৰ দাবী কৰা সংগঠনবোৰৰ লগত তেওঁ প্ৰত্যক্ষভাৱে কথা পাতিব। উল্লেখ্য যে ৰাজ্যৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ চৰ্চাই শেহতীয়াভাৱে গতি লাভ কৰিছে; কিন্তু চৰকাৰৰ ভূমিকাক লৈ দাবী উত্থাপন কৰা কে'বাটাও সংগঠন সন্তুষ্ট নহয়। সেই প্ৰসংগতে সংবাদমেলত উত্থাপন হোৱা বিষয়টোত মুখ্যমন্ত্ৰীয়ে কয়, 'তেওঁলোকৰ দাবীৰ প্ৰতি চৰকাৰৰ সদিচ্ছা আছে।' ইপিনে, চুবুৰীয়া ৰাজ্যৰ লগত অসমৰ সম্পৰ্ক উন্নত কৰাৰ অংশৰূপে পশ্চিমবংগৰ লগতো তেনে চেষ্টা অব্যাহত ৰখা বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। সেই উদ্দেশ্যতে তেওঁ ৰাজ্যখনৰ সদ্য প্ৰাক্তন ৰাজ্যপাল জগদীপ ধনখড়ৰ চৰকাৰী *১০ পৃষ্ঠাত চাওক*


ছেবাৰ দুটা এপ মুকলি কৰিলে শিক্ষামন্ত্ৰীয়ে

# বুজাবুজিৰে দুদিনত ৭,৭১৬ শিক্ষকৰ বদলি সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৬ জুলাই ঃ** ৰাজ্যত পুনৰ আৰম্ভ হৈছে শিক্ষক বদলিকৰণ প্ৰক্ৰিয়া। আজি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই কথা সদৰী কৰি বুজাবুজিৰ মাজেৰে এক বিশেষ পৰ্টেলৰ জৰিয়তে শিক্ষক বদলিকৰণ প্ৰক্ৰিয়া আৰম্ভ হৈছে বুলি কয়। উল্লেখ্য যে অসম মাধ্যমিক শিক্ষা পৰিষদ (ছেবা)ৰ দুটাকৈ এপ আজি মুকলি *১০ পৃষ্ঠাত চাওক*

# যোৰহাটত গঁড়ৰ খৰ্গসহ এজনক আটক

**ষ্টাফ ৰিপৰ্টাৰ**
**যোৰহাট, ২৬ জুলাই ঃ** যোৰহাটৰ ম'হবন্ধা পথত আজি গঁড়ৰ খৰ্গ উদ্ধাৰ কৰাৰ লগতে খৰ্গ সৰবৰাহ কৰাৰ অভিযোগত এজনক আটক কৰে আৰক্ষীয়ে। গোপন খবৰৰ ভিত্তিত আজি পশ্চিম যোৰহাটৰ ম'হবন্ধা পথত *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩০° | ২৫° |
| ডিব্ৰুগড় | ৩২° | ২৪° |
| দিল্লী | ৩১° | ২৭° |
| কলকাতা | ৩১° | ২৬° |
| মুম্বাই | ২৯° | ২৬° |
| চেন্নাই | ৩৩° | ২৭° |
| বাংগালুৰু | ২৮° | ১৯° |
| শ্বিলং | ২২° | ১৮° |

*২৬ জুলাই, ২০২২*

সংসদ চৌহদত প্ৰতিবাদত 'ফতোৱা' জাৰিৰ পাছতো কেৰেপ কৰা নাই বিৰোধীয়ে

# লোকসভাৰ পাছত ১৯জন ৰাজ্যসভাৰ সাংসদক সমগ্ৰ অধিবেশনৰ পৰাই নিলম্বন



■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৬ জুলাই ঃ** সংসদৰ অধিবেশন চলি থকা অৱস্থাত বিশৃংখল পৰিৱেশৰ সৃষ্টি কৰি কাম-কাজ বাধাগ্ৰস্ত কৰাৰ অভিযোগত ৰাজ্যসভাৰ পৰা নিলম্বিত কৰা হয় ১৯জন সাংসদক। সমগ্ৰ বৰ্ষাকালীন অধিবেশনৰ বাবে নিলম্বিত হোৱা সাংসদৰ তালিকাত আছে তৃণমূলৰ সাতজন ক্ৰমে দোলা সেন, সুস্মিতা দেৱ, মৌচম বেনজীৰ নুৰ, শান্তনু সেন, অধিৰ ৰঞ্জন বিশ্বাস, নাদিমুল হক আৰু শান্তা ছেত্ৰী। নিলম্বিত হোৱা সাংসদসকলৰ ভিতৰত আছে কানিমোয়ীসহ *১০ পৃষ্ঠাত চাওক*

চেলেংহাটত মইনা নায়কৰ ঘটনাৰ পুনৰাবৃত্তি

# গেছ পাইপত বিস্ফোৰণ ঘটি গুৰুতৰভাৱে আহত শ্ৰমিক

**চেলেংহাট, ২৬ জুলাই ঃ** অসমৰ চাহ বাগিচাত কৰ্মৰত শ্ৰমিকৰ জীৱনক লৈ বাগিচাসমূহে যে বছৰ বছৰ ধৰি হেতালি খেলি আহিছে সেই নিৰ্মম সত্য উদঙাই দিছিল ডিব্ৰুগড় জিলাৰ লেপেটকটা চাহ বাগিচাৰ কলঘৰত সংঘটিত মইনা নায়কৰ ঘটনাই। শেহতীয়াকৈ তিনিচুকীয়াৰ *১০ পৃষ্ঠাত চাওক*

ভূপেন বৰাৰ নেতৃত্বত ধ্বংসৰ মুখে কংগ্ৰেছ

# ইউডিএফৰ বিধায়ক আমিনুল ভাৰতবিৰোধী মানুহ ঃ পীযুষ

**অগ্ৰদূত বাৰ্তা**
**জাগীৰোড, ২৬ জুলাই ঃ** 'আমিনুল ইছলাম ভাৰত বিৰোধী মানুহ। এআইইউডিএফৰ সম্পাদক আমিনুল ইছলামৰ ফেচবুক প'ষ্ট চালেই ভাৰত বিৰোধী যেন লাগে। ভাৰত বিৰোধী মানুহৰ ত্ৰিৰংগা পতাকা প্ৰতি সন্মান নাথাকেই।' এই মন্তব্য জলসম্পদ, তথ্য আৰু জনসংযোগ মন্ত্ৰী পীযুষ হাজৰিকাৰ। আগন্তুক স্বাধীনতা দিৱসৰ বাবে ৰাজ্যৰ ঘৰে ঘৰে ত্ৰিৰংগা পতাকা উত্তোলন কৰিবলৈ *১০ পৃষ্ঠাত চাওক*




*ছেবাৰ দুটাকৈ এপ মুকলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ, মঙলবাৰে।*

ধনৰ লোভত দায়িত্বপ্ৰাপ্ত সংগঠনে ভুৱা প্ৰমাণপত্ৰ দিয়াৰ অভিযোগ

# ৰাজ্যত তিনি লাখ লোকৰ হাতত আছে ভুৱা অনুসূচিত জাতিৰ প্ৰমাণপত্ৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৬ জুলাই ঃ** একমাত্ৰ নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে বৃহৎ ধনৰ বিনিময়ত বক্ৰপথেৰে অনুসূচিত জাতিৰ প্ৰমাণপত্ৰ সংগ্ৰহ কৰি ৰাজ্যৰ বৃহৎ সংখ্যক লোকে অনুসূচিত জাতিৰ বাবে সংৰক্ষিত পদত নিযুক্তি লাভ কৰিছে। এই অভিযোগ উত্থাপন কৰিছে সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাই। ৰাজ্যত প্ৰায় তিনি লাখ ভুৱা অনুসূচিত জাতিৰ *১০ পৃষ্ঠাত চাওক*

**চেঙা তেল**



*অ' ছাৰ, মোৰ দৰে পুঠি-খলিহনাক খেদি কি লাভ? পাৰে যদি ৰৌ-বৰালিলৈ হাত মেলক!*

■ হাইকমাণ্ডক প্ৰমাণ দিবলৈ সত্যাগ্ৰহৰ ভিডিঅ' লৈ দিল্লীলৈ বৰা

■ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত প্ৰতাৰণা কৰা বিধায়কৰ সম্পৰ্কতো তথ্য দিব

# চৰকাৰৰ ষড়যন্ত্ৰত ছোনিয়া-ৰাহুলক ই ডিৰ জেৰাৰ প্ৰতিবাদত সত্যাগ্ৰহ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৬ জুলাই ঃ** কংগ্ৰেছ সভানেত্ৰী ছোনিয়া গান্ধীক কেন্দ্ৰীয় চৰকাৰে ষড়যন্ত্ৰমূলকভাৱে প্ৰৱৰ্তক সঞ্চালকালয় (ইডি)ৰ দ্বাৰা জেৰা কৰাৰ অভিযোগত আজি অসমত দলৰ প্ৰদেশ কমিটীয়ে সত্যাগ্ৰহ কাৰ্যসূচী ৰূপায়ণ কৰে। অসম প্ৰদেশ কংগ্ৰেছ কমিটী (এপিচিচি)ৰ উদ্যোগত দিছপুৰৰ গণেশ মন্দিৰ উদ্যানত প্ৰদেশ *১০ পৃষ্ঠাত চাওক*



■ সংগীত পৰিচালক জিতু-তপনলৈ চলিত বৰ্ষৰ সাংবাদিক কমলা শইকীয়া ৰাষ্ট্ৰীয় বঁটা

# প্ৰথমগৰাকী ছহিদ সাংবাদিক হত্যাৰ গোচৰৰ ন্যায় কেতিয়া?

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৬ জুলাই ঃ** ৰাজ্যৰ প্ৰথমগৰাকী ছহিদ সাংবাদিক কমলা শইকীয়াৰ স্মৃতিত ২০১২ৰ পৰা প্ৰতি দুবছৰৰ মূৰে মূৰে সাংবাদিক কমলা শইকীয়া স্মাৰক ন্যাসে প্ৰদান কৰি অহা চলিত বৰ্ষৰ 'ছহিদ সাংবাদিক কমলা শইকীয়া ৰাষ্ট্ৰীয় বঁটা'ৰ বাবে সংগীত পৰিচালকদ্বয় জিতু শৰ্মা আৰু তপন ভট্টাচাৰ্যক নিৰ্বাচিত কৰা হৈছে। অহা ন



আগষ্টত ছহিদগৰাকীৰ মৃত্যুৰ দিনটোৰ লগত সংগতি ৰাখি প্ৰতিবছৰে ন্যাসে গুৱাহাটী প্ৰেছ ক্লাবৰ সহযোগত অনুষ্ঠিত কৰি অহা বক্তৃতানুষ্ঠানত এই বঁটা প্ৰদান কৰা হ'ব। গুৱাহাটী প্ৰেছ ক্লাবত আজি ন্যাসৰ সম্পাদক দ্বীপজ্যোতি গোস্বামী, সদস্য সঞ্জীৱ কুমাৰ ফুকন আৰু গুৱাহাটী প্ৰেছ ক্লাবৰ সভাপতি মনোজ নাথে এক যৌথ সংবাদমেলত এই *১০ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত

গুৱাহাটী, ২৭ জুলাই, ২০২২ বুধবাৰ পৃষ্ঠা তিনি


## ছাত্ৰীক স্কুটী নিদিয়াৰ প্ৰতিবাদ নলবাৰীত ৰাজপথত নামিল শতাধিক ছাত্ৰী



**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ২৬ জুলাই ঃ** ২০২১ৰ উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰীসকলক স্কুটী প্ৰদান নকৰাৰ প্ৰতিবাদত আজি পুৱা নলবাৰীৰ মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়ৰ সমীপত ছয় পৃষ্ঠাত চাওক

■ পুৰণিগুদাম ভেৰভেৰিস্থিত মহা মৃত্যুঞ্জয় মন্দিৰত বিজেপিৰ ৰাজ্যিক সভাপতি কলিতা

# অসমৰ জনগণ এতিয়া কংগ্ৰেছৰ পক্ষত নাই



**বিশেষ সংবাদদাতা**

**নগাঁও, ২৬ জুলাই ঃ** 'পৰ্বতত কাছ কণী বিচাৰিছে কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই। অসমৰ জনগণ এতিয়া কংগ্ৰেছৰ পক্ষত নাই। তেওঁলোকৰ বিধায়কসকলো এতিয়া কংগ্ৰেছৰ লগত থাকিব নিবিচাৰে।' এই মন্তব্য বিজেপিৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতাৰ। আজি নগাঁও জিলাৰ পুৰণিগুদামৰ ভেৰভেৰিস্থিত বিশ্বৰ সৰ্ববৃহৎ মহা মৃত্যুঞ্জয় মন্দিৰত পবিত্ৰ শাওণ মাহ উপলক্ষে অভিষেক পূজা কৰিবলৈ আহি সংবাদ মাধ্যমৰে হোৱা কথা বতৰাত কলিতাই এই মন্তব্য কৰি লগতে আৰু কয়, 'দেশে স্বাধীনতা লাভ কৰা এতিয়া ৭৫ বছৰ হ'ল। এই সময়ত ৭০ শতাংশ সময় কংগ্ৰেছৰ দখলত আছিল। এই দীঘলীয়া সময়ত কংগ্ৰেছে অমনোযোগিতা দেখুৱাই থাকোতেই গ'ল। গান্ধী পৰিয়ালৰ বন্দনা কৰি থাকোতেই দিন পাৰ হ'ল।' ৰাজ্যিক সভাপতিজনে ৰাষ্ট্ৰপতি নিৰ্বাচনত ক্ৰছ ভোটিং হোৱা নাই বুলিও মন্তব্য কৰে। তেওঁ কয় যে ৰাষ্ট্ৰপতি আমাৰ আদিবাসী জনগোষ্ঠীৰ মহিলা। আমাৰ বাবে সেয়া গৌৰৱৰ কথা বুলি উল্লেখ কৰে ৰাজ্যিক সভাপতিজনে। বড়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীক লগত লৈ আজি মন্দিৰ প্ৰাংগণত পত্নীসহ দীঘলীয়া সময় উপস্থিত থাকি অভিষেক কৰাৰ উপৰি স্থানীয় বিজেপিৰ কৰ্মকৰ্তাসকলৰ লগতো মত বিনিময় কৰে। ইফালে, সাংবাদিকে সাহিত্য সভাৰ ক্ষেত্ৰত হোৱা বিতৰ্কৰ বিষয়ে সোধা প্ৰশ্নৰ উত্তৰত তেওঁ কয় যে অসম সাহিত্য সভাৰ নিজস্ব গৰিমা আছে। ই গৰিমা বৰ্তাই ৰখা উচিত। সাহিত্য সভাক কলংকৃত কৰা কাৰো অধিকাৰ নাই।

## ভাৰতীয় তেল নিগমে ৰন্ধন গেছ পৰিবহণ সন্থাৰ দাবী মানি নোলোৱা লৈ বন্ধ কাৰ্যসূচী

### দ্বিতীয় দিনাও বন্ধ ৰন্ধন গেছৰ পৰিবহণ

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ২৬ জুলাই ঃ** আজি দ্বিতীয় দিনাও বন্ধ অব্যাহত আছে ৰন্ধন গেছৰ পৰিবহণ। বঙাইগাঁও শোধনাগাৰৰ বটলিং প্লেন্ট গেটৰ সন্মুখত নৰ্থ-ইষ্ট পেকেজড এলপিজি ট্ৰেন্সপোৰ্টাৰ এছ'চিয়েছৰ বন্ধত স্তব্ধতা পৰিলক্ষিত হয়। ৰন্ধন গেছ পৰিবহণ ছয় পৃষ্ঠাত চাওক



## অসম কৃষক পৰিষদৰ নেতাৰ বিৰুদ্ধে নেতাক হত্যাৰ চেষ্টাৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ২৬ জুলাই ঃ** অসম কৃষক পৰিষদৰ হোজাই জিলা সমিতিৰ উপ-সভাপতি আব্দুছ ছালামক কিছুদিন পূৰ্বে নিশা এদল দুৰ্বৃত্তই আক্ৰমণ কৰি হত্যাৰ চেষ্টা চলাইছিল যদিও স্থানীয় লোকৰ তৎপৰতাত তেওঁৰ প্ৰাণৰক্ষা পৰে। হোজাইৰ মোৰাঝাৰ আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা আব্দুছ ছালামক উদ্ধাৰ কৰি তদন্তমৰ্মে কে'বাজনো লোকক ঘটনাত জড়িত থকাৰ অভিযোগত আটক কৰিছিল। উক্ত গোচৰত বৰ্তমান নাম সাঙোৰ খাইছে আন বহুকেইজন লোকৰ। শেহতীয়াকৈ আৰক্ষীৰ তদন্তত উন্মোচিত হৈছে আন বহু বিস্ফোৰক তথ্য। আব্দুছ ছালামক নিশা হত্যাৰ চেষ্টা কৰা ছয় পৃষ্ঠাত চাওক

■ **শিক্ষকৰ বিৰুদ্ধে গোচৰ ৰুজু**

## বৰপেটাৰ বাঘমাৰাচৰত বন বিভাগৰ অভিযানত জব্দ ১০ লক্ষাধিক টকাৰ চোৰাং কাঠ



**আলোপতি, ২৬ জুলাই ঃ** বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ আলোপতি আৰক্ষী থানাৰ অন্তৰ্গত বাঘমাৰাচৰত আজি বন বিভাগৰ দল এটাই অভিযান চলাই জব্দ কৰিবলৈ সক্ষম হয় ১০ লক্ষাধিক টকাৰ চোৰাং কাঠ। প্ৰাপ্ত তথ্য মতে, বন বিভাগৰ গোৱালপাৰা ছয় পৃষ্ঠাত চাওক

## উৰিয়াগাঁৱত কয়লাভৰ্তি ট্ৰাক দুৰ্ঘটনাত পতিত

### পথ নিৰ্মাণত বিসংগতিৰ বাবেই দুৰ্ঘটনা



**বিশেষ সংবাদদাতা**

**নগাঁও, ২৬ জুলাই ঃ** নগাঁও জিলাৰ উৰিয়াগাঁও বাইপাছ চ'কত আজি বিয়লি প্ৰায় ৪.৩০ বজাত এক পথ দুৰ্ঘটনা সংঘটিত হয়। এখন কয়লাভৰ্তি ট্ৰাক পথ খহি বাগৰি পৰাৰ ফলতেই দুৰ্ঘটনাটো সংঘটিত হয়। কিছুদিন পূৰ্বে নিৰ্মাণ কৰা চাৰিলেনযুক্ত ঘাইপথৰ পকীপথ খহি পৰাৰ ফলতেই বাগৰি পৰে এনএল-০২ কিউ-৫৫৫৭ নম্বৰৰ কয়লাভৰ্তি ট্ৰাকখন। উল্লেখ্য যে কয়লাভৰ্তি ট্ৰাকখন মাৰ্ঘেৰিটাৰ পৰা গুৱাহাটী অভিমুখে আহি আছিল। পাছত ঘটনাস্থলীত নগাঁও যানবাহন আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ ট্ৰাকখন উঠোৱাৰ দিহা কৰে। লগতে কয়লা ছয় পৃষ্ঠাত চাওক

## সমগ্ৰ ভাৰতবৰ্ষত জিণ্টু গগৈ এটা স্মৰণীয় নাম হৈ ৰ'ব



■ **খুমটাইত বৰ্ণাঢ্য কাৰ্যসূচীৰে ২৩ সংখ্যক কাৰ্গিল বিজয় দিৱস উদ্‌যাপন**


**খুমটাই, ২৬ জুলাই ঃ** আজি ২৩ সংখ্যক কাৰ্গিল বিজয় দিৱস। সমগ্ৰ দেশৰ লগতে গোলাঘাট জিলাৰ খুমটাইৰ বীৰ ছহিদ কেপ্তেইন জিণ্টু গগৈৰ সমাধি ক্ষেত্ৰত কেপ্তেইন জিণ্টু গগৈৰ পৰিয়াল, জাছিংফা লেখিকা সমাৰোহ সমিতি আৰু স্বেচ্ছাসেৱী অনুষ্ঠান সচেতকৰ উদ্যোগত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। পুৱা গোলাঘাট জিলাৰ উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱাই পতাকা উত্তোলন কৰাৰ পাছতেই পতাকা উত্তোলনস্থলীত ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন কৰা হয়। কাৰ্গিল বিজয় দিৱস উপলক্ষে বীৰ ছহিদগৰাকীৰ সমাধিক্ষেত্ৰক সমষ্টিৰ বিধায়ক মৃণাল শইকীয়াই বন্তি প্ৰজ্বলন কৰে। বীৰগৰাকীক সন্মান জনাই জিলা উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱা, বীৰচক্ৰ কেপ্তেইন জিণ্টু গগৈৰ পিতৃ ঠগিৰাম গগৈ, মাতৃ দুলুপ্ৰভা গগৈ, গোলাঘাট জিলাৰ আৰক্ষী অধীক্ষক সুমিত শৰ্মা, জাছিংফা লেখিকা সমাৰোহ সমিতিৰ বিষয়ববীয়া, সচেতকৰ হৈ জ্যোতিপ্ৰসাদ গগৈ আদি কৰি ছয় পৃষ্ঠাত চাওক

## নিউ বঙাইগাঁও ৰেল জংছনত ৩০ বস্তা বাৰ্মিজ চুপাৰি জব্দ

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২৬ জুলাই ঃ** ৰাজ্যৰ মাজেৰে অব্যাহত আছে সন্দেহজনক বাৰ্মিজ চুপাৰিৰ সৰবৰাহ। দূৰণিবটীয়া ৰেলেৰে চলি আছে এই চুপাৰিৰ অবৈধ সৰবৰাহ। আজি দুপৰীয়া নিউ বঙাইগাঁও ৰেল জংছনত ৰেল আৰক্ষীয়ে নামনিমুৱা কামৰূপ এক্সপ্ৰেছ যাত্ৰীবাহী ৰেলখনৰ পৰা উদ্ধাৰ হোৱা ৩০ বস্তা বাৰ্মিজ ছয় পৃষ্ঠাত চাওক

## ক্ষেত্ৰীত পুনৰ ট্ৰাকসহ জব্দ ৩০টা গৰু



**অগ্ৰদূত বাৰ্তা**

**সোণাপুৰ, ২৬ জুলাই ঃ** চোৰাং গো-সৰবৰাহকাৰীৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে যদিও ৰোধ হোৱা নাই অবৈধ গো-সৰবৰাহ। ক্ষেত্ৰী আৰক্ষীয়ে আজি অভিযান চলাই ক্ষেত্ৰীৰ ৩৭ নম্বৰ ঘাইপথৰ পৰা এনএল-০১ কে-১৮০৬ নম্বৰৰ এখন ১২ চকীয়া গৰুভৰ্তি ট্ৰাক জব্দ কৰে। প্ৰাপ্ত তথ্য মতে, সৰবৰাহকাৰীয়ে পূব অসমৰ পৰা মেঘালয় অভিমুখে ট্ৰাকখনত ৩৩ টাকৈ অবৈধ গৰু সৰবৰাহ কৰি আনি থকা অৱস্থাত বিশেষ সূত্ৰৰ পমখেদি আৰক্ষীয়ে জব্দ কৰিবলৈ সক্ষম হয়। এই সন্দৰ্ভত ক্ষেত্ৰী আৰক্ষীয়ে নিজাববীয়াকৈ এক গোচৰ ৰুজু কৰি ট্ৰাকখনৰ চালক বাবু কৰ্মকাৰ (৩০)ক আটক কৰিছে।

## মটৰ চাইকেল চুৰিত নামিল এনডিএফবি (স)ৰ প্ৰাক্তন কেডাৰ

**অগ্ৰদূত বাৰ্তা,**


**ঠেলামৰা, ২৬ জুলাই ঃ** মূলসুঁতিলৈ উভতি আহি স্বাভাৱিক জীৱন কটোৱাৰ পৰিৱৰ্তে অধুনালুপ্ত এনডিএফবিৰ একাংশ সদস্যই অপৰাধমূলক কাৰ্যকলাপত জড়িত হোৱাৰ তথ্য পোৱা গৈছে। সম্প্ৰতি পূৰ্বৰ এনডিএফবি (স) গোটৰ প্ৰাক্তন কেডাৰ মটৰ চাইকেল চুৰিৰ অপৰাধত গ্ৰেপ্তাৰ হৈছে। ১০খন চুৰি মটৰ চাইকেলসহ লুকাছ নাৰ্জাৰী নামৰ প্ৰাক্তন এনডিএফবি (স)ৰ প্ৰাক্তন কেডাৰজনক গ্ৰেপ্তাৰ কৰা হৈছে বুলি আৰক্ষী সূত্ৰই জনাইছে। আৰক্ষী সূত্ৰই জনোৱা মতে, বিভিন্ন প্ৰান্তৰ পৰা মটৰ চাইকেল চুৰি কৰি ধৃত লুকেছে ঢেকিয়াজুলিৰ বাতাচিপুৰৰ এঠাইত মজুত কৰি ৰাখি কম দামত এই দুচকীয়া বাহনসমূহ বিক্ৰী কৰি আহিছিল। এই সন্দৰ্ভত ঢেকিয়াজুলি আৰক্ষীয়ে জানিব পাৰি গোপন সূত্ৰৰ পম খেদি কালি বাতাচিপুৰৰ জৰ্দানপুৰ অঞ্চলত এক অভিযান চলাই ১০খন চুৰি মটৰ চাইকেল জব্দ কৰাৰ লগতে লুকেছক গ্ৰেপ্তাৰ কৰে। এই চুৰি কাৰ্যত আৰু কে'বাজনো লোক জড়িত থকাৰ সন্দেহ কৰিছে আৰক্ষীয়ে।

## '৭২ৰ ভাষা আন্দোলনৰ সক্ৰিয় কৰ্মী নুৰুদ্দিন আহমেদৰ মৃত্যু



**বিশেষ সংবাদদাতা**

**মঙলদৈ, ২৬ জুলাই ঃ** ১৯৭২ৰ মাধ্যম আন্দোলন আৰু ১৯৭৯ৰ অসম আন্দোলনৰ সক্ৰিয় কৰ্মী হিচাপে পৰিচিত মঙলদৈ চহৰৰ দুই নম্বৰ ৱাৰ্ডৰ খাজা নগৰ নিবাসী নুৰুদ্দিন আহমেদ ওৰফে লাল (৭৫)ৰ মৃত্যু হয়। দীৰ্ঘদিন ধৰি যকৃতৰ ৰোগত আক্ৰান্ত হৈ থকা আহমেদক পৰিয়ালৰ লোকে হায়দৰাবাদত চিকিৎসা কৰাই আছিল যদিও শেহতীয়াকৈ তেওঁ ঘৰতেই চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰি চলি আছিল। কিন্তু হঠাৎ শৰীৰ অৱনতি ঘটাত তেওঁ নিজ বাসগৃহতেই শেষ নিশ্বাস ত্যাগ কৰে। ১৯৭১ত তেওঁ কটন কলেজৰ পৰা বিজ্ঞানৰ স্নাতক ডিগ্ৰী লাভ কৰি ঘৰলৈ উভতি আহিয়েই দেশ মাতৃৰ সেৱাত প্ৰথমে মাধ্যম আন্দোলন আৰু ছয় পৃষ্ঠাত চাওক

জনসংযোগ/ডি/৯১০৯/২২

দৈনিক অগ্ৰদূত

গুৱাহাটী বুধবাৰ ১০ শাওণ ১৪২৯ ভাস্কৰাব্দ ২৭ জুলাই ২০২২

# বিদায়ী ৰাষ্ট্ৰপতিৰ উপদেশ

**বিদায়ী** ৰাষ্ট্ৰপতি ৰামনাথ ক'ৰিন্দে তেওঁৰ বিদায়ী ভাষণত প্ৰথমতে ৰাষ্ট্ৰৰ স্বাৰ্থৰক্ষাৰ বাবে সকলো পক্ষকে আহ্বান জনাইছে। যদিও সাম্প্ৰতিক সময়ৰ ৰাজনৈতিক শ্ৰেণীটোৱে দলীয় ৰাজনীতিৰ স্বাৰ্থৰক্ষাকহে আগস্থান দিয়ে। তেওঁলোকৰ বাবে ৰাষ্ট্ৰৰ স্বাৰ্থৰক্ষা দ্বিতীয় স্থানত। বিদায়ী ৰাষ্ট্ৰপতিগৰাকীয়ে আৰু কৈছে যে সাংসদসকলে যেতিয়া সদনত বিতৰ্ক কৰা আৰু মত পাৰ্থক্য প্ৰকাশৰ অধিকাৰ প্ৰয়োগ কৰে তেতিয়া তেওঁলোকে গান্ধীবাদী নীতি গ্ৰহণ কৰিব লাগে। সংসদত যি দলেই বিৰোধী পক্ষত নাথাকক কিয় সকলোৱেই দৃষ্টি আকৰ্ষণৰ বাবে নানা ধৰণৰ পন্থা অৱলম্বন কৰে।

পিছে দেশৰ সংসদ আৰু বিধানসভাসমূহত গুৰুত্বপূৰ্ণ বিষয়বোৰ কাচিৎহে আলোচনাৰ বিষয়বস্তু হয়গৈ। সংসদৰ এনে প্ৰতিচ্ছবিয়ে বিদায়ী ৰাষ্ট্ৰপতি ক'ৰিন্দক বাৰুকৈয়ে চিন্তিত কৰি তুলিছে। দেশৰ ৰাষ্ট্ৰপতিসকলে কাৰ্যকাল শেষ হোৱাৰ পাছত বিদায় লোৱাৰ মুহূৰ্তত সদায়েই এক মনোগ্ৰাহী ভাষণ দিয়াটো পৰম্পৰা। ক'ৰিন্দেও বিদায়ী পৰত কেতবোৰ গুৰুত্বপূৰ্ণ দিশলৈ আঙুলিয়াই দিছে। বিশেষকৈ ৰাষ্ট্ৰৰ স্বাৰ্থক অন্যান্য স্বাৰ্থতকৈ প্ৰাধান্য দিয়াৰ যি উপদেশ বাণী তেওঁ শুনাইছে, বৰ্তমান সময়ত সেই উপদেশৰ যথেষ্ট মূল্য আছে। প্ৰতিগৰাকী ৰাজনৈতিক নেতা, প্ৰতিগৰাকী ভাৰতীয় নাগৰিকৰ কৰ্তব্য দেশৰ স্বাৰ্থক আগস্থান দিয়াটো; কিন্তু দেশৰ স্বাৰ্থনো কি? দেশৰ স্বাৰ্থ মানে দহৰ স্বাৰ্থ, সমাজৰ স্বাৰ্থ। প্ৰতিগৰাকী নাগৰিকে আইনৰ গণ্ডীৰ ভিতৰত থাকি নিজৰ কৰ্তব্য পালন আৰু সমূহৰ বাবে অহোপুৰুষাৰ্থ কৰাটোৱেই ৰাষ্ট্ৰৰ স্বাৰ্থ। কোনো ৰাজনীতিকৰ ভুল অথবা আঁকোৰগোজ মনোভাব বা দৃষ্টিভংগীৰ বাবে যদি দেশৰ অৰ্থনীতিলৈ সংকট নামি আহে তেনেহ'লে তেনে পৰিস্থিতিৰ বাবে সেই নেতা দায়বদ্ধ। দেশৰ স্বাৰ্থৰক্ষাৰ বাবে ইয়াৰ অৰ্থনৈতিক, সামাজিক, আধ্যাত্মিক সকলো ধৰণৰ স্বাৰ্থৰক্ষা তথা উন্নয়নকেই বুজায়। বহিঃশত্ৰুৰ স'তে যুঁজিবলৈ যোৱাটোকে দেশৰ স্বাৰ্থৰক্ষা বুলি ক'লে উচিত কোৱা নহ'ব।


বিদায়ী ৰাষ্ট্ৰপতিগৰাকীয়ে কোৱাৰ দৰে সংসদ হ'ল গণতন্ত্ৰৰ মন্দিৰ য'ত সাংসদসকলে যি জনসাধাৰণে তেওঁলোকক নিৰ্বাচিত কৰি পঠিয়ায় সেই জনসাধাৰণৰ ইচ্ছাক প্ৰতিফলিত কৰে। দুৰ্ভাগ্যবশতঃ সৰহভাগ সাংসদেই সেইটো কৰাৰ সলনি নিজৰ উন্নয়নহে সাধন কৰিবলৈ উঠিপৰি লাগে। সাধাৰণ মানুহে ভোগা কষ্ট তথা দুৰৱস্থাৰ বিষয়টো তেওঁলোকে নাভাবে। বিদায়ী ৰাষ্ট্ৰপতিগৰাকীয়ে তেওঁৰ বিদায়ী ভাষণত দিয়া পৰামৰ্শখিনিয়ে ৰাজনীতিকসকলৰ দৃষ্টিভংগী পৰিৱৰ্তন কৰিবলৈ সক্ষম হ'ব নে নাই সেয়া জনসাধাৰণে নিশ্চয় লক্ষ্য কৰিব।

ৰামনাথ ক'ৰিন্দে বিদায়ী ভাষণত কোৱা কথাখিনি যথেষ্ট সাৰুৱা। সুপ্ৰশাসন, জাতীয় সংহতি গঢ়ি তোলা, ৰাজনৈতিক দুৰ্নীতি বন্ধ কৰা, আমোলাসকলৰ যোগ্যতা নিশ্চিত কৰা তথা ন্যায়ব্যৱস্থাক নিয়াৰিকৈ পৰিচালনা কৰা, ৰাজনৈতিক দায়বদ্ধতা ইত্যাদি সাৰুৱা উপদেশবোৰ গুৰুত্বপূৰ্ণ। কিন্তু দেশত এনে ৰাষ্ট্ৰপতি অতি কম যিয়ে কাৰ্যনিৰ্বাহ কৰি থকা সময়ছোৱাত এই বিষয়বোৰক লৈ মূৰ ঘমাইছে। ৰাজনৈতিক দুৰ্নীতিৰ বিৰুদ্ধে আৰু দলীয় স্বাৰ্থৰক্ষাকাৰী ৰাজনীতিকৰ বিৰুদ্ধে বিদায়ী ৰাষ্ট্ৰপতিগৰাকীয়ে চৰকাৰক সচকিত কৰি দিয়া বা প্ৰচাৰ চলোৱা জনসাধাৰণে দেখা নাই। হয়তো সেইবাবেই ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতিক বহুতেই ৰবৰ ষ্টাম্প বুলি সমালোচনা কৰে। কাৰ্যনিৰ্বাহ কৰি থকা সময়ত যদিহে ৰাষ্ট্ৰপতিয়ে এইবোৰ বিষয়ৰ ওপৰত মাত মাতিলেহেঁতেন তেনেহ'লে সেয়া প্ৰশংসনীয় হ'লহেঁতেন।

সি যি কি নহওক, নতুনকৈ কাৰ্যভাৰ লোৱা ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে যথেষ্ট আশাৰ সঞ্চাৰ কৰা দেখা গৈছে। তেওঁ ৰাষ্ট্ৰপতি ভৱনৰ পৰা দেশবাসীক তেওঁৰ উপস্থিতি অনুভৱ কৰাব পাৰিবনে নাই অথবা তেওঁৰ কণ্ঠ দেশবাসীয়ে শুনিবলৈ পাব নে নাই সেয়া এক প্ৰশ্ন। আশাকৰো নতুন ৰাষ্ট্ৰপতিগৰাকীয়ে ৰাইজৰ আশা পূৰণ কৰিবলৈ সক্ষম হ'ব।

## খোলা মঞ্চ

## অৰ্ধ-শতাব্দী অতিক্ৰম কৰা 'অগ্ৰদূত' সম্পৰ্কে আপোনাৰ ধাৰণা



**সভ্যতা** আৰু সংস্কৃতিৰ অপৰিহাৰ্য অংগ বাতৰি কাকত প্ৰতিগৰাকী শিক্ষিত মানুহৰ নিত্য সংগী। ৰেডিঅ', দূৰদৰ্শন, ম'বাইল আদিৰ ভিতৰত বাতৰি কাকত স্থায়ী গণ মাধ্যম। ৰাতিপুৱা বাতৰি কাকতখন হাতত লৈ মুখ্য বাতৰিকেইটাত চকু নুফুৰালে দিনটো যেন আধৰুৱা হৈ ৰয়। অসমত আঞ্চলিক ভাষাৰ বহুকেইখন বাতৰি কাকতৰ প্ৰচলন আছে যদিও 'অগ্ৰদূত' কাকতখন মোৰ প্ৰিয় কাকত। 'অগ্ৰদূত' কাকতৰ দৰে ছপা আখৰৰ শৃংখলা আৰু সৌন্দৰ্য অন্য বাতৰি কাকতত বিচাৰি নাপাওঁ। সেয়ে দীৰ্ঘদিন ধৰি আমি 'অগ্ৰদূত' কাকতখন পঢ়ি আছো। ২০১৫ৰ পৰা মাজে মাজে দুই এটা লেখাৰে কাকতখনৰ জৰিয়তে লেখিকা হিচাপেও পৰিচিতি এটা লাভ কৰিছো।

ব্যক্তি, ঘটনা, প্ৰবন্ধ, গল্প, কবিতা, সংস্থাপনৰ বাতৰি, ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰয়োজনীয় জ্ঞানৰ পাঠ্যক্ৰম, ধৰ্ম, ক্ৰীড়া, মনোৰঞ্জন আদি সকলো দিশতে সমৃদ্ধ শিতানসমূহে সকলো শ্ৰেণীৰ পাঠককে মনৰ সন্তুষ্টি দিয়াৰ লগতে নবীন লেখকক আত্মপ্ৰকাশ ঘটোৱাৰ সুবিধা দি আহিছে। ৰাজনীতি, সমাজনীতি অৰ্থনীতি আদি দেশ বিদেশত দৈনন্দিন ঘটি থকা ঘটনাসমূহৰ সঠিক আৰু সত্য বাতৰিসমূহ নিৰপেক্ষ আৰু নিৰ্ভীকভাৱে 'অগ্ৰদূত' কাকতে পাঠক সমাজত দাঙি ধৰি সত্যতাৰ উপলব্ধিৰে গণ সচেতনতাৰ সৃষ্টি কৰিব পাৰিছে। জাতীয় চৰিত্ৰসমূহৰ দোষ-গুণবোৰ নিস্বাৰ্থভাৱে উদঙাই দিয়াত 'অগ্ৰদূত' সফল।

জাতীয় জীৱনৰ 'অগ্ৰদূত' স্বৰূপ বাতৰি কাকতখনে ১৯৭১ৰ প্ৰতিষ্ঠা কালৰে পৰা দীঘলীয়া সময় অতিক্ৰমি ৫০ বছৰীয়া জয়ন্তী উদ্‌যাপন কৰিলে। এই সকলোখিনি সম্ভৱ হৈছে অসাধাৰণ মনৰ এগৰাকী নিষ্ঠাবান, দৃঢ়মনা, সাহসী কৰ্মযোগীৰ বাবে। তেওঁ ১৯৭১ত মঙলদৈৰ পৰা পষেকীয়া বাতৰি কাকত হিচাপে 'অগ্ৰদূত' কাকতখন প্ৰকাশ কৰি উলিয়ায়। মঙলদৈৰ পৰা গুৱাহাটীৰ মালিগাঁও তাৰ পৰা দিছপুৰত 'অগ্ৰদূত' কাকতৰ স্থায়ী কাৰ্যালয় সকলোৰে পৰিচিত আৰু সমাদৃত 'অগ্ৰদূত ভৱন' প্ৰতিষ্ঠা কৰে। ১৯৯৫ত 'দৈনিক অগ্ৰদূত' বাতৰি কাকত প্ৰকাশ কৰি উলিয়ায়। বিশাল জ্ঞানৰ অধিকাৰী দৃঢ়মনা ব্যক্তিগৰাকীয়ে আজি কিছুদিন আগলৈকে তেওঁৰ বিশাল জ্ঞানেৰে সমৃদ্ধ বিভিন্ন দেশ বিদেশৰ ঘটনা আৰু ব্যক্তিৰ ঘটনা বৰ্ণাই প্ৰতি সোমবাৰে 'দৈনিক অগ্ৰদূত'ত আগবঢ়াই অহা জ্ঞান সমৃদ্ধ লেখাটোৰ অভাৱ মোৰ দৰে বাকী সকলোৱে নিশ্চয় অনুভৱ কৰে। অৱশ্যে তেওঁৰ সু-পুত্ৰই সেই ঠাই পুৰাই আহিছে।

কৰ্মৰ সফলতাৰে জগত জয় কৰা উত্তৰ পুৰুষৰ প্ৰেৰণা আৰু আদৰ্শ স্বৰূপ কনকসেন ডেকালৈ প্ৰণিপাত জনাইছো। প্ৰতিষ্ঠা কালৰে পৰা সকলো ঘাত-প্ৰতিঘাত প্ৰত্যাহ্বান নেওচি কাকতখন চলাই নিয়াত তেওঁৰ ছাঁৰ দৰে লাগি থকা পৰিয়ালবৰ্গৰ ত্যাগ অনস্বীকাৰ্য। পাঠক সমাজ আৰু লেখকৰ লগতে কাকতৰ কৰ্মীবৃন্দ নিশ্চয়কৈ এই সফলতাৰ অংশীদাৰ। 'অগ্ৰদূত' জাতিৰ দাপোণ হৈ চিৰ প্ৰৱাহমান হৈ থাকক।


**পংকজা দাস,** *লেখিকা*

*ফোন ঃ ৮৮৭৬৭৬২৩৮৫*

## নতুন ৰাষ্ট্ৰপতিগৰাকীয়ে কি ভূমিকা ল'ব

# ঘৃণা-হিংসাৰ ৰাজনীতিত বিপন্ন গণতন্ত্ৰ

**নিউজ স্কেন**



**গীতাৰ্থ পাঠক**

**আমাৰ** দেশৰ সাংবিধানিকভাৱে সৰ্বোচ্চ পদ ৰাষ্ট্ৰপতিৰ আসনত আদিবাসী মহিলা এগৰাকীৰ উত্তৰণে দেশখনৰ আদিবাসী সমাজ, মহিলা আৰু পিছপৰি থকা সামাজিক শ্ৰেণীৰ উন্নয়ন কামনা কৰা সকলো গণতান্ত্ৰিক ব্যক্তিকেই উল্লসিত কৰি তুলিছে। এগৰাকী আদিবাসী মহিলাক ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত কৰি বিজেপি তথা এনডিএ চৰকাৰে সঁচাকৈয়ে দেশখনৰ আদিবাসী তথা জনজাতীয় লোকসকলক উন্নয়নৰ দিশেৰে আগবঢ়াই নিব বিচাৰিছে নে ২০২৪ৰ লোকসভা নিৰ্বাচনত আদিবাসীসকলৰ ভোট বিপুলভাৱে পোৱাৰ ব্যৱস্থা কৰিছে সেয়া সময়তহে বুজিব পৰা যাব। আদিবাসী বা দলিত সম্প্ৰদায়ৰ কোনো ব্যক্তি এগৰাকী ৰাষ্ট্ৰপতি হ'লেই যে তেওঁলোকৰ সম্প্ৰদায়ৰ উন্নয়ন হ'ব অথবা তেওঁলোক সমাজৰ অন্যান্য আগবঢ়া শ্ৰেণীৰ সমকক্ষ হ'ব পাৰিব তেনে কথা নহয়। বিদায়ী ৰাষ্ট্ৰপতি ৰামনাথ ক'ৰিন্দ আৰু ভূতপূৰ্ব ৰাষ্ট্ৰপতি কে আৰ নাৰায়ণন দুয়োগৰাকী ৰাষ্ট্ৰপতি দলিত সম্প্ৰদায়ৰ আছিল। কিন্তু এওঁলোক দুয়ো পাঁচ বছৰকৈ ১০ বছৰ দেশখনৰ সৰ্বোচ্চ পদত কাৰ্যনিৰ্বাহ কৰাৰ পাছতো আমাৰ দেশৰ দলিত শ্ৰেণীৰ কিবা সাংঘাতিক ধৰণৰ উন্নয়ন হৈছেনে? ভাৰতবৰ্ষৰ দলিতসকল এতিয়াও উপেক্ষিত, শোষিত আৰু বঞ্চিত হৈ থকা নাইনে? দেশখনৰ বহু ঠাইত এতিয়াও দলিতসকল অচ্যুত। গতিকেই দ্ৰৌপদী মুৰ্মু আমাৰ দেশৰ ৰাষ্ট্ৰপতি হোৱা মানেই আদিবাসীসকল উন্নয়নৰ দিশেৰে আগবাঢ়ি আহিব বুলি নিশ্চয়তা দিব নোৱাৰি।

আমাৰ দেশখনৰ ৰাজনীতিত কথা আৰু কামৰ মাজত ব্যৱধান বহুতো। গণতন্ত্ৰক শক্তিশালী কৰা, বাক স্বাধীনতা ৰক্ষা কৰা, ব্ৰিটিছে প্ৰণয়ন কৰা দেশদ্ৰোহিতাৰ আইন ভাৰতীয় দণ্ডবিধিৰ ১২৪ (ক) ধাৰা যাব লাগে বুলি স্বয়ং প্ৰধানমন্ত্ৰীয়ে ক'লেও বাস্তৱত চৰকাৰৰ কাম কাজক সমালোচনা কৰাটো আমাৰ দেশত মহঙা হ'বলৈ ধৰিছে। আমাৰ দেশত এচাম হিন্দুত্ববাদীয়ে মুছলমানসকলৰ বিৰুদ্ধে ঘৃণাৰ উদ্ৰেক কৰিব পৰা উচটনিমূলক বক্তব্য ৰাখিলেও চৰকাৰে তেওঁলোকৰ বিৰুদ্ধে ব্যৱস্থা নলয় অথচ কবিতা দুশাৰী লিখাৰ বাবে বৰ্ষা বুঢ়াগোহাঞিৰ দৰে ছাত্ৰী এগৰাকীক কাৰাগাৰত নিক্ষেপ কৰি থয়। বৰ্ষাৰ ফেচবুকত কমেণ্ট কৰাৰ দায়ত আমগুৰিৰ বিতোপন চাংমাই এতিয়াও কাৰাগাৰত আছে। যোৱা এপ্ৰিলত ৰাম নৱমীৰ দিনা দেশখনৰ কে'বা ঠাইতো এনে ধৰণৰ ঘৃণা উদ্ৰেককাৰী বক্তব্যৰে সাম্প্ৰদায়িক সংঘৰ্ষৰ সৃষ্টি কৰা হৈছিল। উত্তৰ প্ৰদেশৰ এজন হিন্দু সাধুৱে মুছলমান ছোৱালী অপহৰণ কৰি ধৰ্ষণ কৰিবলৈ সকীয়াই দিয়া ভিডিঅ'ই সমাজত উত্তেজনাৰ সৃষ্টি কৰিছিল। য়েটি নৰসিংহানন্দ সৰস্বতী নামৰ আন এজন হিন্দু পুৰোহিতে ঘৃণা উদ্ৰেককাৰী মন্তব্যৰ বাবে কাৰাবাস খাটি ওলাই আহিয়েই দিল্লীত হিন্দুসকলক মুছলমানৰ বিৰুদ্ধে অস্ত্ৰ ল'বলৈ আহ্বান জনাইছিল। তাৰ পাছতো তেওঁৰ বিৰুদ্ধে একো ব্যৱস্থা গ্ৰহণ কৰা নহ'ল।

ছ'চিয়েল মিডিয়া আৰু একাংশ টি ভি চেনেলে এনে ধৰণৰ সাম্প্ৰদায়িক ঘৃণাৰ সৃষ্টি কৰি সমাজত সাম্প্ৰদায়িকভাৱে মানুহক উচটনি দিব পৰা বক্তব্যক বহুলভাৱে প্ৰচাৰ কৰি সমাজখনত তীব্ৰ বিভাজনৰ সৃষ্টি কৰাত প্ৰভূত অৰিহণা যোগাইছে। আমাৰ দেশত ঘৃণা উদ্ৰেগকাৰী বক্তব্য প্ৰতিৰোধৰ বাবে আইনৰ ধাৰাৰ অভাৱ নাই। কিন্তু আমাৰ বৰ্তমানৰ শাসকসকলে এই আইন প্ৰয়োগ কৰি ঘৃণা-বক্তব্য প্ৰতিৰোধ বা নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰা নাই। যোৱা ২০১৭ত ভাৰতৰ আইনী বিশেষজ্ঞসকলৰ প্ৰতিষ্ঠান আইন আয়োগে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি ঘৃণা উদ্ৰেককাৰী ভাষণক অপৰাধ হিচাপে গণ্য কৰিবলৈ ভাৰতীয় দণ্ডবিধিত সুকীয়া ধাৰা সংযোজিত কৰিবলৈ পৰামৰ্শ আগবঢ়াইছিল। কিন্তু সেয়া হৈ নুঠিল।

ন্যায় তথা সমাজৰ ৰক্ষক হিচাপে নতুন ৰাষ্ট্ৰপতিগৰাকীয়ে এই বিষয়বোৰলৈ মন-কাণ দিব পাৰিবনে? আমি জানো যে আমাৰ দেশৰ সৰ্বোচ্চ সাংবিধানিক পদ ৰাষ্ট্ৰপতি হ'লেও ৰাষ্ট্ৰপতিৰ ক্ষমতা সীমিত— যাৰ বাবে ভাৰতৰ ৰাষ্ট্ৰপতিক ৰাবাৰ ষ্টাম্প বুলিও সমালোচনা কৰা হয়। সি যি কি নহওক ২০১৬ত মুৰ্মু ঝাড়খণ্ডৰ ৰাজ্যপাল হৈ থকা সময়ত আদিবাসীসকলৰ মাটিৰ অধিকাৰ কাঢ়ি নিব খোজা ইংৰাজৰ দিনতে প্ৰণয়ন কৰা ছোটনাগপুৰ টেনান্সি এক্ট ১৯০৮ আৰু চান্থাল পৰগাণা টেনান্সি এক্ট ১৯৪৯ আইন দুখন তদানীন্তন ঝাড়খণ্ডৰ ৰঘুবীৰ দাসৰ নেতৃত্বাধীন বিজেপি চৰকাৰে সংশোধন কৰি বিধান সভাত গৃহীত কৰি ৰাজ্যপাল দ্ৰৌপদী মুৰ্মুলৈ সন্মতিৰ বাবে পঠিয়াইছিল। তেতিয়া এই আইন সংশোধনীৰ বিৰুদ্ধে ঝাড়খণ্ডত পাতালগড়ী আন্দোলনে হিংসাত্মক ৰূপ লৈছিল। ৰাজ্যপাল মুৰ্মুৱে পোনতে এই ক্ষেত্ৰত নীৰৱতা অৱলম্বন কৰিলেও পাছলৈ প্ৰচণ্ড ৰাজনৈতিক সামাজিক হেঁচাৰ পৰিপ্ৰেক্ষিতত এই দুখন বিধেয়ক সংশোধনী সন্মতি নিদিলে। নিজৰ দলৰ চৰকাৰে লোৱা সংশোধনী বিধেয়কখন বাতিল কৰাটো তেওঁৰ বাবে অস্বস্তিকৰ আছিল যদিও অৱশেষত হেঁচাতেই তেওঁ তাকে কৰিলে। এতিয়া ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হৈ তেওঁ সমাজৰ পিছপৰা আদিবাসী, দলিত, ধৰ্মীয় সংখ্যালঘুসকলৰ অধিকাৰ ৰক্ষা আৰু উন্নয়নৰ বাবে কি ভূমিকা গ্ৰহণ কৰে সেয়া চাবলগীয়া হ'ব।



যোৱা বৃহস্পতিবাৰে উচ্চতম ন্যায়ালয়ে ঘৃণাসূচক ভাষণ বন্ধ কৰাৰ বাবে ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে শীঘ্ৰেই ব্যৱস্থা লোৱাৰ নিৰ্দেশ দি কৈছে যে এনে ধৰণৰ ঘৃণাসূচক বক্তব্যক গুৰুতৰ অপৰাধ হিচাপে ধৰি লৈ তাৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ বাবে বিশেষ টাস্ক ফৰ্চ গঠন কৰিব লাগে; কৰ্তৃপক্ষ তথা চৰকাৰৰ এই ক্ষেত্ৰত ব্যৱস্থা নললে এনে কাৰ্যক দুৰ্ব্যৱহাৰ আৰু অৱজ্ঞাসূচক বুলি গণ্য কৰা হ'ব বুলি শীৰ্ষ আদালতে কৈছে। কিন্তু আদালতৰ নিৰ্দেশ চৰকাৰে কিমানদূৰ মানিব। উচ্চতম ন্যায়ালয়ে এনে অপৰাধৰ বিৰুদ্ধে 'জিৰো টলাৰেন্স' অৰ্থাৎ সহ্যশূন্য নীতি গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে যদিও ন্যায়ালয়ৰ নিৰ্দেশ চৰকাৰে মানিবনে? যদিহে নামানে ন্যায়ালয়ে চৰকাৰ বা কৰ্তৃপক্ষৰ বিৰুদ্ধে কি ব্যৱস্থা ল'ব সেয়া আমি নিশ্চিত নহওঁ।

**আমাৰ দেশখনৰ ৰাজনীতিত কথা আৰু কামৰ মাজত ব্যৱধান বহুতো। গণতন্ত্ৰক শক্তিশালী কৰা, বাক স্বাধীনতা ৰক্ষা কৰা, ব্ৰিটিছে প্ৰণয়ন কৰা দেশদ্ৰোহিতাৰ আইন ভাৰতীয় দণ্ডবিধিৰ ১২৪ (ক) ধাৰা যাব লাগে বুলি স্বয়ং প্ৰধানমন্ত্ৰীয়ে ক'লেও বাস্তৱত চৰকাৰৰ কাম কাজক সমালোচনা কৰাটো আমাৰ দেশত মহঙা হ'বলৈ ধৰিছে।**

যি সময়ত দেশখনত জুই জ্বলোৱা ঘৃণাসূচক বাক্যৰে এচাম হিন্দুত্ববাদী নেতাই হেলাৰঙে ঘূৰি ফুৰিছে সেই সময়ত অল্ট নিউজ পৰ্টেল নামৰ খবৰৰ সত্যাসত্য নিৰূপণকাৰী সংবাদ মাধ্যমৰ যুটীয়া প্ৰতিষ্ঠাতা মহম্মদ জুবেইৰক বিতৰ্কিত ভূতপূৰ্ব বিজেপিৰ মুখপাত্ৰ নূপুৰ শৰ্মাৰ টিভি চেনেলত হজৰৎ মহম্মদ সম্পৰ্কে দিয়া বক্তব্যৰ ওপৰত টুইটাৰত মন্তব্য প্ৰকাশ কৰাৰ ফলত গ্ৰেপ্তাৰ কৰা হৈছিল। সেই গোচৰত জুবেইৰক ওলোটাকৈ সাম্প্ৰদায়িক বক্তব্য দিয়া বুলি অভিযোগ কৰা হৈছিল। সেইটো গোচৰত আদালতে জামিন মঞ্জুৰ কৰাৰ পাছতে উত্তৰপ্ৰদেশ পুলিচে জুবেইৰৰ বিৰুদ্ধে সাতোটা গোচৰ তৰি তদন্ত কৰাৰ বাবে বিশেষ তদন্ত গোট গঠন কৰিছিল। ফলত ২৩ দিন ধৰি জামিন পোৱাৰ পাছতো তেওঁ কাৰাবাস খাটি থাকিবলগীয়া হৈছিল। অৱশেষত উচ্চতম ন্যায়ালয়ে উত্তৰ প্ৰদেশ পুলিচক ধিক্কাৰ দি জুবেইৰলৈ জামিন মঞ্জুৰ কৰাৰ পাছত তেওঁ মুক্ত হ'বলৈ সক্ষম হয়। জুবেইৰে কৈছে যে চৰকাৰক সমালোচনা কৰাৰ বাবে তথা শাসকসকলৰ ভুৱা বাতৰি ফাদিল কৰাৰ দোষৰেই তেওঁৰ বিৰুদ্ধে এনে আক্ৰোশমূলক গোচৰ ৰুজু হৈছে। উচ্চতম ন্যায়ালয়ত ঘৃণাসূচক ভাষণৰ বিৰুদ্ধে গোচৰ তৰা গুচৰীয়াসকলে অভিযোগ তুলিছে যে চৰকাৰে ঘৃণাসূচক ভাষণ আৰু চৰকাৰৰ সমালোচনামূলক মন্তব্যক একাকাৰ কৰি পেলাইছে।

দ্ৰৌপদী মুৰ্মু ৰাষ্ট্ৰপতি নিৰ্বাচিত হোৱাৰ পাছত কংগ্ৰেছ, এনচিপি আদি সকলোবোৰ বিৰোধী দলে তেওঁক অভিনন্দন জনাই সমস্বৰে এটা কথাকেই কৈছে যে আমাৰ দেশৰ গণতন্ত্ৰক তেওঁ ৰক্ষণাবেক্ষণ দিব লাগে। সকলোৱে আশা এয়ে যে দেশখনৰ পঞ্চদশ ৰাষ্ট্ৰপতিগৰাকীয়ে দেশখনৰ বিপন্ন গণতন্ত্ৰক ৰক্ষা কৰাৰ বাবে আগবাঢ়ি আহিব। পিছে বিজেপি দলত থাকিয়েই ৰাজনৈতিক ভৱিষ্যৎ গঢ় দিয়া এই সাধাৰণ আদিবাসী যি ৰাষ্ট্ৰপতিৰ দৰে দেশখনৰ সৰ্বোচ্চ সাংবিধানিক পদত অধিষ্ঠিত হ'ল সেই বিজেপিৰ নেত্ৰীগৰাকীয়ে শাসক দলৰ বিৰুদ্ধে যাবলৈ কিমানদূৰ সক্ষম হ'ব সেয়া চাবলগীয়া হ'ব।

আমাৰ দেশখনৰ বৃহৎ বৃহৎ সংবাদ মাধ্যম বিশেষকৈ কৰ্প'ৰেট খণ্ডই পৰিচালনা আৰু নিয়ন্ত্ৰণ কৰা সংবাদ মাধ্যমে আমাৰ দেশৰ জনসাধাৰণৰ মাজত বিভাজন অনাত এক মাৰাত্মক ভূমিকা গ্ৰহণ কৰিছে। ঘৃণাসূচক, উচটনিমূলক ভাষণক কেবাগুণো ডাঙৰ কৰি প্ৰচাৰ তথা পুনৰ প্ৰচাৰ কৰাত সিদ্ধহস্ত বিশেষকৈ টিভি চেনেল আৰু ছ'চিয়েল মিডিয়াৰ বিৰুদ্ধে সম্প্ৰতি গৰজি উঠিছে ভাৰতবৰ্ষৰ মুখ্য ন্যায়াধীশ এন ভি ৰামানাই। অলপতে ৰাঁচীত অনুষ্ঠিত এক অনুষ্ঠানত ভাৰতৰ মুখ্য ন্যায়াধীশজনে কৈছে যে ছপা মাধ্যমত এতিয়াও দায়বদ্ধতা আছে, কিন্তু ইলেক্ট্ৰ'নিক মাধ্যমৰ দায়বদ্ধতা শূন্য। তদুপৰি তেওঁ কৈছে যে একাংশ সংবাদ মাধ্যমে এক সমান্তৰাল কাংগাৰু আদালত চলাই এক প্ৰকাৰৰ গোচৰৰ ৰায় দিবলৈ ধৰিছে। যিবোৰৰ ক্ষেত্ৰত সৰ্বাধিক অভিজ্ঞতা থকা ন্যায়াধীশেও ৰায় দিবলৈ সাহস নকৰে। তেওঁ কৈছে যে এনে সংবাদ মাধ্যমে তেওঁলোকৰ দায়বদ্ধতা পালন নকৰি গণতন্ত্ৰক দুখোজ পিছলৈ লৈ গৈছে আৰু জনসাধাৰণৰ ক্ষতিসাধন কৰি সমগ্ৰ ব্যৱস্থাটোকেই ধ্বংসৰ গৰাহলৈ ঠেলি দিছে। যি সময়ত শাসক শ্ৰেণী, সংবাদ মাধ্যম, গণতান্ত্ৰিক প্ৰতিষ্ঠান আটাইবোৰে লগ লাগি গণতন্ত্ৰক পিছফালে হোঁহকাই পঠিয়াইছে সেই সংকটময় ক্ষণত আশাৰ বতৰা কঢ়িয়াই অনা নতুন ৰাষ্ট্ৰপতিগৰাকীয়ে গণতন্ত্ৰ ৰক্ষাৰ বাবে কেনে ধৰণৰ ভূমিকা গ্ৰহণ কৰে সেয়া লক্ষ্যণীয় হ'ব।

*ফোন ঃ ৯৪৩৫০৪৮৪৮৪*

# সংঘাত আৰু বিতৰ্ক

## সৃষ্টি আৰু সত্য উদ্‌ঘাটনৰ আদি মূল



**সংঘাত** অবিহনে সৃষ্টি অসম্ভৱ। সেইদৰে বিতৰ্ক বা যুক্তিতৰ্ক অথবা বিচাৰ বিবেচনাৰ পাছতহে সত্য উদঘাটন হয়। ই হ'ল সৃষ্টিৰ নিয়ম। আমাৰ চকুৰ আগত ঘটি থকা সকলো ধৰণৰ সংঘাতৰ ফলতে কিবা নহয় কিবা সৃষ্টি হোৱা দেখিবলৈ পাওঁ। গ্ৰহ-নক্ষত্ৰকে আদি কৰি আমি বাস কৰা পৃথিৱীখনৰ সকলো জীৱ আৰু উদ্ভিদৰ উৎপত্তিও সংঘাতৰে ফল। বায়ু, পানী আৰু তাপৰ সংঘাত অবিহনে জীৱ আৰু উদ্ভিদৰ উৎপত্তি আৰু বৰ্তি থকা সম্ভৱ নহয়। শিলে শিলে সংঘৰ্ষ হ'লে জুইৰ সৃষ্টি, দিয়াচলাইৰ কাঠি ডাল দিয়াচলাইৰ কাযত লাগি থকা বাখৰ খিনিৰ লগত সংঘৰ্ষ হ'লেহে কাঠিডাল জ্বলি উঠে। ডাৱৰীয়া বতৰত বায়ুৰ প্ৰভাৱত মেঘে মেঘে সংঘৰ্ষ হয় আৰু তাৰ ফলত ঢেৰেকনিৰ শব্দ হোৱাৰ লগতে বিজুলী উৎপন্ন হৈ আকাশখন পোহৰাই তোলে। সংঘাতৰ প্ৰকোপ বেছি হ'লে পৃথিৱীত বজ্ৰপাতো পৰে। পৃথিৱীত পৰা বৰষুণো বায়ু, তাপ আৰু মেঘৰ সংঘাতৰে ফল। আমি ব্যৱহাৰ কৰা বাদ্য যন্ত্ৰ, বাচন-বৰ্তন, আচবাব আদিও সংঘাতৰ ফলতে সৃষ্টি হয় আৰু এইবোৰৰ পৰা সৃষ্টি হোৱা শব্দও বায়ু আৰু কঠিন পদাৰ্থৰ সংঘাতৰে ফল। আমি যদি মন কৰো মানুহকে ধৰি পৃথিৱীৰ প্ৰায় সকলো ধৰণৰ পশু-পক্ষীয়ে মুখেৰে শব্দ উচ্চাৰণ কৰে। আমাৰ মুখেৰে কৰা উচ্চাৰণ আমাৰ শৰীৰৰ পৰা মুখেৰে এৰি দিয়া বায়ু আৰু মুখৰ ভিতৰত থকা কণ্ঠনলীৰ সংঘাতৰ পৰা সৃষ্টি হয়। মানৱ জাতিয়ে বিভিন্ন ভাষা প্ৰয়োগ কৰি নিজৰ মনৰ ভাৱ কথাৰ জৰিয়তে মুখেৰে প্ৰকাশ কৰে। আমি মুখেৰে শব্দবোৰ শুদ্ধকৈ উচ্চাৰণ কৰোতে মুখেৰে বাহিৰ কৰা বায়ুৰ লগত আমাৰ কণ্ঠনলী, জিভা, ওঁঠ, দাঁত নাক আদি সকলো অংগৰ সংঘাতৰ ফলতহে সৃষ্টি হয়। ঠিক সেইদৰে আমি খোৱা খাদ্যবোৰো শৰীৰৰ যন্ত্ৰ যেনে দাঁত, জিভা, পাকস্থলী আদিৰ সংঘাতৰ ফলত হজম হৈ আমাৰ শৰীৰ শ্ৰীবৃদ্ধি আৰু সুস্থ কৰি ৰখাৰ বাবে তেজকে ধৰি আন আন আৱশ্যকীয় উপাদান সমূহৰ সৃষ্টি হয়। সকলো জীৱকে সুস্থ হৈ থাকিবলৈ খাদ্যৰ উপৰি শাৰীৰিক সংঘাত অৰ্থাৎ শাৰীৰিক পৰিশ্ৰম আৰু বিশ্ৰামৰ আৱশ্যক। ইয়াৰ পৰা আমি ইয়াকে বুজিব পাৰো যে নিয়মিত শাৰীৰিক সংঘাত অবিহনে শৰীৰ সুস্থ কৰি ৰখা সম্ভৱ নহয়। আমাৰ শৰীৰ সুস্থ কৰি ৰাখিবলৈ হ'লে শৰীৰৰ স্নায়ুবোৰ সক্ৰিয় কৰি ৰাখিব লাগে. সেই কাৰণে শৰীৰৰ স্নায়ুকেন্দ্ৰত হাত আৰু ভৰিৰ তলুৱাত সংঘাতৰ প্ৰয়োজন আৰু তাৰ কাৰণে হাত দুখনেৰে কাম কৰা, হাত চাপৰি মৰা আৰু খালী ভৰিৰে খোজ কঢ়াৰ অভ্যাস থাকিব লাগে। আদিম কালৰ পৰা ভাৰতবৰ্ষত হাত চাপৰি মৰা ধৰ্মীয় প্ৰথাৰ প্ৰচলন আছে আৰু জগৎগুৰু শ্ৰীমন্ত শংকৰদেৱেও সেই কাৰণে মন, মগজু আৰু শৰীৰৰ সংঘাতৰ কাৰণে এক শৰণ হৰি নাম ধৰ্ম প্ৰৱৰ্তন কৰিছিল। অকল শৰীৰ সুস্থ কৰি ৰখা বা কৰ্ম কৰাৰ পাছত কৰ্মফল পোৱাৰ কাৰণে শৰীৰিক সংঘাত হ'লে যথেষ্ট নহয়। শাৰীৰিক সুস্থতাৰ লগতে মানসিক সুস্থতাৰ কাৰণে বৌদ্ধিক দিশতো সংঘাতৰ প্ৰয়োজন আছে। মন, মগজু আৰু বিবেকৰ সংঘাত অবিহনে জ্ঞান লাভ কৰা সম্ভৱ নহয়। কোনো ধৰণৰ গল্প, প্ৰবন্ধ বা কবিতা আওৰাই কণ্ঠস্থ কৰিলেও তাৰ পৰা জ্ঞান লাভ কৰিব নোৱাৰি, যদিহে সেই গল্প, প্ৰবন্ধ, কবিতা বা কোনো লেখনীৰ অৰ্থই মন, মগজু আৰু বিবেকৰ মাজত সংঘাত সৃষ্টি নকৰে।

কৰ্ম নকৰিলে জ্ঞান লাভ কৰিব নোৱাৰি। জ্ঞান অবিহনে ভক্তি অসম্ভৱ। আনুষ্ঠানিক শিক্ষা পদ্ধতিৰ জৰিয়তে ডিগ্ৰী লৈ শিক্ষিত হ'লেও অজ্ঞানী হৈ থাকিব পাৰে। আনহাতে, ভাল পৰিৱেশ, ভাল আৰ্হি, জ্ঞানীলোকৰ পৰামৰ্শ, জীৱনৰ লক্ষ্য আৰু একাগ্ৰতা আদিৰ প্ৰভাৱত আনুষ্ঠানিক শিক্ষা নোলোৱাকৈও মানুহ এজন জ্ঞানী আৰু ধাৰ্মিক হ'ব পাৰে। গুৰুক গুৰুজ্ঞান কৰা, ঈশ্বৰৰ প্ৰতি ভক্তি থকা, ডাঙৰক শ্ৰদ্ধা-ভক্তি কৰা, সৰুক মৰম-চেনেহ কৰা, নাৰী জাতিক মাতৃ জ্ঞান কৰা, সমাজ, দেশ তথা জীৱজগত আৰু প্ৰকৃতিৰ প্ৰতি দায়িত্ববোধ থকা আদি মানুহৰ মানৱীয় গুণবোৰ মানৱধৰ্মৰ ভিতৰত পৰে আৰু এই গুণবোৰ থকা মানুহকে জ্ঞানী আৰু ধাৰ্মিক বুলি বিবেচনা কৰা হয়। মন্দিৰ, নামঘৰ, গুৰুদ্বাৰা, মছজিদ, গিৰ্জা আদি উপাসনাস্থলীলৈ নোযোৱাকৈও এজন মানুহ ধাৰ্মিক হ'ব পাৰে। মানবীয় গুণ নথকা অজ্ঞানী ব্যক্তিয়ে সাধু-সন্তৰ বেশ লৈ ঈশ্বৰৰ নামত ঘন্টাৰ পাছত ঘন্টা পূজা-অৰ্চনা, নাম কীৰ্তন কৰিলেও ভক্তি কৰা বা ভক্তি থকা নুবুজায়। কিছুমান অজ্ঞানী লোকেও ক্ষমতাৰ লোভ, অৰ্থ-সম্পদৰ লোভৰ বশৱৰ্তী হৈ সংগঠনৰ নেতা ৰাজনৈতিক নেতা হৈ আৰু বুদ্ধিজীৱী হিচাপে সমাজ পৰিচালনা কৰাৰ চেষ্টা কৰা দেখা যায়।

কৰ্মতে ধৰ্ম নিহিত হৈ থাকে। সেয়েহে জীৱনৰ সকলো ধৰণৰ কৰ্ম নিয়ম-নীতি অনুসাৰে অৰ্থাৎ কাৰো ক'তো ক্ষতি নোহোৱাকৈ বৰং পাৰিলে আনৰো উপকাৰ হোৱাকৈ ফলাফল ভগৱানৰ ওপৰত অৰ্পণ কৰি সম্পাদন কৰাটোৱে হ'ব ধৰ্ম আৰু ভগৱানক প্ৰাৰ্থনা কৰাৰ উৎকৃষ্ট উপায়। জ্ঞানী লোকেহে লক্ষ্যত উপনিত নোহোৱালৈকে নিজৰ কৰ্ম দায়িত্ব সহকাৰে সম্পাদন কৰে। দায়িত্ব ভালদৰে সম্পাদন হ'বলৈ হ'লে আমাৰ মনোৰথৰ লেকামডাল টানকৈ ধৰিব জানিব লাগিব। আমাৰ মনোৰথৰ ঘোঁৰা সদৃশ ৰিপু কেইটাই ৰথখনক ইফালে সিফালে টানি লৈ ফুৰাৰ চেষ্টাত থাকে। সেই কাৰণে আমাৰ মনোৰথখন সঠিক পথত চলিবলৈ হ'লে ঘোঁৰা সদৃশ ৰিপুকেইটাক অৰ্থাৎ আমাৰ সহজাত প্ৰবৃত্তি কেইটাক নিয়ন্ত্ৰণ কৰিবলৈ লেকামৰ ৰূপত থকা বিবেকক টানকৈ ধৰি ৰাখিব জানিব লাগিব। তেতিয়াহে আমি আমাৰ নিজৰ নিজৰ দায়িত্ব সঠিকভাৱে পালন কৰি জীৱশ্ৰেষ্ঠ মানৱৰ মনুষ্যত্ব অক্ষুণ্ণ ৰাখিব পাৰিম। শিক্ষকে দৰমহা লোৱাৰ আগতে মানুহ গঢ়াৰ দায়িত্বৰ কথা ভাবিব, চিকিৎসকে মাচুল লোৱাতকৈ ৰোগ নিৰাময়ত বেছি গুৰুত্ব দিব। সকলো বিভাগৰ বিষয়া-কৰ্মচাৰীয়ে মাহেকৰ মূৰত অকল দৰমহা লোৱাৰ কথা ভাবি নাথাকি সমাজ তথা দেশৰ হিতৰ স্বাৰ্থত নিজৰ দায়িত্ব পালন কৰিব। ঘৰে ঘৰে গাখীৰ দিয়া গোৱালেও চিন্তা কৰিব যাতে তেওঁৰ ভেজাল গাখীৰ খাই কোনো শিশুয়ে বুদ্ধি ভ্ৰষ্ট হৈ ভৱিষ্যতে সমাজৰ, দেশৰ ক্ষতি হোৱা কাম কৰিব লগা নহয়। সেইদৰে ব্যৱসায়ীসকলেও গ্ৰাহকক উচিত মূল্যত ভাল বস্তু যোগান ধৰিব। এনেকুৱা ভাল মানুহৰ সমাজত ভাল পৰিৱেশত ছাত্ৰ-ছাত্ৰীয়েও শিক্ষা ডিগ্ৰী লোৱা আৰু ধন সম্পত্তি কামাই কৰাৰ কৌশল হিচাপে নলৈ জ্ঞান আহৰণৰ কাৰণেহে ল'ব।

আমাৰ জীৱনবোৰে একোটা খেল। সৃষ্টিকৰ্তাই জীৱনৰ খেল খেলিবলৈ আমাক প্ৰত্যেককে দুই পক্ষত ভাগ কৰি দিছে। এটা পক্ষত আছে আমাৰ বিবেক, যিটোৰ দ্বাৰা আমি ভাল-বেয়া উচিত-অনুচিতৰ বিচাৰ কৰিব পাৰো আৰু আনটো পক্ষত আছে আমাৰ সহজাত প্ৰবৃত্তিবোৰ অৰ্থাৎ কাম, ক্ৰোধ, লোভ, মোহ, মদ, মাৎসৰ্য থাকে। যিহেতু জীৱনৰ খেলত অন্তিম জয় কেৱল বিবেকৰ পক্ষত থকা অৰ্থাৎ বিবেকৰ দ্বাৰা পৰিচালিত ব্যক্তিৰে হয়। সেই কাৰণে আমি বিবেকৰ পক্ষত থাকি জীৱনৰ খেল খেলিব জানিব লাগে আৰু সহজাত বা ব্যৱসায় কৰি উপাৰ্জন কৰা, বিয়া-বাৰু কৰাই সন্তান জন্ম দিয়া আৰুলি পৰিয়ালক পোহপান দিয়াটোৱে মাত্ৰ মনুষ্য জীৱন নহয়, এইবোৰ জীৱনৰ খেলত জয়ী হোৱাৰ পথ বা মাধ্যম আৰু আমাৰ শৰীৰটো হ'ল আমাৰ লক্ষ্যত উপনীত হোৱা আৰু জীৱনটোক সাৰ্থক কৰাৰ আহিলা।

আমি অলপ গভীৰভাৱে চিন্তা কৰিলে অনুভৱ কৰিব পাৰিম যে মানুহে বিদ্যা আহৰণ কৰি সমাজৰ মাজত ভাল মানুহ হিচাপে পৰিচয় দিবলৈ ঘৰৰ অভিভাৱক, বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়, গুৰু আদিৰ ওচৰত শিক্ষা-দীক্ষা ল'ব লগা হয়। পৰ্যায়ক্ৰমে ইমানবোৰ শিক্ষা-দীক্ষা লোৱাৰ পাছতো সমাজত ভাল মানুহ অৰ্থাৎ সৃষ্টিকৰ্তাই যি উদ্দেশ্যত মানুহক বিবেক বৃদ্ধি দি জীৱশ্ৰেষ্ঠ হিচাপে সৃজন কৰিছে, তেনেকুৱা মানুহ বৰ্তমান সময়ত সমাজত বিচাৰি পোৱাটো টান হৈ পৰিছে। এইখিনিতে মনত প্ৰশ্ন হয়, ভাল মানুহ গঢ়িবলৈ ইমানবোৰ ব্যৱস্থা থকাৰ পাছতো মানুহে প্ৰকৃত মানুহৰ পৰিচয় দিব পৰা নাই। অথচ মানুহক জীৱনত অপকৰ্ম কৰিবলৈ কোনো ধৰণৰ শিক্ষা ব্যৱস্থা নথকাৰ পাছতো আজিৰ মানুহে অপকৰ্ম কৰিবলৈ কুণ্ঠাবোধ নকৰে বা কৰিবলৈ লাজ নকৰা হৈছে। আমাৰ সহজাত প্ৰবৃত্তিবোৰে আমাক সদায় বেয়া শিকিবলৈ আৰু বেয়া কৰিবলৈ উৎসাহ যোগায়। সেই কাৰণে আমাৰ বেয়াবোৰ শিকিবলৈ বেছি সময় নালাগে বা কোনো ধৰণৰ আনুষ্ঠানিক প্ৰশিক্ষণ নোলোৱাকৈয়ে নিজে নিজে শিকিব পাৰো। ইয়াতেই জীৱনৰ গোপন ৰহস্য সোমাই আছে। আমি বাহিৰৰ জগতখনলৈ মন কৰিলে দেখিম যে আন্ধাৰৰ মাজত পোহৰক, মূৰ্খৰ মাজত জ্ঞানীক, দুখীয়াৰ মাজত ধনীক, বেয়াৰ মাজত ভালক, কু-ৰূপৰ মাজত ধুনীয়াক আমি সকলোৱে মূল্য দিও। এইবোৰৰ যদি এটা থাকি আনটো নাথাকিলহেঁতেন তেনেহ'লে থকাটোৱো কোনো মূল্য অৰ্থাৎ গুৰুত্ব নাথাকিলহেঁতেন। সেই কাৰণে আমি বুজিব লাগিব যে সৃষ্টিকৰ্তাই আমাক আমাৰ জীৱনটোক বুজিবলৈ, সংগ্ৰাম কৰি নিজৰ ব্যক্তিত্বক উজলাবলৈ নানা ধৰণৰ প্ৰতিবন্ধক লগাই দিছে। প্ৰতিবন্ধকবোৰ নাথাকিলে আমাৰ মন, মগজু আৰু বিবেকৰ মাজত সংঘাত নহ'লহেঁতেন। এই সংঘাতৰ ফলতে আমি এন্ধাৰক বুজি পাওঁ কাৰণে পোহৰকো বুজি পাওঁ, আমাৰ দুখৰ মাজত সুখৰ অনুভৱ কৰো, কুৰূপক কুৰূপ বুলি বুজো কাৰণে ধুনীয়াক ধুনীয়া বুলি বুজিব পাৰো। সেইদৰে বেয়া নাথাকিলে বা বেয়াক বেয়া বুলি নাজানিলে ভালটো বিচাৰি ল'বলৈও নাজানিম। বদনাম নাথাকিলে সুনামৰ কোনো অৰ্থ নথৰাৰ লগতে মানুহে ভাল কাম কৰি সুনাম অৰ্জন কৰিবলৈ উৎসাহ নাপাব আৰু বেয়া কৰিবলৈ লাজ নোপোৱা হ'ব। চোৰৰ চুৰি কৰা কৌশল পুলিচে নাজানিলে চোৰ ধৰা পেলোৱাতো সম্ভৱ নহ'ব। মূৰ্খৰ মূৰ্খতাৰ সীমা নাজানিলে পণ্ডিতে মূৰ্খক জ্ঞান দিয়াত অসুবিধা হ'ব। ইয়াৰ পৰা আমি ইয়াকে বুজিব লাগিব যে আমাৰ মন, মগজু আৰু বিবেকৰ মাজত সংঘাত অবিহনে আমি জীৱন যুদ্ধত জয়ী হোৱাতো সম্ভৱ নহয়। দৈনন্দিন জীৱনত আমি কিছুমান অস্ত্ৰ যেনে—দা, কটাৰী, খুৰ, কুঠাৰ, কোৰ ইত্যাদি ব্যৱহাৰ কৰো, কিন্তু এইবিলাকৰ দ্বাৰা আমাৰ নাইবা আনৰ অংগ-প্ৰত্যংগ কটাৰ কাৰণে ব্যৱহাৰ নকৰো। সেইদৰে আমি খাদ্য প্ৰস্তুত কৰাৰ কাৰণে জুই ব্যৱহাৰ কৰো; কিন্তু আমি আমাৰ হাত বা অন্য অংগ জুয়ে নুপোৱাৰ কাৰণে সাৱধান থাকো। ঠিক সেইদৰে আমাৰ সহজাত প্ৰবৃত্তিবোৰো আৱশ্যক আছে। কিন্তু আমি সাৱধান থাকিব লাগিব অৰ্থাৎ বিবেকক জাগ্ৰত কৰি ৰাখিব লাগিব যাতে এই প্ৰবৃত্তিবোৰৰ পৰা আমাৰ কাৰো একো ক্ষতি নহয়। যি সংঘাত অথবা বিতৰ্কই সৃষ্টি বা সত্য উদ্‌ঘাটন অথবা জ্ঞান দিব নোৱাৰে তেনে সংঘাত আৰু বিতৰ্কই ধ্বংস নাইবা অশান্তি আনিব পাৰে। আমাৰ বিবেক আৰু সহজাত প্ৰবৃত্তিবোৰৰ মাজত সদায় সংঘাত হৈ থাকে আৰু এই সংঘাতৰ ফলতে আমি জ্ঞান লাভ কৰাৰ সুযোগ পাওঁ। এইদৰে জ্ঞান লাভ কৰা ব্যক্তিৰ বিবেক সদায় জাগ্ৰত হৈ থাকে কাৰণে সহজাত প্ৰবৃত্তিবোৰৰ বিবেকক প্ৰভাৱিত কৰিব নোৱাৰে। দুৰ্বল বিবেকৰ ব্যক্তিসকলে প্ৰকৃত জ্ঞানৰ অভাৱত সহজাত প্ৰবৃত্তিবোৰৰ দ্বাৰা পৰিচালিত হোৱা হেতুকে অপকৰ্ম কৰিবলৈ কুণ্ঠাবোধ নকৰে। উদাহৰণ স্বৰূপে কুৰু বংশৰ ৰজা ধৃতৰাষ্ট্ৰৰ পুত্ৰ মোহৰ কাৰণে কুৰুক্ষেত্ৰত যুদ্ধখন হ'বলৈ পাইছিল আৰু কৌৰৱৰ পতন হৈছিল। ত্ৰেতা যুগত লংকা কাণ্ড আৰু ৰামৰ হাতত ৰাৱণ বধৰ কাৰণো ৰাৱণে বিবেকৰ পৰিৱৰ্তে ৰিপুবোৰৰ দ্বাৰা পৰিচালিত হৈ অপকৰ্ম কৰাটোৱেই।

ভাষা-সংস্কৃতি ৰক্ষা পাবলৈ হ'লে আন্দোলনত সময় নষ্ট নকৰি নিজৰ সন্তানসকলক মাতৃ ভাষাত পঢ়ুৱাব লাগিব। বাকী সকলোৱে কৃষি কৰ্মকে আদি কৰি সকলো পাৰিশ্ৰমিক কৰ্ম, বেপাৰ-বাণিজ্য বিদেশী মূলৰ মানুহৰ ওপৰত নিৰ্ভৰ নকৰি নিজৰ হাতত ৰাখিব লাগিব। সৃষ্টিৰ নিয়ম অনুসৰি পৃথিৱীৰ কোনো প্ৰাণীয়ে নিস্কৰ্মা আৰু এলেহুৱা জীৱন লৈ নিজৰ জাতি-কূল ৰক্ষা কৰিব নোৱাৰে। নিস্কৰ্মা, এলেহুৱা, নিবনুৱা আদি শব্দ কেৱল মানৱ জাতিৰ ক্ষেত্ৰতে প্ৰযোজ্য হয়। সকলো প্ৰাণীয়ে পোৱালি জন্ম দিয়াৰ পাছত এটা সময়লৈহে লালন-পালন কৰে আৰু উপযুক্ত বয়স হোৱাৰ পাছত সকলো প্ৰাণীয়ে বাপেক-মাকে সজা ঘৰত গোটেই জীৱন নাথাকে। সেই কাৰণে বৰ্তমানৰ মানৱ সমাজৰ বহু নৱপ্ৰজন্মই তেনেকুৱা অভিজ্ঞতাৰ পৰা বঞ্চিত হৈ আছে। এইবোৰেই মানুহ এলেহুৱা, অকৰ্মন্য নিবনুৱা হোৱাৰ কাৰণ। সেই সূত্ৰে অসমীয়া খিলঞ্জীয়া লোকসকলে নিজৰ কৰ্ম এৰি কেৱল আন্দোলন কৰি নিজৰ ভাষা-সংস্কৃতি ৰক্ষা কৰাতো দূৰৰে কথা নিজৰ ঘৰ আৰু ভেটি-মাটিখিনিও এদিন বিদেশীৰ হাতত হেৰুৱাই ভাৰতৰ অন্য ৰাজ্যলৈ ভগনীয়া হৈ যাব লাগিব অন্যথা ইয়াতেই বিদেশীৰ হাতত প্ৰাণ আহুতি দিব লাগিব।

**শৈলেন্দ্ৰ নাথ বৈশ্য**

*ফোন ঃ ৯৪৩৫৩-৯৩৬৩৫*



মুঠতে আদিম মানুহৰ দৰেই জীৱন ধাৰণ কৰে চাওতালসকলে। ভোটাৰ তালিকাতো নাম অন্তৰ্ভুক্ত কৰিব নোৱাৰা এইসকল লোকক আৰ্থ-সামাজিক, শৈক্ষিক দিশৰ ওপৰত কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই চৰকাৰে ।

# চাওতালসকলৰ সমস্যা আৰু সমাধানৰ আত বিচাৰি

**ৰমেশ চন্দ্ৰ চৰেণ**

**চাওতাল** জনগোষ্ঠী অষ্ট্ৰিক গোষ্ঠীৰ অনাৰ্য বংশোদ্ভৱ। নানাবিধ খাদ্য, বাসস্থানৰ উৎস বিচাৰি পোৱা ওতপ্ৰোতভাৱে সম্পৰ্ক থকা ভূপ্ৰকৃতিৰ সীমান্তৱৰ্তী পাহাৰ-পৰ্বত তথা ভৈয়ামৰ পাদদেশত পূৰ্বৰে পৰাই বসবাস কৰি আহিছে। জনজাতীয় মূলৰ এই জনগোষ্ঠীয়েসাৰি-সাৰণা (প্ৰকৃতি) ধৰ্মৰ নীতি বিধিৰে গছ, পাহাৰ, পৰ্বত আৰু নিৰাকাৰ শক্তিক যুগ যুগান্তৰ ধৰি পূজা পাতল কৰি আহিছে। 'মাৰাং বুৰু' (সৃষ্টিকৰ্তা অনাৰ্য দেৱ শিৱ ৰূপত)ৰ পূজা উপাসনা কৰাৰ লগতে চিংবংগা, চাৰহুল, কৰম পূজাও কৰা দেখা যায়। অষ্ট্ৰিক গোষ্ঠীৰ অনাৰ্য বংশোদ্ভৱ চাওতালসকলে ভাৰতত জনজাতীয় সংস্কৃতিৰ গঢ় দিছিল। প্ৰকৃতি ঋতুৰ অনুকূলে বিভিন্ন সংস্কৃতিৰ সৃষ্টি হৈ অহা চাওতালীসকলৰ মাজতো বিৰাজমান। উদাহৰণস্বৰূপে প্ৰকৃতিৰ ঋতুভেদে উত্তৰণ ঘটা ঋতুকালীন উৎসৱলৈ পৰিণত হোৱা চাওতালীৰ 'বাহা' সংস্কৃতিৰো সৃষ্টি হয় প্ৰকৃতিৰ উপলক্ষ্যত। প্ৰকৃতিয়ে ৰূপ সলোৱা গছৰ ন-পাত ফুলেৰে সজ্জিত বসন্তৰ ঋতুক 'বাহা' পৰ্বৰ ৰূপে আদৰণি জনাই পৰম্পৰাগত পূজা-পাৰ্বন উদযাপনেৰে। আনহাতে ভাগৱতৰ জ্ঞান মঞ্জুৰীত উল্লেখ থকা চাওতালসকল হ'ল পাহাৰীয়া জাতি। জীৱই ৮৪ লক্ষ যোনি ভ্ৰমণ কৰাৰ পাছত সৰ্বশেষত মনুষ্য যোনিৰ পাহাৰীয়া চাওতাল জনগোষ্ঠীৰ লোকৰ উৎপত্তি হয় । হিন্দু ধৰ্মৰ জন্মান্তৰবাদ অনুসৰি ক্ৰমাগত তেওঁলোকৰ ধৰ্ম-কৰ্মৰ সংস্কাৰ অনুযায়ী উন্নত স্তৰত জন্ম পায় বুলি প্ৰবাদ আছে। পাহাৰীয়া চাওতাল জনগোষ্ঠীয়ে প্ৰাকৃতিক দুৰ্যোগৰ পৰা ৰক্ষা পাবৰ বাবে কাল্পনিক শক্তিকো মান্য কৰা পৰিলক্ষিত হয়। চিকাৰ হ'ল তেওঁলোকৰ পৰম্পৰাগত বৃত্তি। সমাজ আৰু শান্তিপ্ৰিয় চাওতাল জনগোষ্ঠীয়ে সীমান্তৱৰ্তী পাহাৰ, ভৈয়ামত বসবাস কৰা সভ্য সমাজৰ পৰা একেবাৰে নিলগত। বৰ্তমান বিশ্বায়নৰ যুগতো আকাশ-পাতালৰ দৰে তফাৎ থকা অনগ্ৰসৰ জনগোষ্ঠীটোৰ কোনোধৰণৰ উন্নয়ন আৰু বিকাশ সম্ভৱ হোৱা নাই। এইখিনিতে কিছু কথা উল্লেখ কৰাৰ প্ৰয়োজনীয়তা বোধ কৰিছো। মূলতঃ কোল, ভীল চাওঁতাল, মুণ্ডা আদি অষ্ট্ৰিকগোষ্ঠীৰ আদি বাসস্থান আছিল এছিয়া মাইনৰ । ভাৰতত প্ৰথমে অষ্ট্ৰিক গোষ্ঠী প্ৰাচীন কান্দাহাৰ হৈ পশ্চিম দিশেৰে অসমত প্ৰৱেশ কৰে। তাৰ পাছতহে অন্য ৰাজ্যত সিঁচৰতি হৈ পৰে। 'কাৰামবিন্তি'ত পোৱা তথ্য অনুসৰি আন এটা দলে কান্দাহাৰৰ পৰা 'চাই দিশম' অৰ্থাৎ চীনদেশলৈ প্ৰব্ৰজন ঘটা ছাইবেৰিয়াত বসবাস কৰিছিল। আৰু থাইলেণ্ড, ইণ্ডোনেছিয়া, কম্বোদিয়া, ম্যানমাৰ হৈ অসমত প্ৰৱেশ কৰিছিল। ইতিহাসবিদ হিৰোদটাছে উল্লেখ কৰা অনুসৰি প্ৰাচীন কান্দাহাৰত জনজাতীয় চাওতাল, মুণ্ডা, কোললোকক লগ পাইছিল। হৰপ্পা সভ্যতাৰ সূচনাৰ পূৰ্বেই ভাৰতত প্ৰৱেশ ঘটা হিৰোদটাছৰ বুৰঞ্জী 'চানতাল' শব্দটো ব্যৱহাৰ হৈছিল। (Austric Civilisation of India by N.Hembrom page no 8) আন এক তথ্যমতেও অষ্ট্ৰিক মূলৰ চাওতাল, মুণ্ডা, কোল, ভীল জনগোষ্ঠীটোৰ আদি বাসস্থান ইণ্ডোচিন। উত্তৰ পূৱেদি অসমত প্ৰৱেশ কৰি বসবাস কৰিবলৈ লয় । উল্লেখ্য যে পূৰ্বৰ কামৰূপ বা প্ৰাগজ্যোতিষপুৰ মগধলৈকে সীমা থকা চাওতাল পৰগণাও অন্তৰ্ভুক্ত হৈ আছিল। সেয়েহে চাওতালসকলে কামৰু গুৰুৰ সোঁৱৰণেৰে কামৰূপ কামাখ্যাৰ কথা আজিও মুখে মুখে। অষ্ট্ৰিক মূলৰ ঠাল চাওতালসকলে চীনদেশৰ হোৱাংহোৰ পাৰৰ ভূমি বিশেষ কাৰণবশত ত্যাগ কৰিব লগা হোৱাত উত্তৰ পূৱ কোণৰ পৰা আহি শদিয়াত থিতাপি লয়। খ্ৰীষ্ট পূৰ্ব ২০৫০ৰ পৰাই অসমত চাওতাল সকলে প্ৰৱেশ কৰা বুলি প্ৰত্নতাত্বিক পণ্ডিত ৰাজমোহন নাথে উল্লেখ কৰিছে। আনহাতে খাচীয়াসকলেও একেপথেদি অসমত প্ৰৱেশ কৰিছিল। পৰৱৰ্তী সময়ত চুতীয়া সকল আৰু মংগোলীয়ান ফৈদৰ অন্তৰ্গত অন্য লোকসকল অৰুণাচল হৈ আহি শদিয়াত বসবাস কৰিবলৈ আৰম্ভ কৰে। এইদৰে পাছৰ চামত অহা লোকসকলৰ দ্বাৰা বিতাড়িত হ'ব লগা হয় চাওতাল আৰু খাচীয়াসকল। পৰৱৰ্তী সময়ত খাচীয়াসকলে গুৱাহাটী আৰু খাচি পাহাৰত বসতি স্থাপন কৰে। চাওতালসকলেও অসমৰ বিভিন্ন জিলাত সুবিধাজনক স্থানত বসতি স্থাপন কৰে। খাচীয়াসকলৰ লগত সুসম্পৰ্ক থকা চাওতালসকলৰ মাজত এটা সুসমন্বয়ৰ ভাৱ গঢ়ি উঠে। আনহাতে ভাষা-গোষ্ঠীৰ ফালৰ পৰাও অষ্টিক গোষ্ঠী ভাষা-গোষ্ঠীৰ পৰিয়ালেই ভাৰতৰ আটাইতকৈ প্ৰাচীন ভাষা পৰিয়াল। য'ত অসমকে ধৰি বিভিন্ন ৰাজ্যত সিঁচৰতি হৈ আছে । চাওতাল, মুণ্ডা, কোল, ভীল হল অষ্ট্ৰিক গোষ্ঠীৰ। এসময়ত খাচীয়া পাহাৰ দাক্ষিণাত্যৰ মালভূমি লগ লাগি আছিল । প্ৰাকৃতিক দুৰ্যোগৰ হেতুকে ঠাই দুখন বেলেগ হৈ পৰে। এনেদৰেই চাওতালসকলে অসম, মিজোৰাম, অৰুণাচল, মেঘালয়, পশ্চিমবংগ, বিহাৰ, ঝাড়খণ্ড ,উৰিষ্যা, ত্ৰিপুৰাৰ উপৰি বিভিন্ন ৰাজ্যত বসবাস কৰা দেখা যায়। অসমত ঘাইকৈ কোকৰাঝাৰ, চিৰাং, বাক্সা, দৰং, শোণিতপুৰ, বঙাইগাঁও, কামৰূপ, কাৰ্বি আংলং, নগাঁও, গোলাঘাট, যোৰহাট, বিশ্বনাথ, শিৱসাগৰ, তিনিচুকীয়া, ধেমাজি, ডিব্ৰুগড়, ওদালগুৰিকে ধৰি প্ৰায়বোৰ জিলাতেই চাওতালসকলে বসবাস কৰি আহিছে। যি কি নহওক, সময়ৰ চক্ৰত বিভিন্ন ভাষা গোষ্ঠীৰ অন্তৰ্গত বিভিন্ন জাতি- জনগোষ্ঠীৰ সমন্বয়ত বৃহত্তৰ অসমীয়া জাতি গঢ় লৈ উঠিছে । কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভায়ো মিচিং, মিকিৰ (কাৰ্বি), কছাৰী, সোণোৱাল, মেচ, খাচী, নগা, লালুং, চুতীয়া, গাৰো, ৰাভা, ডিমাচা, কুকি, চাওতাল, মণিপুৰী, মোচাই, দেউৰী বড়ো, আহোম, টাই, মৰাণ, কোচ , খামতিসকলক লৈয়ে অসমীয়া জাতি ৰূপে গঢ় লৈ উঠা বুলি মত প্ৰকাশ কৰিছিল । অষ্ট্ৰিক ভাষাগোষ্ঠীৰ অন্তৰ্গত চাওতাল ভাষা অসমত ঘাইকৈ প্ৰচলিত হৈ আছে । আনকি পঞ্চদশ শতিকাৰ আৰম্ভণিতেই শ্ৰীমন্তশংকৰদেৱৰ কীৰ্তন পুথিৰ 'উৰেষা বৰ্ণন' অধ্যায়টোত চাওতালী ভাষাৰ উল্লেখ পোৱা যায়। উল্লেখ্য যে অসমৰ পুৰণি নাম কামৰূপ আছিল। ডঃবাণীকান্ত কাকতিৰ মতেও কামৰূপ শব্দটি চাওতালসকলৰ কামৰু শব্দৰ পৰা অহা । মধ্য অসমত বসবাস কৰা চাওতালসকলৰ দশমগুৰু জনা আছিল কামৰু গুৰু। কামৰু গুৰু জনা প্ৰখ্যাত তান্ত্ৰিক আৰু শাসনকৰ্তাও আছিল। ১২জন গুৰুৰ ভিতৰত শ্ৰেষ্ঠ গুৰুৰূপে আজিও পূজা উপাসনা কৰে। মন্ত্ৰসিদ্ধ শক্তি সম্পন্ন গুৰু আৰু শাসনকৰ্তা কামৰু'ৰ পৰাই কামৰূপ নামৰ উৎপত্তি হয়। (Assamese its for mation and devel-opment page 49) ডঃবাণীকান্ত কাকতিৰ The Mother Goddess kamakhya নামৰ গ্ৰন্থতো উল্লেখ আছে যে প্ৰাচীন প্ৰাগজ্যোতিষপুৰ নামটো অষ্ট্ৰিক ভাষা গোষ্ঠীৰ পৰা অহা। প্ৰাগজ্যোতিষপুৰ মানে হ'ল ঘন হাবি জংঘলেৰে ভৰা পাহাৰীয়া অঞ্চল। সেয়েহে অসমৰ আদিম জনগোষ্ঠীৰ ভিতৰত চাওতালসকলো অন্যতম। পূৰ্বৰে পৰা খিলঞ্জীয়া ভূমিপুত্ৰ হিচাপে বিবেচিত হৈ আহিছে। এইখিনিতে বিষয় এটি উল্লেখ কৰিব বিচাৰিছো চাওতালসকল আজিও স্বায়ত্ত শাসিত প্ৰথাৰে চলি আহিছে । পাছৰ পৰ্যায়ত ১৭৮৪ত ব্ৰিটিছ উপনিৱেশ শাসনশোষণৰ পৰা দেশমাতৃক ৰক্ষা কৰিবৰ বাবে তিলকা মাঝিৰ নেতৃত্বত চাওতাল গণ সংগ্ৰামৰ সূচনা হয় । এই আন্দোলন দীৰ্ঘদিন ধৰি অব্যাহত থকা ১৮৫৫-৫৬ তো সিধু মুৰ্মু আৰু কানহু মুৰ্মুৰ নেতৃত্বত চাওতাল বিদ্ৰোহে ভয়ংকৰ ৰূপ ধাৰণ কৰা অগনি প্ৰশমিত কৰিবৰ বাবেই চতুৰ ব্ৰিটিছে ভাৰতৰ আদিবাসী অধ্যুষিত অঞ্চলৰ পৰা বহু চাওতালোকক অসমত থিতাপি দিয়াইছিল। অবিভক্ত গোৱালপাৰা জিলাত চাওতাল কলনিত ট্ৰাইবেল বেল্টৰ মাজত ৰাখি সম্পূৰ্ণ জাতীয় স্বকীয়তাৰে সংস্থাপিত কৰাইছিল যাতে মুক্তিকামী চাওতালে একত্ৰিত হৈ ব্ৰিটিছৰ বিৰুদ্ধে যুঁজ দিব নোৱাৰে। পৰ্যায়ক্ৰমে অবিভক্ত দৰং জিলালৈ স্থানান্তৰিত কৰা হৈছিল চাওতালসকলক যদিও স্বাধীনতা প্ৰিয় চাওঁতাল সকলে জীৱিকা নিৰ্বাহৰ বাবে অসমৰ বিভিন্ন অঞ্চললৈ কিছুমানে হাবি-জংঘল কাটি কৃষিকৰ্মত মনোনিৱেশ কৰাৰ লগতে কিছু লোক ৰাস্তা, ঘাট, ৰেলপথ নিৰ্মাণকে ধৰি বিভিন্ন সুবিধাজনক কামত আত্মনিয়োগ কৰি সিঁচৰতি হৈ পৰে। যি কি নহওঁক, অসমত আদিম কালৰ পৰা অষ্ট্ৰিক মূলৰ চাওতালসকল যে অসমৰ ভূমিপুত্ৰ সন্দেহ নাই । পাছলৈ ভাৰতৰ বিভিন্ন ৰাজ্যৰ অনগ্ৰসৰ অঞ্চলসমূহৰ পৰা চাহ খেতিৰ উদ্দেশ্যে বৃটিছৰ চাহ কোম্পানীয়ে শ্ৰমিক হিচাপে অনা হৈছিল। কিছু চাওতাল লোকক ছোটনাগপুৰৰ পৰা চাহখেতিৰ উদ্দেশ্যে অনা হৈছিল । তাৰে ভিতৰত একাংশ বেমাৰত পৰি মৃত্যুমুখত পৰে। কিছু লোক পলাই সাৰিবলৈ সক্ষম হয় । আন কিছু লোকহে শ্ৰমিক হিচাপে নিযুক্ত হয়। এইখিনিতে উল্লেখ কৰিব বিচাৰিছো যে অসমৰ চাওতালসকল চাহ খেতি কৰা নাছিল । চাহ শিল্পৰ লগত জড়িতও নহয় । পৰোক্ষভাৱে চাওতালী কিছু লোকে ধনৰ বিনিময়ত শ্ৰমহে বিক্ৰী কৰিছিল। সেই সময়ত কোল, ভীল, মুণ্ডা ওৰাং, ভুমিজ, চবৰ, উড়িয়া চাওতাল সম্প্ৰদায়কে ধৰি প্ৰায় ৯৭ জাতি-জনগোষ্ঠীক এক জনগোষ্ঠী বুলি স্বীকৃতি দিয়াৰ প্ৰয়াস কৰিছিল এচাম বুদ্ধিজীৱীয়ে। সফলো হৈছিল । পৰৱৰ্তীকালত চৰকাৰেও চাহ জনগোষ্ঠী হিচাপে চিনাকি দি অন্যান্য পিছপৰা শ্ৰেণীৰ মৰ্যাদা প্ৰদানৰ সমান্তৰালকৈ সুকীয়াকৈ চাহ জনজাতি কল্যাণ বিভাগ নামৰ চৰকাৰী দপ্তৰৰো অনুমোদন প্ৰদানেৰে চাহ জনগোষ্ঠীৰ আৰ্থ-সামাজিক উন্নয়নৰ অৰ্থে চৰকাৰী কাৰ্যাদি সম্পন্ন কৰে । প্ৰশ্ন হয়, ৯৭ টা ভিন ভিন জাতি, জনজাতিক এক জনগোষ্ঠী হিচাপে স্বীকৃতি দিয়াটো সমীচীন হৈছেনে? ফলস্বৰূপ এনে অনাকাংক্ষিত ঘটনাৰ আলমত তথা চৰকাৰৰ কৌশলী নীতিৰ বাবে আজিও জনজাতিকৰণৰ পৰা বঞ্চিত হৈ আছে চাওতালসকল। ত্ৰিপুৰা চৰকাৰেও খিলঞ্জীয়াৰ ভিত্তিত চাওতালসকলক জনজাতিকৰণৰ মৰ্যাদা প্ৰদান কৰিছে। অসমত কিন্তু চাওতালসকলক এই পৰ্যন্ত জনজাতিকৰণ কৰা নাই। এয়া এক দুখজনক বিষয় । অসমত থকা চাওতালসকলৰ ইতিহাস অধ্যয়ন কৰিলে বহু তথ্য পোহৰলৈ আহিব। ভাৰতৰ বুৰঞ্জীত ভুমুকি মাৰি চালে বহু পূৰ্বেই চাওতালসকলক অসম চৰকাৰে জনজাতিকৰণ কৰিব লাগিছিল। শেহতীয়াকৈ ভাৰত তথা উত্তৰ পূৰ্বাঞ্চলৰ খিলঞ্জীয়া ভূমিপুত্ৰ প্ৰসংগত ২০২১ৰ পাঁচ জানুৱাৰী ১১-২০১১ৰ নৱেম্বৰৰ এক ফৌজদাৰী গোচৰৰ ৰায়দানৰ ভিত্তিত ভাৰতৰ বিভিন্ন প্ৰান্তত পাহাৰ-ভৈয়ামত বসবাস কৰা অষ্ট্ৰিকমূলৰ পূৰ্ব মুণ্ডাৰ আদিবাসী বংশধৰ গোণ্ড চাওতাল ভীলসকল বুলিহে উল্লেখ কৰিছে। সম্প্ৰতি ৰাজনৈতিক মেৰপেছত পৰা চাওতালসকলে ৰাজনৈতিকভাৱে বলি হোৱা স্ব-অধিকাৰ সাব্যস্ত কৰিবৰ বাবে আন্দোলন কৰিব লগা হৈছে। বিষয়সমূহ চৰকাৰক সঠিকভাৱে দৃষ্টিগোচৰ কৰিও বিফল হ'বলগা হৈছে চাওতালৰ দল সংগঠনে । সময়ৰ লগে লগে প্ৰকৃতিপ্ৰেমী চাওতালসকলে অসমৰ সীমান্তৱৰ্তী অঞ্চলসমূহত বসবাসৰ উপযোগী আৰু নিৰাপদ বুলি ভাবিবলৈ লয়। কিছু গৱেষকে চাওতালসকলক সেনা অথবা সীমান্ত প্ৰহৰী সেনা বুলি মতপোষণ কৰিছে। সি যি কি নহওঁক, অষ্ট্ৰিক গোষ্ঠীৰ অনাৰ্য বংশোদ্ভৱ চাওতালসকলে স্বাধীনভাৱে সমাজ পাতি বসবাস কৰি ভাল পায় । সহজ- সৰল এই জনগোষ্ঠীটোৱে জীৱিকাৰ হেতুকে দিনটোত কৃষিকৰ্মত কঠোৰ পৰিশ্ৰম কৰে। কাৰো লগত সংঘাত নৰখা চাওতালসকলৰ সৰলতাৰ সুযোগ লৈ এচাম চতুৰালি কৰা লোকে চাওতালসকলৰ মাটি-বাৰী ঠগি হস্তগত কৰি লোৱাৰ বহু উদাহৰণ আছে। আনহাতে, অজ্ঞতাৰ হেতুকে চৰকাৰৰ লগত কোনোধৰণৰ সম্পৰ্ক নৰখাৰ বাবেই বন অধিকাৰ অধিনিয়মৰ আওতাত অহা ভূমিৰ পৰা উচ্ছেদ হ'ব লগা অৱস্থাৰ সন্মুখীন হোৱা চাওতালসকল শংকিত হৈ পৰিছে। শেহতীয়াকৈ বন অধিকাৰ অধিনিয়ম ২০০৬ৰ আইনৰ বিৰুদ্ধে হোৱা গোচৰৰ শুনানিত ৰায়দানৰ ভিত্তিত বনাঞ্চলত ভূমি অধিকৃত জনজাতীয় সকলৰ ভূমি সংক্ৰান্তীয় আবেদন খাৰিজ হোৱাৰ লগতে বনাঞ্চলিক অধিকৃত জমিৰ পৰা উচ্ছেদ কৰাৰো নিৰ্দেশনা জাৰি কৰিছে উচ্চতম ন্যায়ালয়ে। স্বাভাৱিকতেই এনে ৰায়দানে সীমান্তৱৰ্তীৰ লোকসকলে উৰাদিহ নোপোৱা হৈছে। আদিমতম বৈশিষ্ট্য থকা চাওতালসকলৰ এই ভূমিয়েই যথা সৰ্বস্ব। ভূমিতেই অনগ্ৰসৰ জনগোষ্ঠীটোৰ সভ্যতা সংস্কৃতি পৰম্পৰা ভাষা তথা জাতীয় স্বকীয়তা নিহিত হৈ আছে । সেয়েহে আইনৰ আওতাত অহা বন অধিকাৰ অধিনিয়ম ২০০৬ৰ আইনৰ দ্বাৰা পুনৰ নতুনকৈ বনভূমিত সুবিধা প্ৰদানৰ আহ্বান জনায় সহজ-সৰল চাওতালসকলে। আনকি উগ্ৰ জাতীয়তাবাদী সশস্ত্ৰ সংগঠনেও চাওতালীলোকসকলক উচ্ছেদ কৰি ভূমি দখল কৰাৰ পৰিকল্পনাৰে আক্ৰমণ কৰি হত্যা কৰি আহিছে। ইপিনে, সীমান্তৰ আগ্ৰাসন আছেই। বিশেষকৈ সীমান্ত অঞ্চলত শিক্ষা-দীক্ষাৰ অভাৱ। খোৱাপানী, স্বাস্থ্য চিকিৎসাজনিত নাই সুবিধা। অঞ্চলসমূহত তন্ত্ৰ-মন্ত্ৰই একমাত্ৰ চিকিৎসা ব্যৱস্থা । বাট পথৰ সুবিধা নাই । মুঠতে আদিম মানুহৰ দৰেই জীৱন ধাৰণ কৰে চাওতালসকলে। ভোটাৰ তালিকাতো নাম অন্তৰ্ভুক্ত কৰিব নোৱাৰা এইসকল লোকক আৰ্থ-সামাজিক, শৈক্ষিক দিশৰ ওপৰত কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই চৰকাৰে । সেয়েহে সীমান্ত অঞ্চলৰ পৰিবেশৰ প্ৰতি লক্ষ্য ৰাখি ক্ষেত্ৰ ভিত্তিক অধ্যয়নেৰে এইসকল ওপৰত চৰকাৰী আঁচনি তৈয়াৰ কৰাৰ লগতে অসমত থকা প্ৰায় ২০ লাখ চাওতালী লোকৰ উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি অতি শীঘ্ৰে পূৰ্বৰে পৰা বনাঞ্চল ভূমিত বসবাস কৰি অহা চাওতালসকলক ভূমিপট্টা প্ৰদানৰ ব্যৱস্থা কৰিব লাগে। তদুপৰি জনজাতিকৰণ কৰাৰ লগতে স্বায়ত্বশাসিত প্ৰথাৰে চলি অহা চাওতালসকলৰ বাবে 'স্বায়ত্তশাসিত পৰিষদ' গঠন কৰিলে চাওতাল জনজাতীয় লোকসকল উপকৃত হ'ব। এই ক্ষেত্ৰত জাতীয় সংগঠন সমূহে হাত উজান দিব লাগিব ।

*ফোন ঃ ৯৪৩৫৬০২৪২৫*
*৯৯৫৪৮৩৪৬৪১*

# চুটি জীৱনকালত সাফল্যৰ অভিলেখ



# ভাষাবিদ হৰিনাথ দে (১৮৭৭-১৯১১)

**ড° নীলমোহন ৰায়**

*ফোন ঃ ৯৮৬৪০৬৪২৭৪*

**বহু** ভাষাবিদ পণ্ডিত আৰু শিক্ষাবিদ হৰিনাথ দেৰ জন্ম হয় ১৮৭৭ত, বংগদেশৰ চব্বিশ পৰগণা জিলাৰ আড়িয়াদহত। তেওঁ দেউতাক ৰায় ভূতনাথ দে বাহাদুৰ মধ্যপ্ৰদেশৰ অন্তৰ্গত ৰাইপুৰৰ প্ৰসিদ্ধ আইনজীৱী আছিল। হৰিনাথৰ সুশিক্ষিতা মাতৃদেৱীয়ে বাংলা, ইংৰাজী, মাৰাঠী, হিন্দী আৰু সংস্কৃত ভাষা ভালদৰে আয়ত্ত কৰিছিল। হৰিনাথৰ অসামান্য জ্ঞানস্পৃহাৰ প্ৰেৰণা যোগাইছিল তেওঁৰ স্নেহময়ী জননীয়ে।

বাল্যকালৰ পৰাই হৰিনাথৰ পঢ়া-শুনাৰ প্ৰতি গভীৰ অনুৰাগ আছিল। তেওঁ মধ্য ইংৰাজী পৰীক্ষাত উত্তীৰ্ণ হৈ মাহিলি পাঁচ টকা বৃত্তি লাভ কৰিছিল। ইয়াৰ পাছত পৰৱৰ্তী সকলো পৰীক্ষাতেই তেওঁ অতি সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। কলিকতাৰ ছেণ্ট জেভিয়াৰ্চ স্কুলৰ পৰা ১৮৯২ খ্ৰীষ্টাব্দত হৰিনাথে অতি সুখ্যাতিৰে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। ১৮৯৪ খ্ৰীষ্টাব্দত উক্ত কলেজৰ পৰা তেওঁ এফ এ মহলাত উঠে আৰু সাহিত্যত প্ৰথম হোৱা বাবে 'ডাফ স্কলাৰশ্বিপ' নামে এটা অতিৰিক্ত বৃত্তি লাভ কৰে। ১৮৯৬ খ্ৰীষ্টাব্দত তেওঁ প্ৰেছিডেন্সি কলেজৰ ছাত্ৰৰূপে কলিকতা বিশ্ববিদ্যালয়ৰ লেটিন আৰু ইংৰাজী ভাষাত প্ৰথম শ্ৰেণীৰ অনাৰ্চসহ বি এ ডিগ্ৰী লাভ কৰে। একে বছৰতে তেওঁ একেখন বিশ্ববিদ্যালয়ৰ পৰা এম এ পৰীক্ষাত লেটিন ভাষাত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি চৰকাৰী বৃত্তি লৈ কেমব্ৰিজ বিশ্ববিদ্যালয়ত ভৰ্তি হয়। কেমব্ৰিজত পঢ়ি থাকোতেই তেওঁ প্ৰাইভেট পৰীক্ষাৰ্থীৰূপে গ্ৰীক ভাষাত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি এম এ ডিগ্ৰী লাভ কৰে। এই সময়ত তেওঁ পেৰিচৰ সৰবন বিশ্ববিদ্যালয়ত আৰবী ভাষা শিকি ইজিপ্ট দেশলৈ গৈ আৰবী ভাষা শিক্ষা সমাপ্ত কৰে।

ইয়াৰ পাছত জাৰ্মানৰ মাৰবুৰ্গ বিশ্ববিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি সংস্কৃত, তুলনামূলক ব্যাকৰণ আৰু আধুনিক ভাষা শিক্ষাদান পদ্ধতি আয়ত্ত কৰে। ১৯০০ খ্ৰীষ্টাব্দত তেওঁ কেমব্ৰিজৰ সৰ্বোচ্চ আৰু অতি কঠিন 'ক্লাছিকেল ট্ৰাইপচ' পৰীক্ষাৰ প্ৰথম ভাগত প্ৰথম শ্ৰেণীসহ উত্তীৰ্ণ হৈ ১৯০১ খ্ৰীষ্টাব্দত মধ্যযুগীয় আধুনিক ভাষাতো টাইপচ্ পৰীক্ষাৰ ডিগ্ৰী লাভ কৰে। এই সময়তে তেওঁ লেটিন আৰু গ্ৰীক কবিতা লিখি বিশেষ পাৰদৰ্শিতা দেখুওৱাৰ বাবে স্কীটচ্ পুৰস্কাৰ আৰু লৰ্ড চেঞ্চেলৰ পদক লাভ কৰে। এয়া অতি সন্মানজনক। ইংলণ্ডৰ পূৰ্বতন ৰাজকবি টেনিছন আৰু মিলটনে এসময়ত এই পুৰস্কাৰ পাইছিল। এই পুৰস্কাৰৰ মূল্য আছিল তদানীন্তন কালত এক লাখ টকা। এই বছৰৰ শেষৰফালে ভাৰতলৈ প্ৰত্যাৱৰ্তনৰ পাছত তেওঁ ঢাকা চৰকাৰী কলেজৰ ইংৰাজীৰ অধ্যাপক হিচাপে নিযুক্ত হয়। ১৯০৫ খ্ৰীষ্টাব্দত তেওঁ প্ৰেছিডেন্সি কলেজৰ ইংৰাজী বিভাগলৈ বদলি হয়। একে বছৰতে তেওঁ সংস্কৃত, আৰবী আৰু ওড়িয়া ভাষা পৰীক্ষাত উত্তীৰ্ণ হৈ চৰকাৰৰ পৰা পাঁচ হেজাৰ টকা জলপানি লাভ কৰে।

১৯০৬ খ্ৰীষ্টাব্দত তেওঁ স্বাধীন পৰীক্ষাৰ্থীৰূপে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা পালি ভাষাৰ এম এ ডিগ্ৰী লাভ কৰে। এই পৰীক্ষাতো তেওঁ প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰে। ১৯০৬ত তেওঁ আকৌ ইউৰোপলৈ যাত্ৰা কৰে আৰু স্বদেশলৈ উভতি হুগলি কলেজৰ অধ্যক্ষ নিযুক্ত হয়। ১৯০৭ৰ মাৰ্চত তেওঁ কলিকতা ইম্পিৰিয়েল লাইব্ৰেৰীৰ (বৰ্তমানৰ জাতীয় পাঠাগাৰ) অধ্যক্ষ তথা গ্ৰন্থাগাৰিক পদত নিযুক্ত হয়। তেওঁক এই পদত নিযুক্ত কৰাত কাকতে-পত্ৰে লিখা হ'ল— A right man in the right Place অৰ্থাৎ আচল ঠাইত আচল মানুহৰ ঠাই হ'ল। এই নতুন পদত সোমাই হৰিনাথৰ বৰ সুবিধা হ'ল, বৃহৎ পুথিভঁৰালটোৰ নানা ভাষাৰ গ্ৰন্থ পঢ়াৰ তেওঁ সুযোগ পালে। পুথিভঁৰালৰ আহুকলীয়া কাম-কাজ সম্পাদনা কৰাৰ উপৰি তেওঁ বৈদিক আৰু প্ৰাচীন সংস্কৃতৰ এম এ পৰীক্ষাত অৱতীৰ্ণ হয়। ১৯০৮ খ্ৰীষ্টাব্দত তেওঁ দুটা বিভাগতেই প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি এম এ পাছ কৰে।

বিশ্বৰ বিদ্বৎ সমাজত তেওঁ অসাধাৰণ ভাষাবিদৰূপে পৰিচিত আৰু সন্মান লাভ কৰিছিল। কেমব্ৰিজত অধ্যয়নৰ সময়ত প্ৰথমবাৰ আইচিএছ পৰীক্ষাত উত্তীৰ্ণ হৈ colonial service পাই সিংহলৰ Joint Magistrate হৈছিল। তেওঁ সৰ্বমুঠ ১৪টা ভাষাত এম এ ডিগ্ৰী লৈছিল। ভাৰতীয়সকলৰ ভিতৰত তেৱেঁই সৰ্বপ্ৰথম ভাৰতীয় শিক্ষা বিভাগত প্ৰৱেশ লাভ কৰে আৰু মাত্ৰ ২২ বছৰ বয়সত ঢাকা চৰকাৰী কলেজত ইংৰাজীৰ অধ্যাপক নিযুক্ত হয়। তেওঁ ভাৰতবৰ্ষৰ ভাষাতত্ত্ব শিক্ষা বিজ্ঞানৰ প্ৰথম পথিকৃৎ। ইউৰোপৰ ২০টা আৰু ভাৰতবৰ্ষৰ ১৪টা ভাষাত তেওঁ আছিল সুপণ্ডিত।

পৰীক্ষাবোৰ সুখ্যাতিৰে পাছ কৰিয়েই হৰিনাথ সন্তুষ্ট নাছিল, তেওঁ নানা গ্ৰন্থও লিখিছিল আৰু সম্পাদনা তথা অনুবাদো কৰিছিল। গ্ৰন্থগাৰিক গৈ থকা কালত তেওঁ বৌদ্ধ দৰ্শন সম্পাদনা কৰে আৰু এছিয়াটিক ছ'চাইটিৰ নানা গ্ৰন্থ ৰচনাৰ দায়িত্ব লয়। চীনা ভাষাৰ পৰা নাগাৰ্জুনৰ 'মধ্যমিকাদৰ্শন', তিব্বতী ভাষাত ৰচিত ডৱাঙৰ লজিক, বংকিমচন্দ্ৰৰ 'কৃষ্ণকান্তেৰ উইল' (ফৰাচীলৈ) আৰু অন্যান্য বহু গ্ৰন্থ ইংৰাজীলৈ অনুবাদ কৰিছিল। বৌদ্ধ দৰ্শনৰ আদি ইতিহাসৰ প্ৰামাণিক নিদৰ্শন হিচাপে তেওঁ 'নিৰ্বাণব্যাখ্যানশাস্ত্ৰম্' আৰু 'লংকাবতৰসূত্ৰ' সম্পাদনা কৰে। মৃত্যুৰ কিছুদিন আগতে আৰবী ভাষাৰ ব্যাকৰণ তিব্বতী ফৰাচী ভাষাত অভিধান আৰু তিনিটা ভাষাত উপনিষদ অনুবাদ কৰিছিল। তদুপৰি হৰিনাথে বিভিন্ন পত্ৰ-পত্ৰিকাত বহু প্ৰবন্ধ ৰচনা কৰি প্ৰকাশ কৰে। মৃত্যুৰ পূৰ্বে তেওঁ ফাহিয়ান আপু হিউৱেন চাঙৰ সমসাময়িক ভালেমান চীনা পৰিব্ৰাজকৰ ভাৰতবৰ্ষৰ বিৱৰণ চীনা ভাষাৰ পৰা অনুবাদ কৰি ভাৰতীয় সাহিত্য-সংস্কৃতিক সমৃদ্ধ কৰে। তদুপৰি তেওঁ 'শকুন্তলা'ৰ পদ্যত ভাঙনি, 'বাসবদত্তা'ৰ ভাঙনি, বিদ্যাপতিৰ ভাঙনি কৰাৰ উপৰি পালি অভিধান আৰু আৰবী ব্যাকৰণ ৰচনা কৰে। হৰিনাথৰ কিছুমান ৰচনা সম্প্ৰতি সংকলিত হৈ প্ৰকাশ পাইছে। তেওঁ Golden Treasury-ৰ চতুৰ্থ ভাগৰ সুন্দৰ Notebook কৰাৰ উপৰি Boswel's Life of Johnson আৰু আন কিছুমান গ্ৰন্থৰ নোট বা টীকা প্ৰস্তুত কৰিছিল। উক্ত গ্ৰন্থসমূহৰ টীকা পঢ়িলেই বুজিব পাৰি যে, হৰিনাথ জগতৰ সকলো সাহিত্যতে সুপণ্ডিত আছিল।

এবাৰ ৰুছ দেশৰ বিখ্যাত পণ্ডিত Charbatsky ভাৰতলৈ আহিছিল। সেই সময়ত তেওঁ হৰিনাথৰ পাণ্ডিত্যত ইমানেই মুগ্ধ হৈছিল যে তেওঁক St. Petersberg University-ত অধ্যাপকৰ পদত নিযুক্ত কৰিব বিচাৰিছিল। হৰিনাথে স্বদেশ এৰি সুদূৰ ৰুছ দেশত যাবলৈ মান্তি নহ'ল। এবাৰ হৰিনাথ দেৰ অনুৰোধ মৰ্মে জাৰ্মানীৰ সুবিখ্যাত প্ৰাচ্য পণ্ডিত অধ্যাপক পিস্কেলে ভাৰতলৈ আহি কলিকতা বিশ্ববিদ্যালয়ত সংস্কৃত সাহিত্যৰ বিষয়ে বক্তৃতা দিয়ে। অধ্যাপক পিস্কেলক পাই কলিকতা বিশ্ববিদ্যালয় বাস্তৱিকিতে বৰ গৌৰৱান্বিত হৈছিল। পিস্কেলে লৰ্ড মৰ্লিৰ আগত হৰিনাথৰ পৰিচয় দিওঁতে তেওঁৰ পাণ্ডিত্যৰ নথে শলাগ লৈছিল। এগৰাকী ফৰাচী অধ্যাপকে কৈছিল—'মই ডেৰকুৰি বছৰ অধ্যাপনা কৰাৰ ভিতৰত, ফ্ৰান্স ভাষা আৰু সাহিত্যত হৰিনাথৰ দৰে ব্যুৎপত্তি থকা কোনো ছাত্ৰ পোৱা নাই।'

ইউৰোপীয় প্ৰাচীন আৰু আধুনিক ভাষা-সাহিত্যত হৰিনাথৰ বিশেষ পাৰদৰ্শিতা আছিল। কথিত আছে এবাৰ প্ৰেছিডেন্সি কলেজৰ অধ্যাপক সুপণ্ডিত পাৰ্চিভেল চাহাবে হেনো য শ্ৰেণীকক্ষৰ ছাত্ৰসকলৰ আগত হৰিনাথৰ কথা প্ৰসংগত কৈছিল— হয়, তেওঁ মোক কে'বাবছৰো লেটিন আৰু গ্ৰীক পঢ়াব পাৰিব।- 'Yes, he can teach me Latin and Greek for several years'.

আচাৰ্য হৰিনাথৰ দৰে বহু ভাষাবিদ পণ্ডিত সমগ্ৰ এছিয়া খণ্ডত দ্বিতীয় এগৰাকী নাছিল। তেওঁ দ্বিতীয়বাৰ যেতিয়া ইউৰোপলৈ যায়, তেতিয়া বৰ্ধমানৰ মহাৰাজৰ ভ্ৰমণ সহায়ক হিচাপে গৈছিল। বৰ্ধমানৰ মহাৰাজে ইটালীলৈ গৈ ৰোম নগৰত থকা পোপৰ স'তে দেখা কৰে। পোপে বিদেশীসকলৰ স'তে সাক্ষাতৰ সময়ত লেটিনৰ বাহিৰে আন কোনো ভাষাত কথা কোৱা নাছিল। ইটালীৰ প্ৰচলিত ভাষা ইটালীয়, লেটিন আমাৰ সংস্কৃতৰ দৰে তেওঁলোকৰ প্ৰাচীন ভাষা। পোপৰ স'তে আলোচনাৰ সময়ত হৰিনাথে দ্বিভাষীৰ কাম কৰিলে। তেওঁ এনে চমৎকাৰ লেটিন কৈছিল যে, পোপে এজন বিদেশী, বিশেষকৈ ভাৰতবাসীৰ এই ধৰণৰ দক্ষতা দেখি বিস্মিত আৰু আনন্দিত হৈছিল। ১৯০৭ত চীনৰ প্ৰধানমন্ত্ৰী হৰিনাথৰ ঘৰলৈ আহিছিল। ইয়াৰ আগতে কোনো ভাৰতবাসীয়ে এই উচ্চতম সন্মানৰ অধিকাৰী হোৱা নাছিল।

মাথোঁ পাণ্ডিত্য নহয়, বিনয় আৰু নিঃস্বাৰ্থ দান-কাৰ্যতো তেওঁ অতুলনীয় আছিল। তেওঁৰ দৰে সৰল আৰু প্ৰাণখোলা মানুহজনক দেখিলে কোনে ক'ব তেৱেঁই বিশ্ববৰেণ্য পণ্ডিত আচাৰ্য হৰিনাথ? যেতিয়া তেওঁ ডাঠ এখন ধুতি পিন্ধি বন্ধু-বান্ধৱৰ স'তে হাঁহি-ধেমালিৰে আড্ডা দিছিল তেতিয়া কোনেও অনুভৱ কৰিব নোৱাৰিছিল এৱেঁই বিখ্যাত হৰিনাথ দে। তেওঁৰ জীৱনত বিদ্যা আৰু বিনয়ৰ মিলন ঘটিছিল।

হৰিনাথৰ স্মৃতিশক্তি আছিল অসাধাৰণ। সেইবাবেই তেওঁ অতি কম বয়সতে নানা বিষয় আয়ত্ত কৰিব পাৰিছিল। তেওঁ একেলগে বহু সময় নপঢ়িছিল, আৰু অধিক নিশালৈকেও পঢ়া-শুনা নকৰিছিল। অথচ যিখিনি পঢ়িছিল সেইখিনি কোনোদিনেই নাপাহৰিছিল। তেওঁৰ মেধা আৰু অধ্যৱসায় আছিল আচৰিত ধৰণৰ। যেতিয়া তেওঁ নিৰিষ্টচিত্ত হৈ অধ্যয়ন কৰিছিল, তেতিয়া বাহিৰৰ কোনো কোলাহলেই তেওঁৰ সাধনাত ব্যাঘাত জন্মাব নোৱাৰিছিল। পৰীক্ষাৰ সময়ত তেওঁক কোনো দিনেই চিন্তিত হোৱা দেখা নগৈছিল; পৰীক্ষাৰ দুদিন আগতো তেওঁ লগৰীয়াসকলৰ স'তে আড্ডা দি ফুৰিছিল। পৰীক্ষাৰ ফল ওলালে সকলোৱেই আচৰিত হৈ দেখিছিল, হৰিনাথৰ নাম সকলোৰে ওপৰত।

হৰিনাথে বাল্যকালৰ পৰাই সুখ-সচ্ছলতাৰ মাজেৰে ডাঙৰ হৈছিল। নিজেও যথেষ্ট অৰ্থ উপাৰ্জন কৰিছিল। বিবিধ বৃত্তি আৰু পাৰিতোষিক হিচাপেও হৰিনাথে বহু টকা আৰ্জিছিল। কিন্তু মৃত্যুৰ সময়ত বৃদ্ধা মাতৃ আৰু অনাথ স্ত্ৰী-পুত্ৰাদিৰ বাবে কোনো সংস্থান কৰিব পৰা নাই। তেওঁৰ কোনো ধৰণৰ বিলাসিতা নাছিল। তেওঁ অতি সাধাৰণ সাজ-পোছাকহে পিন্ধিছিল। তেওঁৰ হৃদয় আছিল দয়ালু। কাৰোবাৰ প্ৰয়োজন হ'লে তেওঁ অকাতৰে দান কৰিছিল।

ছাত্ৰসকলৰ প্ৰতি তেওঁৰ স্নেহ আৰু দয়া আছিল অপৰিসীম। কিমান দৰিদ্ৰ ছাত্ৰই যে তেওঁৰ আৰ্থ-সাহায্য লাভ কৰিছে তাৰ হিচাপ নাই। কলিকতা বিশ্ববিদ্যালয়ৰ 'ষ্টুডেণ্টচ এইড ফাণ্ড' মূলতঃ হৰিনাথৰ প্ৰত্যক্ষ সাহায্য আৰু সহানুভূতিৰ প্ৰতিশ্ৰুতিৰে প্ৰতিষ্ঠিত হয়। এই ফাণ্ডৰ পৰা দুখীয়া ছাত্ৰসকলক সাহায্য কৰা হয়।

কিতাপ কিনাটো হৰিনাথৰ জীৱনৰ প্ৰধান চখ আছিল। ভাল কিতাপৰ সন্ধান পালেই তেওঁ কিনি পেলাইছিল।দুষ্প্ৰাপ্য আৰু পুৰণি কিতাপ তেওঁ অধিক মূল্যত ক্ৰয় কৰিছিল। বিভিন্ন বিষয়ক অসংখ্য গ্ৰন্থ তেওঁৰ পুথিভঁৰালত স্থান পাইছিল। নানা দেশৰ নানা ভাষা । এনে বিচিত্ৰ সংগ্ৰহ আমাৰ দেশৰ অতি কম পুথিভঁৰালতেই আছে। তেওঁৰ নিজৰ গ্ৰন্থাগাৰত প্ৰায় ৬০ হেজাৰ টকাৰ নানা ভাষাৰ বহু মূল্যবান গ্ৰন্থ আছিল।

এই মহামনীষীয়ে জীৱনত নানা ভাষাৰ পৰা অগাধ জ্ঞান আহৰণ কৰিছিল; কিন্তু দেশখনক তাৰ অংশীদাৰ কৰি যাব পৰা নাই। তেওঁক কিবা লিখাৰ কথা ক'লে স্বভাৱ-সুলভ বিনয়েৰে উত্তৰ দিছিল—'কিনো শিকিলো যে লিখিম? এতিয়াও শিকিবলৈ বহুত বাকী আছে।' হৰিনাথে নিজৰ প্ৰতিভা আৰু পাণ্ডিত্যানুযায়ী লিখিবলৈ উদ্যোগ লৈছিলহি মাথোন, এনে সময়ত তেওঁ নিমৰমিয়াল কালৰ গৰাহত পৰিল। সকলোখিনি অসমাপ্ত হৈ ৰৈ গ'ল। তেওঁ পূৰ্ণ আয়ুসত ঢুকোৱা হ'লে জগতৰ জ্ঞানভাণ্ডাৰত বহুতো অমূল্য উপহাৰ জমা হ'লহেঁতেন।

হৰিনাথ দেৰ অসাধাৰণ প্ৰতিভা সম্পৰ্কে আলোকপাত কৰিবলৈ গৈ পণ্ডিত সূৰ্যকুমাৰ ভূঞাই লিখিছে—'অগাধ পণ্ডিতপ্ৰৱৰ সৰ্বভাষা বিশাৰদ মনস্বী হৰিনাথ দে ৩৪ বছৰ বয়সত স্বৰ্গগামী হয়। তেওঁৰ অকাল মৃত্যুত ভাৰতত, এনেকি জগতত এখন আসন শূন্য হ'ল, তাক পূৰণ কৰা দুঃসাধ্য। অকল ভাৰতত নহয়, সদৌ জগতত তেওঁ এজন ডাঙৰ পণ্ডিত আছিল। তেওঁৰ শাৰীৰ ভাষাবিদ পণ্ডিত কস্মিন কালেও ভাৰতত ওলোৱা নাই আৰু জগততো অতি দুৰ্লভ।.. তেওঁৰ নিচিনা প্ৰতিভাবান মহাত্মা জগতত অতি বিৰল।


হৰিনাথ দেৰ সংক্ষিপ্ত জীৱনৰ ভিতৰতো আমি পদে পদে তেওঁৰ অসাধাৰণ প্ৰতিভাৰ চিনাকি পাওঁ, মহাত্মাৰ দৃষ্টান্ত দৃষ্টিগোচৰ হয়। কি ভাৰতবৰ্ষ, কি ইউৰোপ সকলো ঠাইতে তেওঁ পণ্ডিতমণ্ডলীৰ অগ্ৰগণ্য আৰু আদৰণীয় হৈছিল। ...হৰিনাথ দেৰ দৰে ভাষাবিদ পণ্ডিত আধুনিক জগতত নাই বুলিলেও হয়। তেওঁ সভ্য জগতৰ প্ৰায় সকলো ভাষা জানিছিল। আমি তলত তাৰ এখন তালিকা দিলো—সংস্কৃত, পালি, ফাৰ্চি, আৰবী, হিব্ৰু, গ্ৰীক, লেটিন, জাৰ্মান, ফ্ৰান্স, ইটালী, ৰুছিয়া, পৰ্তুগীজ, তুৰ্কী, স্পেনিছ, ইংৰাজী, চীনা, তিব্বতী, জাপানী, পুষ্ট, চায়েমী, বৰ্মা, সিংহলী, আৰ্মেনিয়ান আৰু ভাৰতবৰ্ষৰ সকলো প্ৰাদেশিক ভাষা।'

ইমান প্ৰতিভা, ইমান পাণ্ডিত্য লৈ হৰিনাথে জগতৰ সাহিত্যৰ কিমান উপকাৰ সাধিব পাৰিলেহেঁতেন। কত নতুন তথ্য উলিয়াব পাৰিলেহেঁতেন। কিন্তু ইমান মস্তিষ্ক পৰিচালনা তেওঁৰ কুমলীয়া শৰীৰে সহ্য কৰিব নোৱাৰিলে। তেওঁ ১৯১১ৰ আগষ্টত নৰিয়াত পৰিল। কিছুদিন শৰীৰত অল্পজান দি ৰখা হ'ল। কলিকতাৰ নামজ্বলা ডাক্তৰসকলে তেওঁৰ চিকিৎসা কৰিছিল। কিন্তু একোতেই সুফল পোৱা নগ'ল। অৱশেষত ৩০ আগষ্টত তেওঁৰ জীৱন-বন্তি নুমাল। যুৱতী শিক্ষিতা ভাৰ্যাক স্বামীহীনা কৰি, তিনিটা সন্তানক অনাথ কৰি, জননীৰ বুকু খালী কৰি, ভাই-বন্ধু-পৰিয়ালক শোকসাগৰত ডুবাই পণ্ডিতপ্ৰৱৰ হৰিনাথে চিৰকাললৈ ইহসংসাৰৰ পৰা বিদায় মাগিলে। নিমতলা শ্মশানত তেওঁৰ নশ্বৰদেহ সৎকাৰ কৰা হ'ল।

জীয়াই থাকোতে স্বদেশবাসীয়ে তেওঁক সন্মান কৰা নাই, মৃত্যুৰ পাছতো কোনেও তেওঁক স্মৰণ কৰা নাই। ভাৰতীৰ বৰপুত্ৰ, প্ৰাচ্যৰ মহামনীষী আচাৰ্য হৰিনাথক জাতীয় অভ্যুত্থানৰ জয়যাত্ৰাৰ দিনত আজি আৰু কোনেও পাহৰি থাকিব নোৱাৰিব।

# অচিনাকি অসমখনেই আজি চিনাকি হ'ল





**অৱলোকন**

**ৰামচন্দ্ৰ চুতীয়া**

**৭৫ৰ** বছৰমানৰ আগৰ অসমখন আজি সম্পূৰ্ণ সলনি হ'ল বুলি আমিয়ে ক'ব পৰা হ'লো। প্ৰথমে জলবায়ুৰ কথাকে কওঁ। আগৰ জলবায়ু এতিয়া সম্পূৰ্ণ সলনি হ'ল। আগতে যেনিয়ে চাইছিলো তেনিয়ে সেউজীয়াই পৃথিৱীখন আৱৰি আছিল। গাঁওবোৰ গছ-গছনিৰে ভৰি আছিল। খৰি কাঠ-আনিবলৈ বহু দূৰণিলৈ যাব লগা নহৈছিল- দা বা কুঠাৰখন লৈ ওলাই গ'লেই এঘন্টামানতে খৰিভাৰ আনি চোতালৰ আগত ধমহকৈ পেলাই দিব পৰা আছিল। কেতিয়াবা ঘূৰি আহোতে ইকৰা বা খাগৰিত ওলমি থকা পকা মৌবাহ পাৰি আনি ঘৰৰ সকলোৱে ভাগ কৰি খাব পৰাৰ দিন আছিল। বৰ-মৌবাহৰ কথা নকওঁ বাৰু, পাৰি খাবলৈ কিছু কষ্ট কৰিব লাগিছিল। পথাৰ-সমাৰবোৰ প্ৰায় ঘৰৰ ওচৰতে আছিল। দূৰণিত থকা পথাৰত টঙী সাজি লোৱা হৈছিল, তেনে পথাৰত দিনতীয়াকৈ কাম কৰা হৈছিল। খৰালিত ওচৰতে থকা যিকোনো এটা পুখুৰীৰ পৰা জাকৈখন বা জালখন মাৰি ক্ষন্তেকতে সাঁজটোৰ কাৰণে মাছটো ধৰি অনা হৈছিল। বাৰিষা দিনৰ আহুধানৰ খেতিৰ বাবে দিনতীয়াকৈ থাকিলে পথাৰৰ ওচৰৰ হাবিখনতে পাতি থোৱা শলহাটো চাই কুঢ়ি মাছকেইটা ধৰি আনি কুমলীয়া ঔটেঙাৰ স'তে ৰান্ধি খোৱা ভাত সাঁজৰ আমেজেই সুকীয়া আছিল। আহিন মাহ আহিলেই বতৰ জুৰ পৰিছিল, গৰমৰ চোক কমিছিল। খেতিত বিধ বিধ খেতি— আলু, কচু, মাহ, সৰিয়হ সকলো আছিল। প্ৰত্যেকৰ ঘৰৰ বাৰীত আম কঠাল, মধুৰিআম আদি সুলভ আছিল। ধোদৰ পচলাটোৰ ঘৰতো এজোপা আম বা কঠাল গছ আছিল। কুঁহিয়াৰ খেতি ঘৰে ঘৰে নাথাকিলেও ঘৰতে সকাম-নিকাম কৰিবলৈ অৱশ্যেই দুই-এজোপা কুঁহিয়াৰ গছ প্ৰত্যেকৰ ঘৰতে আছিল। গৰু-ম'হৰ খুঁটিত বা গোঁহালিত গৰু-ম'হ সকলোৰে আছিল। গাখীৰৰ দাম সেৰে প্ৰতি চাৰি অনা-আঠ অনা আছিল। এতিয়া সেইবোৰ হেৰাল বুলিলেও বৰ ভুল কোৱা নহ'ব। মাছ-পুঠি উভৈনদী আছিল, মাছলৈ যাব নোৱাৰিলেও কোনো কথা নাই, কোনোবা নহয় কোনোবাই দুটামান মাছ জোকাৰ পৰা ছিঙি পদুলি মুখতে দলিয়াই দি থৈ গৈছিল। এতিয়া তেনে দিন ক'ৰবাত আছে নে? নাই। চিৰকাললৈ সেইবোৰ প্ৰথা বিলুপ্ত হ'ল। ভাওনা-সবাহ এতিয়াও হয়, কিন্তু আগৰ দৰে উলহ-মালহেৰে নহয়। আগতে শ্ৰীকৃষ্ণ ভাও ল'লে ভাৱৰীয়াই ভাওনাৰ দিনা উপবাসে আছিল। আজিকালি আকৌ কণ্ঠটো অকণমান বিলাতী পানীৰে তিয়াই নল'লেই নহয়। আইনাম গাবলৈ গাঁৱত আই নোহোৱা হ'ল, জাত জাত বিয়া নাম গাবলৈ বাইহঁতো নোহোৱা হ'ল। থাকিলেও সেইবোৰ আওপুৰণি হ'ল, গতিকেই নাগালেও হয়। ঠায়ে ঠায়ে অৱশ্যে দুই-এখন গাঁৱত বিয়া এতিয়াও ধুমধামেৰে হয়। গতিকেই সকলোকে বদনাম নিদিও।

মানুহে আজিকালি মিতিৰ কুটুম্বৰ ঘৰলৈ বৰকৈ নাযায়। ৰেস্তোৰাঁ, হোটেল বা পৰ্যটন ক্ষেত্ৰলৈহে যায়। সেইবোৰকো বেয়া নোবোলো, কাৰণ যুগে মানুহক সলনি কৰিবই। কিন্তু মিতিৰ-কুটুমে কি জগৰ লগালে যে সেইফালে সম্পূৰ্ণ পিঠি দি দিলো। পিতৃ-মাতৃক বৃদ্ধাশ্ৰমত ৰাখি আধুনিক হ'লেহে মান ৰোৱা নিয়মটো অসমলৈ কিয়বা আহিল? সৰুৰ পৰা মল-মূত্ৰ ধুই, নিজে নাখাই-নবৈ, খোৱাই-বোৱাই শিক্ষাৰে শিক্ষিত কৰাৰ দাম বৃদ্ধাশ্ৰমহে নেকি? সাৱধান! তেনে কৰাবোৰো এদিন বৃদ্ধ হ'ব, নিৰ্মম, নিষ্ঠুৰ, নিৰৱধি, নিৰপেক্ষ কালে কাকো ৰেহাই নিদিয়ে। সেই দিন আহিলে পাছত শিলত মূৰ খুন্দিয়ালেও ৰেহাই পাব নোৱাৰি, তেওঁলোকৰো পো-বোৱাৰী এদিন ভুৰুংকৈ ক'ৰবালৈ উৰি যাব। তেনেকৈ গ'লে পৰুৱাৰ পাখি গজিব, মৰিব সকলোকে সময়ে নিঃশেষ কৰি মৰিশালিত শুৱাই থ'ব। মফিজুদ্দিন আহমদ হাজৰিকাই তাহানিতে এনেয়ে 'জ্ঞান-মালিনী'ত 'মৰিশালিখনি' লিখি থৈ যোৱা নাই! সময় উলিয়াই সেইখন সকলোৱে জীৱনত অন্তত এবাৰ পঢ়া উচিত। এতিয়া বাতৰি কাকতখন পঢ়িবই নোৱাৰি, কেৱল বেয়া বেয়া খবৰেৰে ভৰি থাকে। টিভি.ৰ একো এটাকে মাক-দেউতাক, বাই-ভনীয়ে একেলগে বহি চাব নোৱাৰা দিন আহিল। কাজিয়া-পেচাল, সংঘৰ্ষ, হত্যা, সাম্প্ৰদায়িক ঘৃণাৰে চতুৰ্দিশে উপচি পৰিছে। সিবোৰৰ ভিতৰত পিতৃ-মাতৃক হত্যা কৰা বহুতো পৰশুৰামকো দেখা যায়। বাই-ভনী আনকি মাতৃ গমনকাৰী মহাপাতকীৰো আমাৰখন অসমত এতিয়া অভাৱ নাই। ঠগ-প্ৰবঞ্চকে পদে পদে মানুহক বিপদত পেলাবলৈ নিতৌ চিটিকা পাতি থয়। চল পালেই, দিন বা ৰাতি বুলি কথা নাই, মানুহৰ ঘৰত প্ৰৱেশ কৰি মানুহক হত্যা কৰি সকলো সা-সম্পত্তি লৈ যাব পাৰে। বৃদ্ধ বা বৃদ্ধাক হত্যা কৰাটো তেনেই সহজ কথা হৈ পৰিল। তিৰোতাই ডিঙিত একোকে পিন্ধিব নোৱাৰা হ'ল, পথলৈ ওলালেই বীৰ পুৰুষবোৰে থাপ মাৰি লৈ যাব পাৰে; দেখিলেও কোনেও মাত মাতিব নোৱাৰে। মাত মাতিলেই প্ৰাণলৈও ভয়! সন্ধিয়াৰ পাছত আধুনিক বীৰ-বীৰাংগনাবোৰে পানীটুপী খাই, কাৰ প্ৰাণ কাঢ়ি নিয়ে- তাৰো কোনো ঠিকনা নাই। আজিকালি নাৰী পুৰুষ বুলি কোনো কথা নাই, সকলো সমান! ৰাতি ১২ বজাৰ পাছতহে বেচ সক্ৰিয় হয়। পাছে প্ৰকৃতিয়ে পৃথিৱীলৈ পঠাওতে সকলোকে একেদৰে সৃষ্টি নকৰি পুৰুষ, নাৰী বুলি সুকীয়া পৰিচয় দিহে পঠাইছে। সমান কৰি নহয়। প্ৰকৃতিয়ে সেইটো ভুল কৰিছে বুলি আন্দোলন এটা কৰিব পৰা হ'লে অৱশ্যে ভাল আছিল। আমাৰ ৰাজনীতিবিদসকলে সেই দিশটোৰ কথাও এবাৰ ভাবি চাব পাৰে। মানুহ জাতিয়ে পৃথিৱীৰ সকলো প্ৰাণীকে দমন কৰি শ্ৰেষ্ঠত্ব প্ৰমাণ কৰিলে যদিও লোভ, মোহ, ক্ৰোধক বাদ দিব পৰা নাই। ৰাছিয়াৰ পুটিনলৈকে যাওক। গতিকেই আমাৰ চিনাকি অসমখন হেৰাই যোৱাটোও আজিৰ দিনত কোনো অস্বাভাৱিক ঘটনা নহয়। কল্কি অৱতাৰে হাতে-কামে ধৰিলেই নেকি, আমাৰ এতিয়া সেইটো সন্দেহহে বেছিকৈ হৈছে। এনেদৰে চলি থাকিলে, আমি বোধহয় আৰু বেছি দিন জীয়াই নাথাকিম।

*ফোন ঃ ৯৪৩৫৪ ৮৬১৯৩*

# বিশিষ্ট অভিনেতা দীনেশ দাসলৈ ভবেন বৰুৱা সোঁৱৰণী বঁটা ঘোষণা

## ■ নলবাৰীত যুৱ-ছাত্ৰ পৰিষদৰ সংবাদমেল

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ২৬ জুলাই ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ নলবাৰী জিলা সমিতিয়ে এইবাৰ ৰাজ্যৰ বিশিষ্ট অভিনেতা দীনেশ দাসলৈ ২০২২ৰ ভবেন বৰুৱা বঁটা প্ৰদান কৰিব। আজি চহৰৰ এন টি ৰোডৰ পৰিষদৰ কাৰ্যালয়ত অনুষ্ঠিত এক সংবাদমেলত এই বঁটাৰ কথা ঘোষণা কৰে যুৱ-ছাত্ৰ পৰিষদৰ জিলা সমিতিয়ে। উল্লেখ্য যে চতুৰ্দশ বছৰৰ বাবে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষৰ উদ্যোগত অনুষ্ঠিত কৰি অহা প্ৰয়াত ভবেন বৰুৱা সোঁৱৰণী শিশু নাট প্ৰতিযোগিতাৰ লগত সংগতি ৰাখি ২০০৯ৰ পৰা পৰিষদে এই বঁটা প্ৰদান কৰি আহিছে। নাট প্ৰতিযোগিতা পৰিচালনা সমিতিৰ সভাপতি এম মহিবৰ ৰহমান, সাধাৰণ সম্পাদক কৌশিক বৰ্মন, যুৱ-ছাত্ৰ পৰিষদৰ উপদেষ্টা ৰাজ দাস, গৌতম শৰ্মা, ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক প্ৰাঞ্জল কলিতা উপস্থিত থকা সংবাদমেলত পৰিচালনা সমিতিৰ সাধাৰণ সম্পাদক কৌশিক বৰ্মনে ঘোষণা কৰা অনুসৰি অহা এক ছেপ্টেম্বৰৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে নলবাৰীত অনুষ্ঠিত হ'ব সদৌ অসম শিশু নাট প্ৰতিযোগিতা। প্ৰতিযোগিতাৰ লগত সংগতি ৰাখি অহা তিনি ছেপ্টেম্বৰত আয়োজিত এক অনুষ্ঠানত স্থানীয় নাট্য মন্দিৰত অভিনেতাজনক প্ৰদান কৰা হ'ব এই বঁটা। বঁটাত থাকিব নগদ ধন ১৫ হেজাৰ টকা, গামোচা, জাপি শৰাই, চেলেং, মানপত্ৰ আৰু এটি স্মাৰক। উল্লেখ্য যে ৰাজ্যৰ বিশিষ্ট নাট্যকাৰ, অভিনেতা তথা পৰিচালক, নলবাৰীৰ সুসন্তান প্ৰয়াত ভবেন বৰুৱাৰ সোঁৱৰণত যুৱ-ছাত্ৰ পৰিষদৰ নলবাৰী জিলা সমিতিয়ে ২০০৯ ত বিশিষ্ট নাট পৰিচালক-সুদক্ষ অভিনেতা দুলাল ৰয়, ২০১০ত গুৰুজী আদ্য শৰ্মা, ২০১১ত বিশিষ্ট অভিনেতা বিজু ফুকন, ২০১২ত বিশিষ্ট অভিনেতা নিলু চক্ৰৱৰ্তী, ২০১৩ত বিশিষ্ট নাট্যশিল্পী মহানন্দ শৰ্মা, ২০১৪ত বিশিষ্ট অভিনেতা জীৱেশ্বৰ ডেকা, ২০১৫ত ভ্ৰাম্যমাণৰ মহীৰূহ অচ্যুৎ লহকৰ, ২০১৬ত মঞ্চসূৰ্য, সংগীত নাটক একাডেমী বঁটাপ্ৰাপ্ত ধৰণী বৰ্মন, ২০১৭ত ভ্ৰাম্যমাণ নাট্য জগতৰ বিশিষ্ট নাট্যকাৰ-অভিনেতা- পৰিচালক, গীতিকাৰ হেমন্ত দত্ত, ২০১৮ত বিশিষ্ট অভিনেত্ৰী বিদ্যা ৰাও, ২০১৯ত বিশিষ্ট নাট্যকাৰ-পৰিচালক দাৰা আহমেদ, ২০২০ত বিশিষ্ট অভিনেতা-পৰিচালক কুলদা কুমাৰ ভট্টাচাৰ্য, ২০২১ত বিশিষ্ট অভিনেতা নিপন গোস্বামীক 'ভবেন বৰুৱা বঁটা' প্ৰদান কৰা হৈছে।

# দোতমা উন্নয়ন খণ্ডত পি এম এ ৱাই জি আঁচনিৰ পুনৰীক্ষণ সভা

**অগ্ৰদূত বাৰ্তা**

**দোতমা, ২৬ জুলাই ঃ** কোকৰাঝাৰ জিলাৰ অন্তৰ্গত দোতমা উন্নয়ন খণ্ডৰ সভাকক্ষত আজি পিএমএৱাইজি আঁচনিৰ এক পুনৰীক্ষণ সভা অনুষ্ঠিত হয়। সভাত উন্নয়ন খণ্ডৰ অধীনত থকা ভিচিডিচিৰ চেয়াৰমেন, জিআৰএছ, কনিষ্ঠ অভিযন্তাৰ লগতে উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া আৰু বিভিন্ন বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। পুনৰীক্ষণ সভাত পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে কোকৰাঝাৰ পূব সমষ্টিৰ বিধায়ক লৰেঞ্চ ইছলাৰী, প্ৰাক্তন এমচিএলএ তথা দোতমা সমষ্টিৰ টিচিএলচিচিৰ চেয়াৰমেন জ্যোতিৰইন্দ্ৰ ব্ৰহ্মৰ লগতে আন লোকসকল। দোতমা উন্নয়ন খণ্ডৰ সভাকক্ষত অনুষ্ঠিত পুনৰীক্ষণ সভাত সভাপতিত্ব কৰে পিএমএৱাইজি আঁচনিৰ অধ্যক্ষ হেমন্ত কুমাৰ ৰাভাই। উক্ত সভাতেই পিএমএৱাইজি আঁচনিৰ হিতাধিকাৰীসকলক চৰকাৰী নিয়ম অনুসৰিয়েই আৱাস গৃহটো নিৰ্মাণ কৰিবলৈ আহ্বান জনাই পিএমএৱাইজি আঁচনিৰ অধ্যক্ষ হেমন্ত কুমাৰ ৰাভাই।

# ভাৰতীয় তেল নিগমে ৰন্ধন গেছ

*তিনি পৃষ্ঠাৰ পৰা* সেৱাৰ অনিৰ্দিষ্টকালীন ধৰ্মঘটত উত্তৰ-পূৰ্বাঞ্চলত ৰন্ধন গেছৰ নাটনিৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। কালিৰে পৰা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল ভিত্তিত ৰন্ধন গেছ পৰিবহণ সন্থাই ভাৰতীয় তেল নিগমৰ প্ৰৱঞ্চনাৰ প্ৰতিবাদত এই ধৰ্মঘট কাৰ্যসূচী আৰম্ভ কৰিছে। ৰন্ধন গেছ পৰিবহণকাৰীসকলৰ পৰিবহণ ভাড়া ২০১৪ৰ পৰা আজিলৈ একে আছে। অথচ সকলো সামগ্ৰীৰ মূল্যবৃদ্ধি হৈছে যদিও তেওঁলোকৰ ভাৰা বৃদ্ধি হোৱা নাই। এই বিষয়টো লৈ যোৱা ২০১৮ৰে পৰা ভাৰতীয় তেল নিগমৰ স'তে বহু বাৰ আলোচনাত মিলিত হৈছে পৰিবহণ সংস্থাই। বাৰে বাৰে হোৱা আলোচনাৰ সিদ্ধান্ত কাৰ্যকৰী নকৰাৰ প্ৰতিবাদত আৰু ভাৰতীয় তেল নিগমৰ প্ৰৱঞ্চনাৰ প্ৰতিবাদত ২৫ জুলাইৰ পৰা অনিৰ্দিষ্টকালীনভাৱে ৰন্ধন গেছৰ পৰিবহণ সেৱা বন্ধ কৰাৰ ফলত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত ৰন্ধন গেছৰ ভয়াৱহ নাটনিৰ সম্ভাৱনা দেখা গৈছে। অভিযোগ অনুসৰি, ভাৰতীয় তেল নিগমে পৰিবহণ সংস্থাৰ বিভিন্ন শিতানত পাবলগীয়া ধনৰাশিও আদায় দিয়া নাই। ইয়াৰ মাজতে সংস্থাৰে হোৱা আলোচনা উলংঘা কৰি ২০১৪ৰ নিবিদা নিৰিখতকৈ ১০ শতাংশ কমত আকৌ নিবিদা আহ্বান কৰিছে তেল নিগমে। যাৰ বাবেই পৰিবহণ সংস্থাই ২৫ জুলাইৰ পৰা অনিৰ্দিষ্টকালীন পৰিবহণ বন্ধ ঘোষণাৰে বন্ধ ৰাখিছে। পৰিবহণ সেৱা বন্ধ কৰাৰ দ্বিতীয় দিনাও ভাৰতীয় তেল নিগমে কোনো ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। আজি দ্বিতীয় দিনা ভাৰতীয় তেল নিগমৰ বিৰুদ্ধে চিৰাং-বঙাইগাঁও জিলা ৰন্ধন গেছ পৰিবহণ সংস্থাৰ কৰ্মকৰ্তাসকলে প্ৰতিবাদ সাব্যস্ত কৰা পৰিলক্ষিত হয়।

# ছাত্ৰীক স্কুটী নিদিয়াৰ প্ৰতিবাদ নলবাৰীত

*তিনি পৃষ্ঠাৰ পৰা* শতাধিক ছাত্ৰীয়ে এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে ২০২২ত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰীসকলক স্কুটী প্ৰদানৰ আশ্বাস দিছিল অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। তাৎপৰ্যপূৰ্ণভাৱে প্ৰতিবাদী ছাত্ৰীসকলে ২০২১ৰ ছাত্ৰীসকলক মাহীআইৰ দৃষ্টিৰে চোৱাৰ অভিযোগ কৰে। মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়ৰ সমীপৰ ৰাজপথত ছাত্ৰীসকলে হাতত ফেষ্টুন, প্লেকাৰ্ড লৈ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। ইপিনে, ছাত্ৰীসকলে 'মামা আমাক স্কুটী দিয়ক', 'আমাক অধিকাৰৰ পৰা বঞ্চিত কৰিলে নহ'ব, 'আমাৰ প্ৰাপ্য আমাৰ অধিকাৰ' আদি শ্ল'গানেৰে প্ৰতিবাদস্থলী কঁপাই তোলে। প্ৰতিবাদী ছাত্ৰীসকলে সংবাদ মাধ্যমৰ সন্মুখত মত ব্যক্ত কৰি কয় যে বিশ্বজুৰি ক'ভিড মহামাৰীয়ে ছানি ধৰা বাবে যিহেতু পৰীক্ষা অনুষ্ঠিত নহ'ল তাৰ বাবে শিক্ষাৰ্থী সমাজ জগৰীয়া নহয়। মুখ্যমন্ত্ৰীয়ে সভাই-সমিতিয়ে ঘোষণা কৰা প্ৰতিশ্ৰুতিসমূহ পূৰণ কৰিছে; কিন্তু আমাক স্কুটী দিব নে নিদিয়ে সেই কথা এতিয়ালৈ কিয় স্পষ্ট কৰা নাই তাক লৈ প্ৰশ্ন উত্থাপন কৰে প্ৰতিবাদী ছাত্ৰীসকলে। আমিও মেধাসম্পন্ন শিক্ষাৰ্থী বুলি তেওঁলোকে মনৰ ভাৱ ব্যক্ত কৰি এইসকল ছাত্ৰীক বঞ্চিত নকৰি শীঘ্ৰে ২০২১ত উত্তীৰ্ণ ছাত্ৰীসকলক স্কুটী প্ৰদান কৰিবলৈ মুখ্যমন্ত্ৰীক অনুৰোধ জনাইছে।

# সমগ্ৰ ভাৰতবৰ্ষত জিন্টু গগৈ এটা স্মৰণীয়

*তিনি পৃষ্ঠাৰ পৰা* উপস্থিত ৰাইজে পুষ্পাঞ্জলি অৰ্পণৰে বীৰগৰাকীক শ্ৰদ্ধা নিবেদন কৰে। উল্লেখ্য যে জাছিংফাৰ নৱ প্ৰজন্মৰ দ্বাৰা পৰিবেশন কৰা এটি দেশপ্ৰেমমূলক কোৰাচ দ্বাৰা মুকলি সভা উদ্বোধন কৰে। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ কাৰ্যকৰী সভানেত্ৰী সুৱৰ্ণ শইকীয়া বৰদলৈৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত বীৰ ছহিদ কেপ্টেইন জিন্টু গগৈৰ পিতৃ তথা অৱসৰপ্ৰাপ্ত বায়ু সেনা বিষয়া ঠগিৰাম গগৈৰ অভিনন্দন গ্ৰন্থ 'স্থিতপ্ৰজ্ঞ ঠগিৰাম গগৈ ৮১ৰ অনিৰুদ্ধ যাত্ৰাত অভিনন্দন' শীৰ্ষক গ্ৰন্থখন সাহিত্যিক, নিবন্ধকাৰ ডাঃ অজিত বৰুৱাই উন্মোচন কৰে। গ্ৰন্থখন উন্মোচন কৰি ডাঃ বৰুৱাই স্থিতপ্ৰজ্ঞ ঠগিৰাম গগৈৰ কৰ্মৰাজি আৰু বীৰ ছহিদ কেপ্টেইন জিন্টু গগৈৰ বিষয়ে তত্বগধুৰ বক্তব্য প্ৰদান কৰে। ডাঃ বৰুৱাই ভাষণ প্ৰসংগত কয় যে দেশৰ কাৰণে যিসকল লোকে নিজৰ জীৱন উছৰ্গা কৰে সেইসকলক ইতিহাসে কেতিয়াও পাহৰিব নোৱাৰে। জিন্টু গগৈ অকল, গোলাঘাটৰ নহয়, অসমৰ নহয় সমগ্ৰ ভাৰতবৰ্ষত জিন্টু গগৈ এটা স্মৰণীয় নাম হৈ জিলিকি ৰ'ব বুলি ভাষণ প্ৰসংগত সাহিত্যিক, নিবন্ধকাৰ ডাঃ বৰুৱাই উল্লেখ কৰে। জাছিংফাৰ সভানেত্ৰী জিনু গগৈয়ে উদ্দেশ্য ব্যাখ্যা আগবঢ়োৱা সভাত অঞ্চলটোৰ কে'বাগৰাকীও শিশু শিল্পীয়ে ছহিদগৰাকীৰ ওপৰত বক্তব্য আৰু দেশপ্ৰেমমূলক গীতত নৃত্য, কৃষ্ণ নৃত্য, কবিতা, বাঁহীৰ সুৰ আদি পৰিবেশন কৰি অনুষ্ঠানটো জীপাল কৰি তোলে। জাছিংফা লেখিকা সমাৰোহ সমিতিৰ সম্পাদিকা লাৱণ্য গগৈয়ে আঁত ধৰা সভাত বিশিষ্ট অতিথিৰূপে গোলাঘাট জিলাৰ আৰক্ষী অধীক্ষক সুমিত শৰ্মা, সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী চাৰু চহৰীয়া নাথ, অৱসৰপ্ৰাপ্ত অনাৰী কেপ্টেইন টংকেশ্বৰ নাথ, খুমটাই জয়া গগৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমিয় কুমাৰ দাস, খুমটাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মৃণাল বৰুৱা আদি কৰি কে'বাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। আনহাতে, কাৰ্গিল বিজয় দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত প্ৰয়াত ৰাজ কিশোৰ গগৈৰ সোঁৱৰণী কুইজ প্ৰতিযোগিতা আৰু চিত্ৰাংকন প্ৰতিযোগিতাৰ বিজয় প্ৰাৰ্থীসকলক মানপত্ৰ, গ্ৰন্থৰে পুৰস্কৃত কৰাৰ লগতে ২০২২ত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ১০ গৰাকী ছাত্ৰ-ছাত্ৰীক বিশেষভাৱে সম্বৰ্ধনা জনায়।

# বৰপেটাৰ বাঘমাৰাচৰত বন বিভাগৰ

*তিনি পৃষ্ঠাৰ পৰা* বন সংমণ্ডলৰ ডিএফঅ' জিতেন্দ্ৰ প্ৰসাদৰ নেতৃত্বত আৰু বিভাগটোৰ পশ্চিম মণ্ডলৰ এপিচিচি এফ সন্দীপ কুমাৰ, ডিচিএফ ক্ৰমে অখিল দত্ত আৰু মতিউৰ ৰহমানৰ তত্বাৱধানত প্ৰায় ৪০ জনীয়া দল এটাই পুৱা ১০ বজাৰ পৰা সন্ধিয়ালৈ বাগমাৰাচৰৰ কে'বাঠাইত অভিযান চলাই প্ৰায় এহেজাৰ চিএফটি চোৰাং কাঠ জব্দ কৰিবলৈ সক্ষম হয়। অভিযান কালত বন বিভাগে অঞ্চলটোৰ সাতটাকৈ অবৈধ কাঠ ফলা কল চলোৱা স্থানত বৃহৎ পৰিমাণৰ চোৰাং কাঠ মজুত আছিল যদিও ইয়াৰে অধিকাংশ অকাঠী। তদুপৰি উক্ত স্থানসমূহত নাছিল কোনো কল অথবা কলৰ যন্ত্ৰাংশ। অভিযানকাৰী দলটোৱে মেচিন গৃহ ভাঙি দিয়ে। অভিযোগ মতে, ঈদৰ পাছতে বাঘমাৰাচৰত বন বিভাগৰ বৃহৎ অভিযান চলিব বুলি আগতীয়া খবৰ লাভ কৰি বিগত প্ৰায় এসপ্তাহ ধৰি বাঘমাৰাচৰলৈ অতি কম পৰিমাণৰ চোৰাং কাঠহে সৰবৰাহ কৰা হৈছিল। এক নিৰ্ভৰযোগ্য সূত্ৰৰ মতে, আজিৰ অভিযানৰো আগতীয়া খবৰ লাভ কৰি চোৰাং ব্যৱসায়ীসকলে এদিন পূৰ্বেই কল চলোৱা স্থানৰ পৰা কে'বাহেজাৰ শাল, চেগুন, গমাৰি আদি মূল্যবান কাঠৰ কুণ্ডাসমূহ নিৰাপদ স্থানলৈ স্থানান্তৰিত কৰে। ইয়াৰ উপৰি অঞ্চলটোত চলি থকা ১০ টা অবৈধ কাঠ কল খুলি ব্যৱসায়ীসকলে বিভিন্ন স্থানত লুকুৱাই ৰাখে। চোৰাং ব্যৱসায়ীসকলে অভিযানৰ খবৰ আগতীয়াকৈ লাভ কৰা কথাটো অকপটে স্বীকাৰ কৰে গোৱালপাৰা বন সংমণ্ডলৰ ডিএফঅ' প্ৰসাদে। বন বিভাগৰ দলটোৱে বিভিন্ন স্থানত লুকুৱাই ৰখা কিছুসংখ্যক শাল, চেগুনৰ কুণ্ডা জব্দ কৰিবলৈ সক্ষম হয়। বন বিভাগৰ এনে অভিযানৰ খবৰ চোৰাং ব্যৱসায়ীসকলক কোনে দিয়ে তাকে লৈ চৰ্চা চলিছে। নিৰ্ভৰযোগ্য মহলৰ অভিযোগ অনুসৰি বন বিভাগৰ প্ৰতিটো গতি বিধিৰ লগতে সাম্ভাব্য অভিযানৰ খবৰ সংগ্ৰহ কৰে এটা চক্ৰই। এই চক্ৰটোৰে বন বিভাগৰ একাংশ অসাধু বিষয়া-কৰ্মচাৰীয়ে আছে অহৈতুক সম্পৰ্ক। যাৰ বাবে সুযোগ বুজি ৰহস্যজনকভাৱে অভিযানৰ আগতীয়া খবৰ লাভ কৰে চোৰাং ব্যৱসায়ীসকলে। ইপিনে, বৰপেটা জিলাৰ চৰ-চাপৰি অঞ্চললৈ সৰবৰাহ কৰা অধিকাংশ চোৰাং কাঠ আহে গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা। ৰংজুলি ৰেঞ্জ অফিচ, ৰংজুলি আৰক্ষী থানা, শিমলীতোলা বীট অফিচ, শিমলীতোলা আৰক্ষী চকী, মাটিয়া আৰক্ষী থানা, বহতী আৰক্ষী পহৰা চকী থকাৰ উপৰি বন বিভাগে নিয়মীয়াকৈ টহল দি থকাৰ পাছতো জিলাখনৰ শিলমীতোলাত দৈনিক শ শ চোৰাং কাঠৰ কুণ্ডা সৰবৰাহ কেনেকৈ হয় বুলি প্ৰশ্ন উত্থাপন কৰিছে একাংশ লোকে। অনুৰূপ অভিযোগ উত্থাপিত হৈছে বৰপেটা জিলাৰ আলোপতিচৰ আৰক্ষীৰ বিৰুদ্ধেও। আৰক্ষীৰ অগোচৰে থানাৰ অন্তৰ্গত বাঘমাৰাচৰ, আলোপতিচৰত মাজৰচৰ আৰু ধৰ্মপুৰ ভাতনাপাইতি গাঁও পঞ্চায়তৰ বিভিন্ন স্থানত চোৰাং ব্যৱসায়ীসকলে দীৰ্ঘদিন ধৰি অতি কমেও ১৫ টা অবৈধ কাঠ কল চলাই যোৱাটো সম্ভৱনে? সমগ্ৰ বিষয়টোৰ পুংখানুপুংখ বিশ্লেষণ কৰি তদন্ত হ'লেহে বনজ সম্পদৰ লুণ্ঠন ৰোধ হ'ব বুলি ধাৰণা কৰিছে একাংশ সচেতন লোকে।

# লক্ষীগঞ্জত পানীত পৰি দুই শিশুৰ কৰুণ মৃত্যু

**বিশেষ সংবাদদাতা**

**বিলাসীপাৰা, ২৬ জুলাই ঃ** বিলাসীপাৰা মহকুমাৰ লক্ষীগঞ্জ আৰক্ষী চকীৰ অন্তৰ্গত ভাষানীগাঁৱত আজি সংঘটিত হয় এক শোকাৱহ ঘটনা। খাল এটাৰ পানীত পৰি মৃত্যু হয় দুটিকৈ ফুলকুমলীয়া শিশুৰ। ঘটনাৰ বিৱৰণী মতে, গাঁওখনত থকা পানী ভৰ্তি খাল এটাৰ ওচৰেৰে গৈ থকা অৱস্থাত ভৰি পিছলি পৰি যায় গাঁওখনৰ নুৰিনা খাতুন নামৰ পাঁচ বছৰীয়া শিশুটি। এই ঘটনা প্ৰত্যক্ষ কৰি নুৰিনাক উদ্ধাৰ কৰিবলৈ খালটোত জাঁপ দিয়ে ৰাখিবুল ইছলাম (৮) নামৰ আন এটি শিশুৱে। দুৰ্ভাগ্যবশত ৰাখিবুলে নুৰিনাক উদ্ধাৰ কৰিব নোৱাৰিলে আৰু খালটোৰ পানীত দুই শিশু সন্ধানহীন হৈ পৰে। এই ঘটনাৰ পাছতে অঞ্চলটোত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। পৰৱৰ্তী সময়ত স্থানীয় লোকে খালৰ পানীৰ পৰা শিশু দুটিক উদ্ধাৰ কৰি বিলাসীপাৰা আদৰ্শ চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে দুয়োৰে মৃত্যু হোৱা বুলি ঘোষণা কৰে। মৃত্যুমুখত পৰা শিশু দুটি সম্বন্ধত খুৰা আৰু ভতিজী বুলি স্থানীয় লোকে জনাইছে। পাছত বিলাসীপাৰা আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষাৰ বাবে শিশু দুটিৰ মৃতদেহ ধুবুৰী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণৰ ব্যৱস্থা কৰে।

# নগাঁও বাইপাছৰ ছাৰ্ভিচ ৰোডত মুমূৰ্ষু অৱস্থাত সম্পূৰ্ণ বিবস্ত্ৰ যুৱতী উদ্ধাৰ

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৬ জুলাই ঃ** আজি পুৱা বেলা নগাঁৱৰ ভোটাইগাঁৱৰ সমীপত নগাঁও বাইপাছৰ কাষৰ এটা ছাৰ্ভিচ ৰোডত সম্পূৰ্ণ বিবস্ত্ৰ তথা মূমূৰ্ষু অৱস্থাত এগৰাকী ২০-২২ বছৰীয়া অচিনাক্ত যুৱতীক উদ্ধাৰ কৰা হয়। এই ঘটনাই অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ছাৰ্ভিচ ৰোডটোৰ ওপৰতে সম্পূৰ্ণ বিবস্ত্ৰ অৱস্থাত যুৱতীগৰাকীক পৰি থকা প্ৰত্যক্ষ কৰি একাংশ স্থানীয় লোকে টাউন ইটাচালী আৰক্ষী চকীৰ আৰক্ষীক খবৰ দিয়ে। পাছত ইটাচালী আৰক্ষীয়ে সেই স্থানত উপস্থিত হৈ মূমূৰ্ষু অৱস্থাত যুৱতীগৰাকীক উদ্ধাৰ কৰে। আৰক্ষীয়ে এখন কাপোৰেৰে যুৱতীগৰাকীৰ দেহটো ঢাকি লৈ নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ আনি ভৰ্তি কৰায়। উল্লেখ্য যে বৰ্তমানেও আৰক্ষীয়ে যুৱতীগৰাকীৰ পৰিচয় উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই। আনহাতে, কি পৰিস্থিতিত কেনেকৈ সম্পূৰ্ণ বিবস্ত্ৰ আৰু মূমূৰ্ষু অৱস্থাত এগৰাকী যুৱতী বাইপাছৰ এটা নিৰ্জন ছাৰ্ভিচ ৰোডত পৰি আছিল, তাৰো একো তথ্য উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই। কোনোবাই যুৱতীগৰাকীক ধৰ্ষণ কৰি মুমূৰ্ষু অৱস্থাত সেই ঠাইত পেলাই থৈ যাব পাৰে বুলি স্থানীয় লোকে সন্দেহ কৰিছে যদিও এই সন্দৰ্ভত আৰক্ষী অথবা চিকিৎসালয় কৰ্তৃপক্ষই একো তথ্য সদৰী কৰা নাই। অৱশ্যে আৰক্ষীয়ে এই যুৱতীগৰাকী মানসিকভাৱে অসুস্থ বুলিহে প্ৰকাশ কৰিছে। যুৱতীগৰাকীক নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত চিকিৎসা প্ৰদানৰ অন্তত চহৰখনৰ তেলীয়া গাঁৱত থকা এটা বেচৰকাৰী মানসিক পৰিচৰ্যা কেন্দ্ৰলৈ স্থানান্তৰ কৰা হৈছে। আৰক্ষীয়ে সমগ্ৰ ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে যদিও এই পৰ্যন্ত এই বিষয়ে সঠিক তথ্য লাভ কৰা নাই।

# ঘগ্ৰাপাৰত বিজয় উৎসৱ

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২৬ জুলাই ঃ** বিজেপিৰ অনুসূচিত জনজাতি মৰ্চা নলবাৰী জিলাৰ উদ্যোগত ভাৰতবৰ্ষৰ দ্বিতীয়গৰাকী মহিলা তথা প্ৰথমগৰাকী অনুসূচিত জনজাতি সম্প্ৰদায়ৰ পৰা নৱনিৰ্বাচিত মহামহিম ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে শপত গ্ৰহণ কৰাৰ লগত সংগতি ৰাখি ঘগ্ৰাপাৰৰ সমীপৰ এক নম্বৰ ৰঙাফালি গাঁৱত কালি বিয়লিৰ ভাগত 'বিজয় উৎসৱ' উদ্‌যাপন কৰা হয়। অনুসূচিত জনজাতি মৰ্চাৰ নলবাৰী জিলাৰ সভাপতি হিতেশ ব্ৰহ্মই সভাপতিত্ব কৰা বিজয় উৎসৱত নলবাৰী পৰিষদৰ অধ্যক্ষ নিতুল ডেকা, নলবাৰী পৌৰসভাৰ পৌৰপতি জয়শ্ৰী তালুকদাৰ, নলবাৰী জিলা বড়ো ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক তনয় কুমাৰ বড়ো, সাহিত্যিক শৰৎ চন্দ্ৰ বড়ো, ভাৰতীয় যুৱ মৰ্চা নলবাৰী জিলাৰ সভাপতি হেমন্ত বৰ্মন, বিজেপিৰ টাউন মণ্ডলৰ সভানেত্ৰী আজিতা বৰ্মন, বড়িগোগ বনভাগ মণ্ডল সভাপতি ডিম্বেশ্বৰ বেজবৰুৱা, নলবাৰী পৌৰসভাৰ বিভিন্ন ৱাৰ্ডৰ ৱাৰ্ড কমিছনাৰসকল, আঞ্চলিক পঞ্চায়ত সদস্যা মিনি ডেকাৰ উপৰি জিলা আৰু মণ্ডলসমূহৰ লগতে মৰ্চাসমূহৰ বিষয়ববীয়াসকলৰ আৰু ৰঙাফালি অঞ্চলৰ বিশিষ্ট লোকসকলে বিজয় উৎসৱ উদ্‌যাপন কৰে। অনুষ্ঠানৰ পূৰ্বে গাঁওখনত এটি সমদল উলিওৱা হয়।

# বামুন্দীত সুৰা জব্দ

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ২৬ জুলাই ঃ** শুৱালকুছি আৰক্ষী থানাৰ অন্তৰ্গত বামুন্দীত দীৰ্ঘদিন ধৰি এচামে সুৰাৰ ব্যৱসায়েৰে পৰিৱেশ বিনষ্ট কৰি আহিছে। বামুন্দী ৰাইজ গয়ৰহৰ সকীয়নিৰ পাছতো তেওঁলোকে সুৰাৰ ৰমৰমীয়া ব্যৱসায়েৰে নৱ প্ৰজন্মক ধ্বংসৰ মুখলৈ ঠেলি দিছে। এই ক্ষেত্ৰত প্ৰশাসনেও মৌনতা অৱলম্বন কৰাৰ অভিযোগ উঠিছে। সুৰা বেপাৰীৰ অবাধ দপ্‌দপনিত অতিষ্ঠ হৈ যোৱা নিশা বামুন্দী ৰাইজ গয়ৰহৰ সভাপতি জীৱকান্ত শৰ্মা আৰু সম্পাদক প্ৰবীণ কুমাৰ কলিতাৰ নেতৃত্বত যোৱা গয়ৰহৰ এটি সঁজাতী দলে অবৈধ সুৰা বেপাৰীৰ বিৰুদ্ধে অভিযান চলায়। অভিযান কালত একাংশই পলায়ন কৰে যদিও কৈলাশপুৰৰ জগদীশ কলিতা আৰু হাতীমূৰা চুবুৰিৰ হীতেশ কলিতাৰ ঘৰৰ পৰা দেশী আৰু বিদেশী ৪০ লিটাৰ সুৰা জব্দ কৰে। সুৰা সহিতে সুৰা ব্যৱসায়ী দুয়োজনকে বন্দী কৰি গয়ৰহৰ কাৰ্যালয়লৈ আনি ভৱিষ্যতে এনে সমাজ বিৰোধী কাম নকৰাৰ প্ৰতিশ্ৰুতি লয়। আনহাতে, জব্দকৃত সুৰাখিনি ৰাইজৰ উপস্থিতিত নষ্ট কৰি পেলায়। ৰাইজ গয়ৰহৰ এনে কাৰ্যক সকলোৱে একেমুখে প্ৰশংসা কৰে।

# নিউ বঙাইগাঁও ৰেল জংছনত

*তিনি পৃষ্ঠাৰ পৰা* চুপাৰিয়েই এনে অবৈধ সৰবৰাহৰ তথ্য পোহৰলৈ আনিছে। নিউ বঙাইগাঁও ৰেল জংছনত ৰেল আৰক্ষীৰ এটা দলে অভিযান চলাই এটা দবাৰ পৰা জব্দ কৰে চুপাৰি বস্তাসমূহ। জিআৰপিএফৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি, চুপাৰিখিনি নগালেণ্ডৰ ডিমাপুৰত ৰেলত উঠোৱা হৈছিল। জব্দকৃত এই চুপাৰিখিনি চোৰাং ব্যৱসায়ীয়ে কলকাতালৈ নিয়াৰ চেষ্টা চলাইছিল বুলি ৰেল আৰক্ষীয়ে সন্দেহ কৰিছে। অৱশ্যে চুপাৰিৰ স'তে ৰেল আৰক্ষীয়ে কোনো লোকক আটক কৰিব নোৱাৰিলে। চুপাৰিখিনি কোনে কঢ়িয়াই আনিছিল সেই সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে ৰেল আৰক্ষীয়ে।

# ৭২ৰ ভাষা আন্দোলনৰ সক্ৰিয়

*তিনি পৃষ্ঠাৰ পৰা* পাছলৈ অসম আন্দোলনত জঁপিয়াই পৰে। চৰকাৰী চাকৰিৰ প্ৰতি লালায়িত নহৈ তেওঁ জলসিঞ্চন বিভাগত ঠিকা কৰি জীৱিকা নিৰ্বাহ কৰিছিল। অতি অমায়িক আৰু মৃদুভাষী আহমেদৰ মৃত্যুত মণ্ডলদৈত শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুই কন্যা-জোঁৱাই, ভ্ৰাতৃ-ভগ্নীসহ বহু গুণমুগ্ধক ইহসংসাৰত এৰি যায়।

# উৰিয়াগাঁৱত কয়লাভৰ্তি ট্ৰাক

*তিনি পৃষ্ঠাৰ পৰা* কঢ়িয়াই অনা ট্ৰাকখনৰ লগতে কয়লাৰ যাৱতীয় নথিসমূহো আৰক্ষীয়ে পৰীক্ষা কৰে। কয়লাখিনি বৈধভাৱে সৰবৰাহ কৰিছিল নে অবৈধভাৱে সৰবৰাহ কৰিছিল সেই বিষয়ে আৰক্ষীয়ে একো তথ্য সদৰী কৰা নাই। ঠিকাদাৰ গোষ্ঠীয়ে এই চাৰিলেনযুক্ত ঘাইপথৰ নিৰ্মাণত কৰা ব্যাপক অনিয়ম, বিসংগতিৰ বাবেই কয়লাভৰ্তি ট্ৰাকখন পথৰ দাঁতিত ৰখোৱাৰ সময়তে নতুনকৈ নিৰ্মাণ কৰা পথৰ দাঁতি খহি গৈ বাগৰি পৰে।

# অসম কৃষক পৰিষদৰ নেতাৰ

*তিনি পৃষ্ঠাৰ পৰা* ঘটনাত জড়িত থকাৰ অভিযোগত তাৰকাঁটা গাঁৱৰ জমিৰ উদ্দিনক আটক কৰিছে আৰক্ষীয়ে। আনহাতে, এই আক্ৰমণৰ ঘটনাৰ মূল মাষ্টাৰমাইণ্ড হিচাপে চিহ্নিত কৰা হৈছে বাবুল হুছেইন নামৰ এজন শিক্ষকক। নীলবাগান বজাৰত বাস কৰা বাবুল হুছেইন আৰু তাৰকাটা গাঁৱৰ জমিৰ উদ্দিনৰ নেতৃত্বত সেই নিশা আব্দুল চালামক দুৰ্বৃত্তৰ দলে আক্ৰমণ কৰি হত্যাৰ চেষ্টা কৰিছিল বুলি অভিযোগ উঠিছে। দুয়োজন লোককে পুনৰ অভিযুক্ত কৰি আব্দুছ ছালামে হোজাই আৰক্ষী অধীক্ষকৰ ওচৰত আবেদন কৰাত আৰক্ষী অধীক্ষকে মোৰাঝাৰ আৰক্ষীক উক্ত ঘটনাৰ তদন্ত কৰাৰ নিৰ্দেশ দিয়ে। আৰক্ষীয়ে তদন্তমৰ্মে জমিৰ উদ্দিনক আটক কৰিলেও শিক্ষক বাবুল হুছেইন পলাতক অৱস্থাত আছে। ঘটনা সংক্ৰান্তত আৰক্ষীয়ে অনুসন্ধান অব্যাহত ৰাখিছে।

# নগাঁৱত বিজেপি যুৱ মৰ্চাৰ উদ্যোগত কাৰ্গিল যুদ্ধৰ বিজয় দিৱস উদ্‌যাপন

**বিশেষ সংবাদদাতা**



**নগাঁও, ২৬ জুলাই ঃ** কাৰ্গিল যুদ্ধৰ বিজয় দিৱসৰ ২৩ বৰ্ষ পূৰ্তি উপলক্ষে আজি বিজেপিৰ যুৱ মৰ্চাৰ নগাঁও জিলা সমিতিৰ উদ্যোগত প্ৰভাত ফেৰী সম্পন্ন কৰা হয়। আজি পুৱা নগাঁও চহৰৰ কলঙৰ বাকৰি নেহৰুবালিৰ পৰা আৰম্ভ কৰা এই প্ৰভাত ফেৰীত অংশগ্ৰহণ কৰা বিজেপিৰ যুৱ মৰ্চাৰ কাৰ্যকৰ্তাকে ধৰি বিজেপি নেতা-কৰ্মীসকলে অংশগ্ৰহণ কৰি ভাৰত মাতা কি জয়, বন্দে মাতৰম' আদি ধ্বনি দিয়া পৰিলক্ষিত হয়। নগাঁও চহৰৰ মূল পথেৰে বিজেপি নেতাসকলে পৰিভ্ৰমণ কৰি শক্তিশালী ভাৰত ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে সকলোকে আহবান জনায়। কাৰ্যসূচীত অংশগ্ৰহণ কৰি নগাঁৱৰ বিধায়ক ৰূপক শৰ্মাই কয়, 'কাৰ্গিল যুদ্ধৰ বিজয়ৰ বাবে আমি সুৰক্ষিত হৈ আছো।' বিধায়কজনে দেশৰ হকে প্ৰাণ দিয়া বীৰ ছহিদসকলক শ্ৰদ্ধাৰে স্মৰণ কৰে। বিজেপিৰ যুৱ মৰ্চাৰ নগাঁও জিলা সমিতিৰ সভাপতি সুন্দৰ শৰ্মাই বীৰ ছহিদসকলক স্মৰণ কৰি উঠি অহা প্ৰজন্মৰ মাজত দেশপ্ৰেম জাগ্ৰত কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে দেশৰ বাবে প্ৰাণ আহুতি দিয়া বীৰসকলৰ আদৰ্শক অনুকৰণ কৰি দেশৰ হকে কাম কৰি যাবলৈ সকলোকে আহ্বান জনায়। আনহাতে, ৰহা চাৰিআলিতো নগাঁও জিলা বিজেপিৰ যুৱ মৰ্চাই কাৰ্গিল যুদ্ধৰ দিৱস উদ্‌যাপন কৰে। অনুষ্ঠানত কাৰ্গিল যুদ্ধৰ দুগৰাকী বীৰ সৈনিক হৰিকান্ত বৰদলৈ আৰু সংগীত বৰদলৈক সম্ভাষণ জনোৱা হয়। অনুষ্ঠানত বিজেপিৰ যুৱ মৰ্চাৰ জিলা সভাপতি সুন্দৰ শৰ্মাকে ধৰি ৰহা অঞ্চলৰ কে'বাগৰাকী কাৰ্যকৰ্তাই অংশগ্ৰহণ কৰে।

# বিলাসীপাৰাৰ বান ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন মন্ত্ৰী সিংঘালৰ

**বিশেষ সংবাদদাতা**

**বিলাসীপাৰা, ২৬ জুলাই ঃ** অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী অশোক সিংঘালে আজি বিলাসীপাৰা মহকুমাৰ বান ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰে। বিশেষকৈ মহকুমাটোৰ চিৰাকুটা পঞ্চায়তত গৌৰাং মথাউৰি এটা ছিঙি যোৱাত যমদুৱাৰ গাঁৱত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছিল। মথাউৰিটো ছিঙি যোৱাৰ ফলত গাঁওখনৰ কে'বাটাও পৰিয়ালৰ ঘৰ-দুৱাৰ ভাঙি গৈছিল। আজি মন্ত্ৰীজনে অঞ্চলটোত উপস্থিত হৈ বানত ক্ষতিগ্ৰস্ত পৰিয়ালৰ লোকক সাক্ষাৎ কৰি পৰিস্থিতিৰ বুজ লয়। উল্লেখ্য যে যোৱা নিশা বিলাসীপাৰা আৱৰ্ত ভৱনত নগৰ উন্নয়ন আৰু জলসিঞ্চন বিভাগৰ মন্ত্ৰীজনে উপস্থিত হৈছিল। তাত তেওঁ বিভিন্ন বিভাগৰ চৰকাৰী বিষয়াৰে এক আলোচনাত মিলিত হৈ বিভাগসমূহৰ খতিয়ান লয়। তাৰ পাছতে মন্ত্ৰী সিংঘালে সাংবাদিকৰ আগত মত প্ৰকাশ কৰে যে একাংশ বিৰোধী ৰাজনৈতিক নেতাই 'হৰ ঘৰ ত্ৰিৰংগা' সন্দৰ্ভত কৰা মন্তব্যক তীব্ৰসমালোচনা কৰে লগতেকয় যে বিৰোধীৰ এনে মন্তব্য গৰিহণাযোগ্য। কিয়নো শাসকদলে এয়া ৰাজনৈতিক স্বাৰ্থত নহয় দেশৰ ৭৫ সংখ্যক স্বাধীনতা দিৱসৰ বাবে এই আহ্বান জনাইছে।

# ভোটগাঁৱত কৃতী ছাত্ৰ-ছাত্ৰীক এবিএমছুৰ সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ২৬ জুলাই ঃ** ২০২২ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত দক্ষিণ কোকৰাঝাৰ আঞ্চলিক এবিএমছু সমিতিৰ উদ্যোগত কোকৰাঝাৰ জিলা এবিএমছুৰ সহযোগত আজি প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা মুঠ ৭৫ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক কোকৰাঝাৰৰ ভোটগাঁও ৰূপকোঁৱৰ মাধ্যমিক বিদ্যালয়ত ছাত্ৰ সংগঠনটোৱে ফুলাম গামোচা, মানপত্ৰ, কিতাপ আৰু কলমৰে সম্বৰ্ধনা জনায়। সম্বৰ্ধনা অনুষ্ঠানত এবিএমছুৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক মইনুদ্দিন আলী, কোকৰাঝাৰ চৰকাৰী ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° আজিজুৰ ৰহমান, এছ এ মেম'ৰিয়েল মহাবিদ্যালয়ৰ অধ্যক্ষা হুছনাআৰা বেগম, ডিপিঅ' ক্ৰমে জাহাংগীৰ হুছেইন, নুৰ ইছলাম পৰামানিক, দক্ষিণ শালমাৰাৰ ডিপিঅ' আউলাদ হুছেইনকে ধৰি বহুকেগিৰাকী শিক্ষাবিদ, বুদ্ধিজীৱীৰ এবিএমছুৰ জিলা আৰু আঞ্চলিক সমিতিৰ কৰ্মকৰ্তাসকলে উপস্থিত থাকে।

# বিজনী বান্ধৱ স্কুলৰ প্ৰাক্তন ছাত্ৰ সন্মিলন

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২৬ জুলাই ঃ** চিৰাং জিলাৰ বিজনী চহৰৰ অন্যতম শিক্ষানুষ্ঠান ৭৭ বছৰীয়া বিজনী বান্ধৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সন্মিলনৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা এখন অহা ৩১ জুলাইত অনুষ্ঠিত হ'ব। বিজনী বান্ধৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সন্মিলনৰ সভাপতি তথা বিটিচিৰ পাৰিষদ প্ৰদীপ কুমাৰ বায়ন আৰু সাধাৰণ সম্পাদক তথা বিদ্যালয়খনৰ অধ্যক্ষ মণিকান্ত বসুমতাৰীয়ে আজি এক বিবৃতিৰ জৰিয়তে এই তথ্য সদৰী কৰিছে। অহা ৩১ জুলাইৰ পুৱা ১১ বজাত বিজনী বান্ধৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিতব্য প্ৰাক্তন ছাত্ৰ সন্মিলনৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভাত সন্মিলনৰ সমূহ বিষয়ববীয়া, সদস্য তথা বান্ধৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলক উপস্থিত থাকিবলৈ বিবৃতিখনৰ জৰিয়তে সন্মিলনৰ সভাপতি প্ৰদীপ কুমাৰ বায়ন আৰু সাধাৰণ সম্পাদক মণিকান্ত বসুমতাৰীয়ে আহ্বান জনাইছে।

# ডুবাপাৰাত অজগৰ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২৬ জুলাই ঃ** আজি সন্ধিয়া ৭.৩০ বজাত ডুবাপাৰা লুপ্তাচৰ প্ৰাথমিক বিদ্যালয়ৰ সমীপত এটা অজগৰ উদ্ধাৰ হয়। উল্লেখ্য যে সূৰ্য পাহাৰৰ পাদদেশত থকা নিজৰাৰ কাষত অজগৰডালক শিয়ালে আক্ৰমণ কৰা সময়তে প্ৰত্যক্ষ দৰ্শী ৰাইজে উদ্ধাৰ কৰি ডুবাপাৰা বন খণ্ড বিভাগক গতাই দিয়ে।

# গাহৰি মাংসক জাতীয় খাদ্যৰূপে ঘোষণা কৰিব লাগে

## স্বয়ম্ভু হিন্দুত্ববাদী নেতা সত্যৰঞ্জন বৰাৰ দাবী

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৬ জুলাই ঃ** এসময়ত গো মাংসক লৈ বিতৰ্কৰ সৃষ্টি কৰা স্বয়ম্ভু হিন্দুত্ববাদী নেতা সত্যৰঞ্জন বৰাই এইবাৰ গাহৰি মাংসক জাতীয় খাদ্যৰূপে ঘোষণা কৰাৰ দাবী জনাইছে। আজি নগাঁৱত এই কথা সাংবাদিকৰ আগত সদৰী কৰি স্বয়ম্ভু হিন্দুত্ববাদী নেতাজনে কয়, 'সকলোৱেই গাহৰি খাব লাগে, কিয়নো কোনো শাস্ত্ৰত গাহৰি খাব নালাগে বুলি উল্লেখ নাই।' নিজৰ পৰিসীমা অতিক্ৰম কৰি বৰাই অসম সাহিত্য সভাৰ সন্দৰ্ভত কয়, 'অসম সাহিত্য সভাৰ পূৰ্বৰ মৰ্যাদা নাই। ক্ৰমান্বয়ে বন্ধ হোৱাৰ পথত অসম সাহিত্য সভা। পৰমানন্দ ৰাজবংশীৰ দিনৰ পৰাই সাহিত্য সভাই নিজৰ গৰিমা হেৰুৱাইছে। সাহিত্য সভা সাম্প্ৰতিক সময়ত চৰকাৰৰ এজেঞ্চীহে।' তেওঁ আৰু কয়, 'সাহিত্য সভাত সাহিত্যৰ চৰ্চা নহয়। এটা সময়ত সুধাকণ্ঠক কিতাপ নিলিখি কেৱল গান গোৱাৰ বাবে তিৰস্কাৰ কৰিছিল আৰু সাহিত্য সভাৰ সভাপতি হোৱাত বাধা দিছিল, কিন্তু আজি সাহিত্য সভাৰ কোনজনে কিতাপ লিখে?' সাহিত্য সভাত কেইজন সাহিত্যিক আছে বুলি প্ৰশ্ন কৰি তেওঁ পুনৰ কয়, 'সৃষ্টিশীলতা নাই বাবেই কি মাংস খাব তাক লৈ আলোচনাত ব্যস্ত হৈ আছে সাহিত্য সভা।'

# আমচাং অভয়াৰণ্যৰ ভূমি বেদখল ডনবস্ক' বিশ্ববিদ্যালয়ত তদন্তকাৰী দল

**অগ্ৰদূত বাৰ্তা**

**সোণাপুৰ, ২৬ জুলাই ঃ** সোণাপুৰৰ টেপেছিয়াস্থিত অসম ডনবস্ক' বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই আমচাং অভয়াৰণ্যৰ ভূমি বেদখল কৰা আৰু নীতি বহিৰ্ভূতভাৱে বন্যহস্তীৰ বিচৰণস্থলীত কংক্ৰীটৰ বেৰ নিৰ্মাণ কৰাৰ অভিযোগ সন্দৰ্ভত ৰাজ্য চৰকাৰে ইতিমধ্যে এক তদন্তকাৰী দল গঠন কৰিছে। আজি এই তদন্তকাৰী দলটোৱে বিশ্ববিদ্যালয়খনত উপস্থিত হৈ প্ৰাথমিক তদন্ত চলায়।

উল্লেখ্য যে বিশ্ববিদ্যালয়খনৰ বিৰুদ্ধে উঠা এনে গুৰুতৰ অভিযোগ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৱা ২৬ মে'ত ৰাজ্যৰ অতিৰিক্ত মুখ্য সচিব পৱন বৰঠাকুৰৰ নেতৃত্বত তদন্ত সমিতিখন গঠন কৰি দিছিল। তদন্ত সমিতিখনে আজি প্ৰথমবাৰৰ বাবে বিশ্ববিদ্যালয়খনৰ চৌহদত উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। দিনৰ এক বজাত কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত পল্লৱ গোপাল ঝা, অসম চৰকাৰৰ দুৰ্যোগ প্ৰশমন বিভাগৰ মুখ্য কাৰ্যবাহী বিষয়া জি ডি ত্ৰিপাঠী, কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত বিক্ৰম ছেত্ৰী, গুৱাহাটী বন্যপ্ৰাণী সংমণ্ডলৰ বন সংমণ্ডল বিষয়া জয়শ্ৰী নায়দিং, সোণাপুৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া গোপাল শৰ্মা আদি কে'বাজনো বিষয়াই বিশ্ববিদ্যালয় চৌহদত উপস্থিত হৈ পৰিদৰ্শন কৰাৰ লগতে ভূমিৰ নথিসমূহো তন্নতন্নকৈ পৰীক্ষা কৰে। মন কৰিবলগীয়া যে বিশ্ববিদ্যালয় কৰ্তৃপক্ষই অবৈধভাৱে কে'বাশ বিঘা আমচাং অভয়াৰণ্যৰ ভূমি বেদখল কৰি অট্টালিকা নিৰ্মাণৰ লগতে আমচাঙৰ মাজেৰে প্ৰাকৃতিকভাৱে বৈ অহা এটি নিজৰাক বাধা দি কংক্ৰিটৰ দেৱাল নিৰ্মাণ কৰাৰ অভিযোগ উত্থাপিত হৈছিল। এই সন্দৰ্ভত গুৱাহাটী বন্যপ্ৰাণী সংমণ্ডলে কিছুদিন পূৰ্বে এক গোচৰো ৰুজু কৰিছিল। অৱশ্যে তদন্তৰ খাতিৰত দলটোৱে সাংবাদিকৰ আগত কোনো মন্তব্য কৰাৰ পৰা বিৰত থাকে।

# ভাৰত-ভূটান সীমান্তৰ মহেন্দ্ৰ নগৰত চিকাৰ ধৰিবলৈ আহি জনাঞ্চলত আবদ্ধ অজগৰ


**অগ্ৰদূত বাৰ্তা**



**তামুলপুৰ, ২৬ জুলাই ঃ** তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৰ গুৱাবাৰী সমীপৰ মহেন্দ্ৰ নগৰ আজি জংঘলৰ পৰা চিকাৰ ধৰিবলৈ আহি এডাল প্ৰকাণ্ড অজগৰ জনাঞ্চলত আবদ্ধ হৈ পৰে। পাছত স্থানীয় দুজন প্ৰকৃতি প্ৰেমী যুৱকৰ তৎপৰতাত বন বিভাগৰ লোকে অজগৰডাল উদ্ধাৰ কৰি বনাঞ্চলত এৰি দিয়ে। বন বিভাগৰ লোকে সদৰী কৰা মতে, মহেন্দ্ৰ নগৰৰ এটি পৰিয়ালৰ তামোলবাৰীত আজি অজগৰডালে এটা শহাপহু মেৰিয়াই ধৰি ভক্ষণ কৰিবলৈ লওতে স্থানীয় কেইজনমান লোকে অজগৰডাল প্ৰত্যক্ষ কৰি চিঞৰ-বাখৰ লগাই দিয়ে। ইপিনে, অজগৰে শহাপহু ভক্ষণ কৰি থকা খবৰ অঞ্চলটোত বিয়পি পৰাত অজগৰডাল প্ৰত্যক্ষ কৰিবলৈ যথেষ্ট লোকে সেই ঠাইত ভিৰ কৰে। ফলত মানুহৰ মাজত চিকাৰসহ আবদ্ধ হৈ পৰা অজগৰডালে মুখৰ পৰা আহাৰ এৰি দিয়ে। ইপিনে, অঞ্চলটোত অজগৰ ওলোৱা খবৰ লাভ কৰি স্থানীয় গোৰ্খা ছাত্ৰ সন্থাৰ নেতা তথা প্ৰকৃতি প্ৰেমী মাধৱ ছেত্ৰী আৰু বঙালী যুৱ-ছাত্ৰ ফেডাৰেছনৰ নেতা মিঠুন দাস ঘটনাস্থলীত উপস্থিত হৈ বন বিভাগৰ লোকক খবৰ দিয়ে। খবৰ পোৱাৰ লগে লগে কুমাৰীকাটা বনাঞ্চলিক কাৰ্যালয়ৰ বনকৰ্মীৰ দল এটা মহেন্দ্ৰনগৰত উপস্থিত হয়। পাছত অজগৰডাল সেই স্থানৰ পৰা উদ্ধাৰ কৰি ভূটান সীমান্তৰ বগামাটি পৰ্যটন থলিৰ সমীপৰ ঘন জংঘলত এৰি দিয়ে।

# ৫,৪২২টা বিত্তীয় অনিয়মৰ

*এক পৃষ্ঠাৰ পৰা* কেন্দ্ৰীয় ৰাজ্যিক বিত্তমন্ত্ৰী পংকজ চৌধুৰীয়ে জনোৱা মতে, যোৱা ১০ বছৰত অবৈধ ধন সৰবৰাহ আইনৰ অধীনত সৰ্বাধিক গোচৰ ৰুজু হৈছে ২০২০-২১ বিত্তীয় বৰ্ষত। মন্ত্ৰীয়ে কয়, '২০২২ৰ ৩১ মাৰ্চ পৰ্যন্ত অবৈধ ধন সৰবৰাহ প্ৰতিৰোধ আইনৰ অধীনত ইডিয়ে মুঠ ৫৪২২টা গোচৰ ৰুজু কৰিছে। প্ৰায় ১,০৪,৭০২ টকাৰ দুৰ্নীতিৰ অভিযোগ ৰুজু কৰা হৈছে। ইয়াৰ ভিতৰত ৯৯২টা গোচৰত অভিযোগনামা দাখিলৰ ফলত ২৩জন অভিযুক্তৰ পৰা মুঠ ৮৬৯.৩১ কোটি উদ্ধাৰ কৰা হৈছে। লোকসভাত কেন্দ্ৰই প্ৰকাশ কৰা তথ্য অনুসৰি, ২০১২-১৩ বিত্তীয় বৰ্ষত অবৈধ ধন সৰবৰাহ প্ৰতিৰোধ আইনৰ অধীনত মুঠ ২২১টা গোচৰ ৰুজু হয়। ২০১৩-১৪ বিত্তীয় বৰ্ষত আছিল ২০৯টা গোচৰ। ২০২০-২১ বিত্তীয় বৰ্ষত গোচৰৰ সংখ্যা আছিল ৯৮১টা আৰু ২০২১-২২ বিত্তীয় বৰ্ষত ১১৮০টালৈ বৃদ্ধি হয়। তদুপৰি বিদেশী মুদ্ৰা নিয়ন্ত্ৰণ আইনৰ অধীনৰ গোচৰক সামৰি সৰ্বমুঠ প্ৰায় চাৰে পাঁচ হেজাৰ বিত্তীয় দুৰ্নীতিৰ গোচৰ ৰুজু কৰে ইডিয়ে।



## কানাডাত বন্দুকধাৰীৰ আক্ৰমণত তিনিজন লোকৰ মৃত্যু

**নিউজ ব্যুৰ', অট'ৱা, ২৬ জুলাই ঃ** আমেৰিকাৰ পাছত এইবাৰ কানাডাত বন্দুকধাৰীয়ে ভয়াৱহ আক্ৰমণ সংঘটিত কৰিলে। প্ৰকাশ্য ৰাজপথত বন্দুক লৈ জধে-মধে এজন ব্যক্তিয়ে গুলিবৰ্ষণ কৰাৰ ঘটনাত কমেও তিনিজন লোকৰ মৃত্যু হ'ল। তদুপৰি আন এজন লোক গুৰুতৰভাৱে আহত হৈছে। অৱশ্যে ঘটনাস্থলীত লগে লগে উপস্থিত হৈ আৰক্ষীয়ে গুলিৰে প্ৰত্যুত্তৰ দিয়াত আক্ৰমণকাৰী ধৰাশায়ী হয়। এই ঘটনা সংঘটিত হ'ল কানাডাৰ ভেংকুভাৰৰ লাঙলে চহৰত। দুৰ্বৃত্তৰ আক্ৰমণত প্ৰাণ হেৰুওৱা আটাইকেইজন লোক গৃহহীন বুলি আৰক্ষীয়ে তথ্য লাভ কৰিছে।

## ছেন ফ্ৰান্সিছক'ৰ বাসগৃহ ৩৭৪ কোটি টকাত বিক্ৰী কৰিলে জুকাৰবাৰ্গে




**নিউজ ব্যুৰ', ছেন ফ্ৰান্সিছক', ২৬ জুলাই ঃ** মেটাৰ মুখ্য কাৰ্যবাহী বিষয়া তথা ফে'চবুকৰ প্ৰতিষ্ঠাপক মাৰ্ক জুকাৰবাৰ্গে আমেৰিকাৰ ছেন ফ্ৰান্সিছক'ত থকা তেওঁৰ বাসগৃহ এটা ৩১ নিযুত ডলাৰ অৰ্থাৎ ভাৰতীয় মূল্যত প্ৰায় ৩৭৪ কোটি টকাত বিক্ৰী কৰিলে। এক দশক পূৰ্বে জুকাৰবাৰ্গে ক্ৰয় কৰা মূল্যৰ তিনি গুণ অধিক দামত বাসগৃহটো বিক্ৰী কৰা বুলি 'দ্য ৰিয়েল ছেল'ৰ প্ৰতিবেদনত প্ৰকাশ। এক দশক পূৰ্বে জুকাৰবাৰ্গে ছেন ফ্ৰান্সিছক'ৰ বাসগৃহটো ১০ নিযুত ডলাৰত ক্ৰয় কৰিছিল। কি কাৰণত মেটাৰ মুখ্য কাৰ্যবাহী বিষয়াই বাসগৃহটো বিক্ৰী কৰিলে সেয়া এতিয়াও জানিব পৰা হোৱা নাই। ৭,৪০০ বৰ্গফুট আকাৰৰ বাসগৃহটো ক্ৰয়ৰ পাছত জুকাৰবাৰ্গে ইয়াৰ পুনৰ নিৰ্মাণৰ বাবে যথেষ্ট ধন ব্যয় কৰিছিল। সম্প্ৰতি বিশ্বৰ সবাতোকৈ ধনী ব্যক্তিৰ তালিকাত পঞ্চদশ স্থানত থকা জুকাৰবাৰ্গৰ মুঠ সম্পত্তিৰ পৰিমাণ হৈছে ৬৭.৩ বিলিয়ন ডলাৰ।

## চাৰি নেতাক মৃত্যুদণ্ড বিহিলে ম্যানমাৰৰ জুণ্টাই



**নিউজ ব্যুৰ', য়াংগুন, ২৬ জুলাই ঃ** ম্যানমাৰৰ গণতন্ত্ৰকামী নেতা হিউ জায়াৰ থায়, কো জিমি, লা মিঅ' আউং আৰু আউং থুৰা জায়ক মৃত্যুদণ্ড বিহিলে দেশখনৰ জুণ্টা চৰকাৰে। এই চাৰি গণতান্ত্ৰিক নেতা ম্যানমাৰৰ অপসাৰিত তথা কাৰাবন্দী নেত্ৰী আং ছান ছ্যু কীৰ সমৰ্থক আছিল। জুণ্টা চৰকাৰে আজি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি ইতিমধ্যে মৃত্যুদণ্ডপ্ৰাপ্ত উক্ত চাৰিজন অপৰাধীক শাস্তি বিহা হ'ল। উল্লেখ্য যে ১৯৮৮ৰ পাছত প্ৰথম মৃত্যুদণ্ডৰ আদেশ কাৰ্যকৰী কৰিলে ম্যানমাৰৰ সামৰিক চৰকাৰে। গণতান্ত্ৰিক চাৰি নেতাক এইদৰে সামৰিক চৰকাৰে মৃত্যুদণ্ড বিহাক লৈ ম্যানমাৰত ব্যাপক প্ৰতিক্ৰিয়া অব্যাহত আছে। দেশখনৰ গণতন্ত্ৰৰ সমৰ্থকসকলে জুণ্টা চৰকাৰৰ এই কাৰ্যক গৰিহণা দিছে।

## সুৰা নিষিদ্ধ গুজৰাটত বিষাক্ত সুৰাপান কৰি মৃত্যু ৩০ জন লোকৰ



**নিউজ ব্যুৰ', আহমেদাবাদ, ২৬ জুলাই ঃ** গুজৰাটৰ ধুন্দুকা-বাৰৱালা অঞ্চলত বিষাক্ত সুৰাপানৰ ফলত কমেও ৩০ জন লোকৰ মৃত্যু হ'ল। ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে পাঁচজন লোকক গ্ৰেপ্তাৰ কৰাৰ লগতে ২০ জন লোকক জেৰা কৰিছে। এই ঘটনাত মৃতকৰ সংখ্যা অধিক বৃদ্ধিৰ সম্ভাৱনা আছে বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে। সুৰা নিষিদ্ধ গুজৰাটত এইদৰে বিষাক্ত সুৰা পান কৰি ৩০ জন লোকৰ মৃত্যু হোৱাৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে।

## সেউজ শক্তিখণ্ডত ৭০ বিলিয়ন ডলাৰ বিনিয়োগ কৰিব আদানী গ্ৰুপে




**নিউজ ব্যুৰ', নতুন দিল্লী, ২৬ জুলাই ঃ** আদানী গ্ৰুপৰ অধ্যক্ষ গৌতম আদানীৰ এইবাৰ সেউজ শক্তি খণ্ডত বৃহৎ পৰিমাণৰ ধন বিনিয়োগৰ সিদ্ধান্ত ল'লে। আজি আদানী এণ্টাৰপ্ৰাইজেজৰ বাৰ্ষিক সাধাৰণ সভাত শ্বেয়াৰ ধাৰকসকলক সম্বোধন কৰি দিয়া ভাষণত আদানীয়ে কোম্পানীটোৰ ভৱিষ্যৎ পৰিকল্পনাৰ কথা সদৰী কৰি কয় যে আদানী গ্ৰুপে এইবাৰ সেউজ শক্তিখণ্ডত ৭০ বিলিয়ন ডলাৰ বিনিয়োগৰ সিদ্ধান্ত লৈছে। আদানীয়ে হাইড্ৰ'জেনক ভৱিষ্যতৰ ইন্ধন বুলিও অভিহিত কৰে।

**টিভি বিতৰ্কত ছুনকৰ তুলনাত ৩৮ শতাংশ অধিক ভোট লাভ প্ৰতিদ্বন্দ্বী লীজৰ**

# প্ৰধানমন্ত্ৰীৰ আসনৰে দূৰত্ব বৃদ্ধি ঋষিৰ, নিৰ্বাচনী টিভি বিতৰ্কত প্ৰতিদ্বন্দ্বী লীজৰ হাতত পৰাজয়

**নিউজ ব্যুৰ' লণ্ডন, ২৬ জুলাই ঃ** ব্ৰিটেইনৰ শাসকীয় কনজাৰভেটিভ পাৰ্টিৰ সদস্যৰ এক সমীক্ষা অনুসৰি, পদত্যাগী প্ৰধানমন্ত্ৰী বৰিছ জনছনৰ চৰকাৰত বিদেশ মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা লীজ ট্ৰাছে ভাৰতীয় মূলৰ প্ৰতিদ্বন্দ্বী তথা প্ৰাক্তন বিত্তমন্ত্ৰী ঋষি ছুনকক ইলেক্ট্ৰৰেল কলেজৰ নিৰ্বাচনী টিভি বিতৰ্কত পৰাজিত কৰিলে। পলষ্টাৰ অপিনিয়নৰ উত্তৰদাতাসকলে ট্ৰাছৰ পক্ষত অধিক ভোটদান কৰে। ট্ৰাছে এই টিভি বিতৰ্কত ছুনকৰ তুলনাত ৩৮ শতাংশ অধিক ভোট লাভ কৰিলে। উক্ত টিভি বিতৰ্কক উপভোগ কৰা নিয়মীয়া ভোটদাতাসকলৰ ২৯ শতাংশই ছুনক জয়ী হোৱা বুলি মত প্ৰকাশ কৰাৰ বিপৰীতে ৩৮ শতাংশই ট্ৰাছক বিজেতা গণ্য কৰিলে। ইংলণ্ডৰ পশ্চিম মিডলেণ্ডছত আয়োজিত বিতৰ্কত ছুনকে তেওঁৰ প্ৰতিদ্বন্দ্বী লীজক যথেষ্ট আক্ৰমণ কৰে। উল্লেখ্য যে কনজাৰভেটিভ দলৰ নেতা আৰু ব্ৰিটেইনৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰী





নিৰ্বাচনৰ প্ৰক্ৰিয়াত প্ৰথম পাঁচটা পৰ্যায়ৰ ভোটগ্ৰহণত ভাৰতীয় মূলৰ ঋষি শীৰ্ষত আছিল। কিন্তু টিভি বিতৰ্ক অনুষ্ঠানত ছুনকে প্ৰতিদ্বন্দ্বী লীজতকৈ কম সমৰ্থন লাভ কৰাৰ ফলত ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী পদৰ পৰা ছুনকৰ দূৰত্ব বৃদ্ধি পালে।

অৱশ্যে অহা পাঁচ ছেপ্টেম্বৰত অনুষ্ঠিত হ'ব লগা কনজাৰভেটিভ দলৰ সদস্যৰ ভোটগ্ৰহণ অনুষ্ঠানতহে ব্ৰিটেইনৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰী নিৰ্বাচিত হ'ব। ব্ৰিটেইনৰ একাংশ ৰাজনৈতিক বিশ্লেষকৰ মতে, ছুনক ভাৰতীয় মূলৰ হোৱা হেতুকে কনজাৰভেটিভ দলৰ গৰিষ্ঠ সংখ্যক সদস্যৰ সমৰ্থন তেওঁ লাভ কৰাত বাধাৰ সন্মুখীন হ'ব পাৰে। কিয়নো ইতিমধ্যে ব্ৰিটেইনৰ ৰাজনীতিত ছুনকৰ ভাৰতীয় মূলক লৈ এক প্ৰশ্ন উত্থাপিত হৈছে। একাধিক আভ্যন্তৰীণ সমীক্ষাটো কনজাৰভেটিভ দলৰ সৰহ সংখ্যক সদস্যই ছুনকৰ ভাৰতীয় মূলক লৈ অসন্তুষ্টি প্ৰকাশ কৰি প্ৰতিদ্বন্দ্বী লীজৰ সমৰ্থনত ভোট দিব বুলি মন্তব্য কৰিছে। অৱশ্যে পাঁচ ছেপ্টেম্বৰতহে স্পষ্ট হ'ব ছুনক নে লীজে প্ৰধানমন্ত্ৰী পদত শেষ হাঁহি মাৰিব।

## ভাৰতৰ অৰ্থনীতিক দুৰ্বল কৰিবলৈ ষড়যন্ত্ৰ চীনৰ কোম্পানীৰ ঃ দাবী ই ডিৰ




**নিউজ ব্যুৰ', নতুন দিল্লী, ২৬ জুলাই ঃ** প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ দিল্লী উচ্চ ন্যায়ালয়ত শপতনামা দাখিল কৰি কয় যে ভিভ' ম'বাইল কোম্পানীৰ বিৰুদ্ধে তদন্তকাৰী সংস্থাটোৱে অব্যাহত ৰখা তদন্ত কেৱল এক আৰ্থিক অপৰাধৰ স'তে জড়িত নহয়, বৰঞ্চ ভিভ' কোম্পানীয়ে অবৈধ ধন সৰবৰাহৰ জৰিয়তে দেশৰ অৰ্থনীতিক অস্থিৰ কৰাৰ অপচেষ্টা চলাই আহিছে। এই সন্দৰ্ভত ই ডিয়ে তদন্ত অব্যাহত ৰখা বুলি ন্যায়ালয়ক জানিবলৈ দিয়ে। কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৱে ন্যায়ালয়ত দাবী কৰা অনুসৰি ভিভ'সহ অন্যান্য চীনা কোম্পানীৰ বিত্তীয় অবৈধ লেনদেনৰ ফলত ভাৰতৰ অখণ্ডতা আৰু সাৰ্বভৌমত্বৰ প্ৰতিও ভাবুকি সৃষ্টি হৈছে। ভাৰতক আৰ্থিকভাৱে দুৰ্বল কৰাৰ ক্ষেত্ৰত চীনৰ একাংশ কোম্পানীয়ে ষড়যন্ত্ৰ ৰচা বুলিও ন্যায়ালয়ত কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৱে দাবী কৰে।



## ২৪ ঘণ্টাত ক'ভিড সংক্ৰমণ ১৪,৮৩০ লৈ হ্ৰাস, মৃত্যু ৩৬ৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ২৬ জুলাই ঃ** ক'ভিডৰ দৈনিক সংক্ৰমণত দেশক কিছু সকাহ দি যোৱা ২৪ ঘণ্টাত আক্ৰান্তৰ সংখ্যা ১৪,৮৩০ জনলৈ হ্ৰাস পালে। একেদৰে বিগত ২৪ ঘণ্টাত ভাৰতত ক'ভিডত মৃতকৰ সংখ্যাও ৩৬ জনলৈ হ্ৰাস পালে। বৰ্তমানে ভাৰতত এক লাখ ৪৭ হেজাৰ ৫১২ জন সক্ৰিয় ক'ভিড ৰোগী আছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ তথ্য অনুসৰি বৰ্তমানলৈকে ভাৰতত চাৰি কোটি ৩৯ লাখ ২০ হেজাৰ ৪৫১ জন লোক কৰ'নাত সংক্ৰমিত হ'ল। আনহাতে, কৰ'নাৰ সামগ্ৰিক পৰ্বটোত ভাৰতত পাঁচ লাখ ২৬ হেজাৰ ১১০ জন ৰোগীৰ মৃত্যু হ'ল।

## ৫ জি স্পেকট্ৰামৰ অনলাইন নিলাম আৰম্ভ, আম্বানী-আদানীসহ চাৰি প্ৰতিষ্ঠান শীৰ্ষত

**নিউজ ব্যুৰ' নতুন দিল্লী, ২৬ জুলাই ঃ** ভাৰতত আজিৰে পৰা ৫ জি টেলিকম স্পেকট্ৰামৰ নিলাম আৰম্ভ হ'ল। মঙলবাৰে পুৱা ১০ বজাৰ পৰা অনলাইনযোগে নিলাম প্ৰক্ৰিয়া আৰম্ভ হয় আৰু সন্ধিয়া ছয় বজালৈকে অব্যাহত থাকে। ৫ জি স্পেকট্ৰামৰ নিলাম অনুষ্ঠানত ৰিলায়েন্স জিঅ', ভাৰতী এয়াৰটেল, ভোডাফোন আইডিয়া আৰু আদানী ডেটা নেটৱৰ্কছে অংশ ল'লে। এই নিলামৰ সময়ত ৪.৩ লাখ কোটি টকা মূল্যৰ মুঠ ৭২ গিগাহৰ্ছ স্পেকট্ৰাম ব্লকত ৰখা হ'ব। এই স্পেকট্ৰামৰ ম্যাদ ২০ বছৰৰ হ'ব। নিলামত সফল হোৱা টেলিকম প্ৰতিষ্ঠানসমূহে এই স্পেকট্ৰামৰ জৰিয়তে ৫ জি ম'বাইল ইণ্টাৰনেট সেৱা দেশবাসীক আগবঢ়াব। বৰ্তমানে দেশত উপলব্ধ ৪ জি ইণ্টাৰনেট সেৱাৰ তুলনাত ৫ জি ইণ্টাৰনেট সেৱাই ১০ গুণ অধিক দ্ৰুতগতিৰ সেৱা আগবঢ়াব বুলি দাবী কৰা হৈছে। টেলিকম বিভাগৰ ৱেবছাইটৰ তথ্য অনুসৰি নিলামত অংশ লোৱা ৰিলায়েন্স জিঅ'ই ১৪,০০০ কোটি টকা, ভোডাফোন আইডিয়াই ২,২০০ কোটি টকা, ভাৰতী এয়াৰটেলে ৫,৫০০ কোটি টকা আৰু আদানী ডেটা নেটৱৰ্কছে ১০০ কোটি টকাৰ আমানত ধন জমা দিছে।




## ইৰানত এমাহত ৪৫ জনক বিহিলে মৃত্যুদণ্ড

**নিউজ ব্যুৰ', তেহৰান, ২৬ জুলাই ঃ** জনসমক্ষত এজন অপৰাধীক ফাঁচী দিলে ইৰান চৰকাৰে। এই ঘটনাৰ কথা ৰাজহুৱা হোৱাৰ পাছতে সমগ্ৰ বিশ্বই ইৰানক নিন্দা কৰিছে। আমেৰিকাৰ এটি মানৱাধিকাৰ সংস্থাই প্ৰকাশ কৰা অনুসৰি বিগত এমাহত ইৰানৰ প্ৰশাসনে কমেও ৪৫ জন লোকক মৃত্যুদণ্ড বিহিলে। আনকি এদিনতে ১০ জন লোকক মৃত্যুদণ্ড বিহা বুলিও দাবী কৰিছে আমেৰিকাৰ মানৱাধিকাৰ সংস্থাটোৱে। যোৱা শনিবাৰে ইৰান প্ৰশাসনে এজন আৰক্ষীক হত্যাৰ অভিযোগত দোষী সাব্যস্ত হোৱা ইমান চাবজিকাৰ নামৰ এজন লোকক ৰাজহুৱা স্থানত ফাঁচী দিছিল। এখন ট্ৰাকৰ ওপৰত অস্থায়ী ফাঁচীকাঠত



চাবজিকাৰক মৃত্যুদণ্ড বিহিলে প্ৰশাসনে। এই ঘটনাৰ বিৰুদ্ধে ইতিমধ্যে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে নৰৱেৰ মানৱাধিকাৰ সংস্থা ইৰান হিউমেন ৰাইটছে। মানৱাধিকাৰ সংস্থাটোৱে কয় যে জনসাধাৰণক ভয় দেখুৱাই দমন কৰাৰ উদ্দেশ্যৰে ইৰান চৰকাৰে এইদৰে নৃশংস মধ্যযুগীয় শাস্তি বিহিলে।

# ২০২৪ লোকসভাৰ নিৰ্বাচনত দাক্ষিণাত্য জয়ৰ কৌশল প্ৰস্তুত মোদী-শ্বাহৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৬ জুলাই ঃ** ২০২৪ত দেশত অনুষ্ঠিত হ'বলগীয়া লোকসভাৰ নিৰ্বাচনক লৈ ইতিমধ্যে দেশৰ শাসকীয় বিজেপিয়ে প্ৰস্তুতি আৰম্ভ কৰিছে। উত্তৰ ভাৰতৰ ৰাজ্যসমূহত লোকসভাৰ আগন্তুক নিৰ্বাচনত দলৰ ফলাফল ভাল হ'ব বুলি একপ্ৰকাৰ নিশ্চিত হৈছে বিজেপিৰ শীৰ্ষ নেতৃত্ব। কিন্তু দেশৰ দক্ষিণৰ পাঁচখন ৰাজ্যক লৈ যথেষ্ট চিন্তিত বিজেপি। অৱশ্যে দাক্ষিণাত্যতো বিজেপিৰ প্ৰভাৱ বিস্তাৰৰ বাবে বিশেষ পৰিকল্পনা প্ৰস্তুত কৰাত ব্যস্ত হৈছে বিজেপিৰ শীৰ্ষ নেতৃত্ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডাই দক্ষিণ ভাৰতত



লোকসভাৰ নিৰ্বাচনত বিজেপিৰ প্ৰভাৱ বৃদ্ধি কৰিবলৈ বিশেষ ৰণকৌশল যুগুত কৰিছে। ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ এক বাতৰিত উল্লেখ কৰা অনুসৰি লোকসভাৰ নিৰ্বাচনলৈ প্ৰায় ডেৰ বছৰ থকাৰ সময়তে কেন্দ্ৰৰ শাসকীয় দলে দাক্ষিণাত্য বিজয়ৰ বাবে বিজেপিৰ প্ৰচাৰ কৌশল সলনি কৰাত গুৰুত্ব দিছে। তামিলনাড়ু, কেৰালা, কৰ্ণাটক, তেলেংগানা আৰু অন্ধ্ৰ প্ৰদেশত বিজেপিৰ প্ৰভাৱ বিস্তাৰ কৰিবলৈ ২০১৯ বৰ্ষতে এক কৌশল প্ৰস্তুত কৰিছিল কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহে। ৰাষ্ট্ৰীয় স্বয়ংসেৱক বাহিনী (আৰ এছ এছ)ৰ আদৰ্শ আৰু মোদীৰ চমকত ভৰসা কৰিয়ে শ্বাহে উক্ত ৰণকৌশল যুগুত কৰিছিল। অন্যান্য আঞ্চলিক দলৰ প্ৰতিষ্ঠিত নেতাক বিজেপিৰ অংশীদাৰী কৰা, আন ৰাজ্যৰ পৰা দলীয় নেতৃত্বক দক্ষিণ ভাৰতত পৰিচিত কৰোৱা, জনপ্ৰিয় চলচ্চিত্ৰ তাৰকাক বিজেপিত অন্তৰ্ভুক্ত কৰা আৰু আঞ্চলিক দলৰ বিভাজন ঘটাই বিজেপিৰ ভেটি শক্তিশালী কৰাৰ পৰিকল্পনা তিনি বছৰ পূৰ্বেই কেন্দ্ৰৰ শাসকীয় দলে গ্ৰহণ কৰিছিল। কিন্তু ইয়াৰ জৰিয়তে বিশেষ সফলতা লাভ নকৰাত ২০২৪ৰ লোকসভাৰ নিৰ্বাচনৰ বাবে কৌশল সলনি কৰাৰ সিদ্ধান্ত ল'লে বিজেপিয়ে। দেশৰ দক্ষিণৰ ৰাজ্যসমূহত প্ৰচাৰৰ ক্ষেত্ৰত উন্নয়নক মূল ইছ্যু হিচাপে ল'ব বিচাৰিছে বিজেপিয়ে। কৰ্ণাটকৰ বাহিৰে কেৰালা, তেলেংগানা, তামিলনাডু আৰু অন্ধ্ৰ প্ৰদেশত অঞ্চল ভিত্তিক প্ৰচাৰত বিজেপিয়ে এইবাৰ গুৰুত্ব দিব। বিশেষকৈ কেন্দ্ৰৰ বিভিন্ন উন্নয়ন আঁচনিসমূহে যাতে প্ৰতি অঞ্চলৰ লোকক সাঙুৰি ল'ব পাৰে এই কথাত বিজেপিয়ে বিশেষ গুৰুত্ব দিছে। দক্ষিণ ভাৰতত বিজেপিৰ প্ৰতি জনসাধাৰণৰ আকৰ্ষণ বৃদ্ধি কৰিবলৈ এক কৌশল হিচাপে কিছুদিন পূৰ্বে বিজেপিয়ে ৰাজ্যসভালৈ মনোনীত কৰিছিল খ্যাতনামা ক্ৰীড়াবিদ পি টি উষা, সংগীতশিল্পী ইলায়াৰাজা, সমাজসেৱক বীৰেন্দ্ৰ হেগড়ে আৰু চিত্ৰনাট্যকাৰ কে ভি বিজয়েন্দ্ৰ প্ৰসাদক।

## মংকীপক্সত আক্ৰান্ত সন্দেহজনক মহিলা ৰোগীৰ সন্ধান বিহাৰত



**নিউজ ব্যুৰ', পাটনা, ২৬ জুলাই ঃ** বিহাৰত মংকীপক্সত আক্ৰান্ত প্ৰথমজন সন্দেহজনক ৰোগীক চিনাক্ত কৰা হ'ল। পাটনাৰ গোডহট্টা অঞ্চলৰ নিবাসী এগৰাকী মহিলাৰ শৰীৰত মংকীপক্সৰ উপসৰ্গই দেখা দিছে। স্বাস্থ্য বিভাগে মহিলাগৰাকী মংকীপক্সত আক্ৰান্ত হোৱা বুলি সন্দেহ কৰিছে। ইতিমধ্যে উক্ত মহিলাৰ শৰীৰৰ পৰা প্ৰয়োজনীয় নমুনা সংগ্ৰহ কৰি পৰীক্ষণৰ বাবে পুনেৰ নেচনেল ইনষ্টিটিউট অব ভাইৰ'লজিলৈ প্ৰেৰণ কৰা হৈছে। মহিলাগৰাকীক সম্প্ৰতি চিকিৎসকে নিৰীক্ষণত ৰাখিছে। উল্লেখ্য যে ভাৰতত প্ৰথমে কেৰালাত মংকীপক্সৰ সংক্ৰমণ ধৰা পৰিছিল। কেৰালাত তিনিজনকৈ লোকৰ শৰীৰত মংকীপক্সৰ সংক্ৰমণ চিনাক্ত কৰাৰ পাছত দিল্লীত আন এজন লোকৰ শৰীৰত এই ভাইৰাছৰ সংক্ৰমণ ধৰা পৰিছিল। কেৰালাৰ তিনিজন লোকে বিদেশ ভ্ৰমণৰ জৰিয়তে মংকীপক্সত সংক্ৰমিত হৈছিল যদিও দিল্লীৰ আক্ৰান্তৰ বিদেশ ভ্ৰমণৰ কোনো ইতিহাস নাছিল।

## ৰাজ্যৰ সন্মতিতে লোৱা হৈছিল দৈ-লচ্চীত জি এছ টি আৰোপৰ সিদ্ধান্ত



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৬ জুলাই ঃ** যোৱা ১৮ জুলাইৰ পৰা ভাৰতত আটা, চাউল, দাইল, দৈ, লচ্চী, গাখীৰ ইত্যাদি খাদ্য সামগ্ৰীৰ মূল্য বৃদ্ধি পালে। চৰকাৰে পেকেটত উপলব্ধ এনেবোৰ খাদ্য সামগ্ৰীত পাঁচ শতাংশ সামগ্ৰী আৰু সেৱা কৰ (জি এছ টি) আৰোপ কৰাৰ ফলত নিত্য ব্যৱহাৰ্য খাদ্য সামগ্ৰীৰ মূল্য বৃদ্ধি পালে। খাদ্য সামগ্ৰীত এইদৰে কেন্দ্ৰৰ চৰকাৰে জি এছ টি আৰোপ কৰাক লৈ সংসদৰ চলিত বৰ্ষাকালীন অধিবেশনত বিৰোধীয়ে তীব্ৰ প্ৰতিবাদ অব্যাহত ৰাখিছে। এনে পৰিস্থিতিতে আজি ৰাজ্যসভাত কেন্দ্ৰীয় বিত্ত ৰাজ্যমন্ত্ৰী পংকজ চৌধুৰীয়ে কয় যে দৈ, লচ্চীসহ বিভিন্ন খাদ্য সামগ্ৰীত জি এছ টি আৰোপ কৰাৰ সিদ্ধান্ত বিভিন্ন ৰাজ্যৰ মন্ত্ৰী গোটৰ বৈঠকত সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা হৈছিল। চৌধুৰীয়ে ৰাজ্যসভাৰ প্ৰশ্নকালত এই তথ্য সদৰী কৰে। কেন্দ্ৰীয় মন্ত্ৰীজনে কয় যে জি এছ টি পৰিষদৰ লক্ষ্ণৌত অনুষ্ঠিত হোৱা ৪৫ সংখ্যক বৈঠকত বিভিন্ন ৰাজ্যৰ মন্ত্ৰীৰ গোটে সৰ্বসন্মতিক্ৰমে নিত্য ব্যৱহাৰ্য খাদ্য-সামগ্ৰীত জি এছ টি আৰোপৰ সিদ্ধান্ত লৈছিল। উক্ত বৈঠকত কৰ্ণাটক, বিহাৰ, কেৰালা, গোৱা, উত্তৰ প্ৰদেশ, ৰাজস্থান, পশ্চিমবংগৰ দৰে ৰাজ্যৰ মন্ত্ৰী উপস্থিত আছিল।

## কপালত তিলক, ডিঙিত ৰুদ্ৰাক্ষ পিন্ধি সোমনাথ দৰ্শন কেজৰিৱালৰ

**নিউজ ব্যুৰ', আহমেদাবাদ, ২৬ জুলাই ঃ** দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টি (আপ)ৰ মুৰব্বী অৰবিন্দ কেজৰিৱাল ভ্ৰমণাৰ্থে গুজৰাটত আছে। গুজৰাটত উপস্থিত হোৱাৰ পাছত কেজৰিৱালে প্ৰথমে সোমনাথ মন্দিৰ দৰ্শন কৰি পূজা-অৰ্চনা কৰিলে। গুজৰাট ভ্ৰমণত এইবাৰ সম্পূৰ্ণ পৃথক ৰূপত প্ৰত্যক্ষ হ'ল দিল্লীৰ মুখ্যমন্ত্ৰীজনে। সোমনাথ মন্দিৰ দৰ্শন কৰা কেজৰিৱালে কপালত তিলক অংকণ কৰোৱাৰ লগতে ডিঙিত পৰিধান কৰিছিল ৰুদ্ৰাক্ষ মালা। গুজৰাটত চলিত বৰ্ষৰ অন্তিম ভাগত বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু এই নিৰ্বাচনত আপে প্ৰতিদ্বন্দ্বিতা কৰিব। সেয়েহে কেজৰিৱালে নিজৰ দলৰ ভেটি গুজৰাটত শক্তিশালী কৰিবলৈ উঠি পৰি লাগিছে। গুজৰাটবাসীক আকৰ্ষিত কৰিবলৈ আপৰ মুৰব্বীয়ে নৰম হিন্দুত্ব নীতি অৱলম্বন কৰা দেখা গৈছে। সেয়েহে কেজৰিৱালে গুজৰাটত উপস্থিত হোৱাৰ পাছতে মন্দিৰ দৰ্শন কৰি গুজৰাটবাসীলৈ আপৰ হৈ এক বাৰ্তা প্ৰেৰণ কৰিলে। মন্দিৰ দৰ্শন কৰাৰ পাছত কেজৰিৱালে কয় যে তেওঁ দেশ আৰু গুজৰাটৰ শান্তিৰ বাবে প্ৰাৰ্থনা কৰিলে। কেজৰিৱালে গুজৰাটত দলৰ কে'বাখনো সভাত অংশ লয়।



## অৰ্পিতাৰে যৌথভাৱে একাধিক সম্পত্তি ক্ৰয় কৰিছিল শিক্ষামন্ত্ৰী পাৰ্থই ঃ ই ডিৰ তথ্য



**নিউজ ব্যুৰ', কলকাতা, ২৬ জুলাই ঃ** পশ্চিমবংগৰ এছ এছ চিৰ নিযুক্তি কেলেংকাৰিৰ গোচৰত প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ গ্ৰেপ্তাৰ কৰা ৰাজ্যখনৰ শিক্ষামন্ত্ৰী পাৰ্থ চেটাৰ্জী আৰু তেওঁৰ বান্ধৱী অভিনেত্ৰী অৰ্পিতা মুখাৰ্জী ১০ দিনৰ বাবে জিম্মাত ল'লে কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৱে। ই ডিয়ে দাবী কৰা অনুসৰি পাৰ্থ আৰু অৰ্পিতাৰ সম্পৰ্ক ১০ বছৰ পুৰণি আৰু বিগত সময়ছোৱাত দুয়োজনে যৌথভাৱে একাধিক সা-সম্পত্তি ক্ৰয় কৰিছিল। শান্তি নিকেতনত থকা পাৰ্থৰ এটা বাসগৃহৰ নাম হৈছে 'অপা'। ই ডিয়ে দাবী কৰা অনুসৰি অৰ্পিতা-পাৰ্থৰ নামৰ আদ্যাক্ষৰ অনুসৰি এই নামকৰণ কৰা হৈছিল। ই ডিৰ সূত্ৰৰ খবৰ অনুসৰি, সমগ্ৰ পশ্চিমবংগত বহু সা-সম্পত্তি আছে পাৰ্থ-অৰ্পিতাৰ নামত। ইয়াৰে একাংশ সম্পত্তি এজনৰ নামত আৰু আন একাংশ যৌথ নামত আছে। উল্লেখ্য যে পাৰ্থক গ্ৰেপ্তাৰৰ পাছত তেওঁৰ ঘনিষ্ঠ অৰ্পিতাৰ বাসগৃহত ই ডিয়ে অভিযান চলাই নগদ ২১ কোটি টকা আৰু কে'বালাখ টকাৰ সোণ জব্দ কৰিছিল।

## দেশলৈ উভতিছে শান্তি, হিন্দু-শিখক আফগানিস্তানলৈ প্ৰত্যাৱৰ্তনৰ আহ্বান তালিবানৰ

**নিউজ ব্যুৰ', কাবুল, ২৬ জুলাই ঃ** তালিবানে দাবী কৰা অনুসৰি আফগানিস্তানৰ নিৰাপত্তা সমস্যাৰ ইতিমধ্যে সমাধান কৰা হ'ল। সেয়েহে সংখ্যালঘু হিন্দু আৰু শিখসকলক আফগানিস্তানলৈ উভতি আহিবলৈ আহ্বান জনালে তালিবান চৰকাৰে। আফগানিস্তানৰ চীফ অব ষ্টাফৰ কাৰ্যালয় টুইট কৰি দেশখনৰ সংখ্যালঘুসকলক স্বদেশলৈ প্ৰত্যাৱৰ্তন কৰিবলৈ আহ্বান জনালে। তালিবানৰ প্ৰতিনিধি ড° মোল্লা আব্দুল ৱেইছিয়ে কাবুলত হিন্দু আৰু শিখ নেতাৰ এটা প্ৰতিনিধি দলক সাক্ষাৎ কৰাৰ সময়ত কয় যে যিসকল ভাৰতীয় আৰু শিখে নিৰাপত্তাৰ চিন্তাত আফগানিস্তান ত্যাগ কৰিছিল তেওঁলোকে এতিয়া নিশ্চিন্ত মনৰে প্ৰত্যাৱৰ্তন কৰিব পাৰিব। দেশত



নিৰাপত্তা প্ৰতিষ্ঠা হোৱাৰ ফলত হিন্দু আৰু শিখসকলে নিৰ্ভয়ে আফগানিস্তানলৈ আহিব পাৰিব বুলি তালিবানৰ প্ৰতিনিধিজনে দাবী কৰে। উল্লেখ্য যে তালিবানে আফগানিস্তানৰ ক্ষমতা পুনৰ দখল কৰাৰ পাছত দেশখনত বহু হিন্দু আৰু শিখে পলায়ন কৰিবলৈ বাধ্য হৈছিল।

# বীণাপাণি জ্যোতিষ কাৰ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সাজ-পোছাক বিতৰণ অনুষ্ঠান



**অগ্ৰদূত বাৰ্তা**
**পলাশবাৰী, ২৬ জুলাইঃ** দক্ষিণ কামৰূপৰ পলাশবাৰীৰ দখলাত বীণাপাণি জ্যোতিষ কাৰ্যালয়ৰ উদ্যোগত কালি এক অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাজ-পোছাক বিতৰণ অনুষ্ঠান অনুষ্ঠিত হয়। বীণাপাণি জ্যোতিষ কাৰ্যালয়ৰ স্বত্বাধিকাৰী অপূৰ্ব দেৱ শৰ্মাৰ একক প্ৰচেষ্টাত জ্যোতিষী কাৰ্যৰ উপৰি সমাজসেৱামূলক মনোভাবেৰে দৰিদ্ৰ কৃতী ছাত্ৰ-ছাত্ৰীসকলক বিনামূলীয়াকৈ সাজ-পোছাক বিতৰণ কাৰ্যসূচী হাতত লয়। এই উপলক্ষে সমাজসেৱক ধৰ্মেশ্বৰ বড়োৰ সভাপতিত্ব অনুষ্ঠিত সভাৰ উদ্দেশ্যে ব্যাখ্যা কৰে বীণাপাণি জ্যোতিষ কাৰ্যালয়ৰ স্বত্বাধিকাৰী অপূৰ্ব দেৱ শৰ্মাই। সভাৰ মঞ্চ উদ্বোধন কৰে সাংবাদিক বলেন কলিতাই। অনুষ্ঠানত মুখ্য অতিথিৰূপে অমৃত চন্দ্ৰ ঠাকুৰীয়া কমাৰ্চ কলেজৰ অধ্যক্ষ সমীৰণ শৰ্মা, অধিবক্তা কিশোৰ কুমাৰ জৈন, শিক্ষক অখিল চন্দ্ৰ কলিতা, জ্যেষ্ঠ এ এন এম কল্যাণী কলিতা, হোমেন মেধি সাংবাদিক মিলন মহন্ত, বিশ্বজিৎ দাস, অধ্যাপক দিলীপ মেধি, অধ্যাপিকা জেউতি দাস উপস্থিত থাকি জ্যোতিষ অপূৰ্ব দেৱ শৰ্মাৰ এনে পদক্ষেপক আদৰণি জনোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি প্ৰেৰণামূলক ভাষণ প্ৰদান কৰে। অঞ্চলটোৰ ৰাইজ তথা শুভকাংক্ষীসকল উপস্থিত থকা সভাখনত দক্ষিণ কামৰূপ অঞ্চলৰ প্ৰায় শতাধিক দুখীয়া ছাত্ৰ-ছাত্ৰীক সাজ- পোছাক বিতৰণ কৰাৰ লগতে অঞ্চলটোৰ নাগাৰা বাদক, কণ্ঠশিল্পী আৰু জ্যেষ্ঠ নাগৰিকক সম্বৰ্ধনা জনোৱা হয়। বীণাপাণি জ্যোতিষ কাৰ্যালয়ৰ স্বত্বাধিকাৰী অপূৰ্ব দেৱ শৰ্মাৰ এনে প্ৰচেষ্টাক সকলোৱে ভূয়সী প্ৰশংসা কৰাৰ লগতে ভৱিষ্যতে এনেধৰণৰ প্ৰচেষ্টা অব্যাহত ৰাখিবলৈ আহ্বান জনাইছে।

# সোণাপুৰত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা



**অগ্ৰদূত বাৰ্তা**
**সোণাপুৰ, ২৬ জুলাই ঃ** সোণাপুৰ আৰক্ষী থানা অঞ্চলৰ পৰা এইবেলি হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ১১ খন বিদ্যালয়ৰ ৫১ গৰাকী কৃতীমান ছাত্ৰ-ছাত্ৰীক কালি সোণাপুৰ আৰক্ষী থানা আৰু গাঁওৰক্ষী বাহিনীয়ে সম্বৰ্ধনা জনায়। এই উপলক্ষে ট্ৰাইচেম ভৱনত অনুষ্ঠিত অনুষ্ঠানত কৃতী ছাত্ৰ-ছাত্ৰীসকলক ফুলাম গামোচা, মানপত্ৰ আৰু এখনকৈ অভিধানেৰে সম্বৰ্ধনা জনোৱা হয়। তদুপলক্ষে অনুষ্ঠানত পূব-কামৰূপ জিলাৰ উপ-আৰক্ষী আয়ুক্ত সুধাকৰ সিং, ষ্টাৰ চিমেণ্ট কাৰখানাৰ সহকাৰী পৰিচালন সঞ্চালিকা সুকন্যা গোস্বামী, সোণাপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱব্ৰত খনিকৰ, সোণাপুৰ সাহিত্য সবাৰ সভাপতি অজিত দত্ত, চক্ৰ বিষয়া গোপাল শৰ্মা, সোণাপুৰৰ সহকাৰী আৰক্ষী আয়ুক্ত সুকন্যা দাস, সোণাপুৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নৰজিৎ নাথ, আছুৰ সাংগঠনিক সম্পাদক দিব্যজ্যোতি মেধি, সমাজসেৱী আব্দুল হান্নান প্ৰমুখ্যে বিশিষ্ট লোকসকল উপস্থিত থাকে।

# তিনিচুকীয়াত ২৭-৩০ জুলাইত 'উজ্জ্বল ভাৰত উজ্জ্বল ভৱিষ্যৎ' শীৰ্ষক ৰাজহুৱা সভা

**অগ্ৰদূত বাৰ্তা**
**ডুমডুমা, ২৬ জুলাই ঃ** ভাৰতবৰ্ষৰ স্বাধীনতাৰ ৭৫ বৰ্ষৰ অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি অহা ২৭ আৰু ৩০ জুলাইত ভাৰতৰ কেন্দ্ৰীয় শক্তি মন্ত্ৰালয় আৰু অসম চৰকাৰৰ যৌথ উদ্যোগত বিজুলী মহোৎসৱ উপলক্ষে উজ্জ্বল ভাৰত উজ্জ্বল ভৱিষ্যত' শীৰ্ষক দুখনকৈ ৰাজহুৱা সভাৰ আয়োজন কৰা হৈছে। এই ৰাজহুৱা সভাৰ প্ৰথমখন ২৭ জুলাইত মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ টিপংপানীত আৰু দ্বিতীয়খন ৩০ জুলাইত শদিয়া বিধানসভা সমষ্টিৰ শংকৰ চাহ বাগিচাত অনুষ্ঠিত হ'ব। প্ৰথমবাৰলৈ আয়োজিত 'বিজুলী মহোৎসৱ'ৰ দুয়োখন ৰাজহুৱা সভাতে স্থানীয় বিধায়কসকলৰ লগতে জিলা উপায়ুক্ত নৰসিং পৱাৰ, শক্তি বিভাগ তথা উত্তৰ-পূব বৈদ্যুতিক শক্তি নিগমৰ (নীপকো) শীৰ্ষ বিষয়াসকল আৰু স্থানীয় বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকিব। 'বিজুলী মহোৎসৱ'ৰ লগত সংগতি ৰাখি জিলাখনৰ বিভিন্ন স্থানত সাংস্কৃতিক কাৰ্যসূচীৰ লগতে বাটৰ নাট, চুটি ছবি আদিও প্ৰদৰ্শন কৰা হ'ব। দুয়োখন ৰাজহুৱা সভাতে কেন্দ্ৰীয় চৰকাৰৰ সৌভাগ্য আঁচনি তথা দীনদয়াল উপাধ্যায় গ্ৰামজ্যোতি যোজনাৰ হিতাধিকাৰীসকলৰ স'তে মত বিনিময়ত কৰা হ'ব বুলি জিলা প্ৰশাসনৰ হৈ তথ্য আৰু জনসংযোগ বিষয়া মামুন বৰকটকীয়ে জানিবলৈ দিছে।

# গুৰুজী যোগেশ শৰ্মা সোঁৱৰণী একাংক নাট প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

**অগ্ৰদূত বাৰ্তা**
**টিহু, ২৬ জুলাই ঃ** অসম নাট্য সন্মিলনৰ টিহু শাখাৰ উদ্যোগত কালি সন্ধিয়াৰ পৰা পুৱতি নিশালৈ চলা সদৌ অসম ভিত্তিত গুৰুজী যোগেশ শৰ্মা সোঁৱৰণী একাংক নাট প্ৰতিযোগিতাৰ ফলাফলসমূহ কালি ঘোষণা কৰা হয়। টিহুৰ ঐতিহ্যমণ্ডিত মহাত্মা গান্ধী ভৱনত অনুষ্ঠিত একাংক নাট প্ৰতিযোগিতাৰ বিচাৰকৰ দায়িত্ব পালন কৰে বিশিষ্ট নাট্যশিল্পী মুকুল ইডিপাছ আৰু মৃণাল কুমাৰ বৰাই। ফলাফল অনুসৰি নাট্য প্ৰতিযোগিতাত প্ৰথম শ্ৰেষ্ঠ দল 'জেংৰাই অসম, মঙলদৈ', দ্বিতীয় শ্ৰেষ্ঠ দল 'নৱদ্বীপ অসম, ভালুকী', তৃতীয় শ্ৰেষ্ঠ দল 'প্ৰজন্ম, নলবাৰী', শ্ৰেষ্ঠ নাট্যকাৰ জেংৰাই অসমৰ বিশ্বজিৎ ডেকা, শ্ৰেষ্ঠ পৰিচালক প্ৰজন্ম নলবাৰীৰ কিশোৰ চক্ৰৱৰ্তী, শ্ৰেষ্ঠ অভিনেতা-অভিনেত্ৰী ৰং বৰপেটাৰ অনিৰুদ্ধ পাঠক আৰু হিমাক্ষী দাস, শ্ৰেষ্ঠ সহ অভিনেতা জেংৰাই অসমৰ সীমান্ত ৰাজবংশী, শ্ৰেষ্ঠ কৌতুক অভিনেতা প্ৰজন্ম নলবাৰীৰ দিগন্ত ভড়ালী, শ্ৰেষ্ঠ শিশু শিল্পী দি কালচাৰেল একাডেমীৰ দিক্ষু পাঠক, শ্ৰেষ্ঠ কলা নিৰ্দেশক ৰং বৰপেটাৰ নিৰ্জুৰাজ দাস, শ্ৰেষ্ঠ পোহৰ নিৰ্দেশক নৱদ্বীপ অসমৰ দীনেশ দাস, শ্ৰেষ্ঠ সংগীত পৰিচালক নৱদ্বীপ অসমৰ উতপল-অনুপ। উল্লেখ্য যে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা দল আৰু নাটসমূহ হৈছে ক্ৰমে প্ৰজন্ম নলবাৰীৰ 'নিংনি', ৰং বৰপেটাৰ 'মাঁ', ডি কালচাৰেল একাডেমী গুৱাহাটীৰ 'ভোক', জেংৰাই অসম মঙলদৈৰ' ডিগনিটি এৰ লেবাৰ', নৱদ্বীপ অসম ভালুকীৰ 'অন্য এক তেজীমলা', অসম নাট্য সন্মিলন কলিয়াবৰ শাখাৰ 'ভয়', অসম নাট্য সন্মিলন যুৱজ্যোতি সংঘ ফটাশিল শাখাৰ 'খাকী খাদীৰ খেল' জাগীৰোড মহাবিদ্যালয় নাট শাখাৰ 'কেঁকোৰা' আৰু শিল্প চ'ৰা কলিয়াবৰৰ 'সংলাপ'।

# আমিনগাঁও আইচিডিত ভয়াবহ অগ্নিকাণ্ড

## ■ আন্তঃদেশীয় ধাৰক ভঁৰাল যোগান পৰিসীমিতত নাই সুৰক্ষা বিধি

**অগ্ৰদূত বাৰ্তা**
**উত্তৰ গুৱাহাটী, ২৬ জুলাই ঃ** আমিনগাঁও আইচিডিত যোৱা ২৪ জুলাইৰ নিশা ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। আমিনগাঁও আন্তঃদেশীয় যোগনিয়াৰ ভঁৰাল আইলেণ্ড কণ্টেইনাৰ ডিপ'টত নিশা কৰ্মৰত অৱস্থাত ৰহস্যজনকভাৱে বিধ্বংসী অগ্নিকাণ্ড সংঘটিত হয়। এখন হাইড্ৰ'লিক ক্ৰেনেৰে কণ্টেইনাৰৰ পৰা টাইলচ খালী কৰি থকা অৱস্থাত বিস্ফোৰণ হয়। ক্ৰেনখনৰ ইন্ধনত জুই লগাত অধিক ভয়াবহ হয় জুই। এই অগ্নিকাণ্ডৰ ঘটনাত এখন হাইড্ৰ'লিক ক্ৰেনসহ এটা কণ্টেইনাৰ সম্পূৰ্ণৰূপে ভস্মীভূত হয়। ক্ৰেনখনেৰে কণ্টেইনাৰটো ৰেলৰ পৰা নমাই থকাৰ সময়তেই সংঘটিত হয় এই ঘটনা। আমিনগাঁও আৰক্ষীৰ তৎপৰতাত, সাতখনকৈ অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ীৰে অগ্নি নিৰ্বাপণ কৰিবলৈ সক্ষম হয়। প্ৰায় দুঘণ্টা সময়ৰ প্ৰয়োজন হোৱা এই অগ্নিকাণ্ডৰ ঘটনাত আতংকৰ সৃষ্টি হয় সমগ্ৰ অঞ্চলটোত। প্ৰায় ডেৰ কোটি টকাৰ ক্ষতি হয় বুলি অনুমান কৰা হৈছে যদিও ততোধিক হ'ব পাৰে। আন্তঃদেশীয় প্ৰতিষ্ঠানটোত সুৰক্ষাৰ কোনো ব্যৱস্থা নথকাৰ বাবে পৰিস্থিতি নিয়ন্ত্ৰণত পলম হয়। অসুৰক্ষিত প্ৰতিষ্ঠানটোত পূৰ্বতেও দুৰ্ঘটনা হৈ কে'বাজনো শ্ৰমিকৰ মৃত্যু হৈছে। তৎসত্বেও সুৰক্ষাবিহীনভাৱে চলিছে আইচিডিৰ যোগনিয়াৰ কাম-কাজ। এনেধৰণৰ ব্যৱস্থাই ভৱিষ্যতে স্থানীয় গাঁওবাসীৰো বিপদ ঘটাব, সেয়া নিশ্চিত হৈ পৰিছে। তদুপৰি প্ৰতিষ্ঠানটোত শ্ৰম আইন উলংঘাৰ অভিযোগ উত্থাপিত হৈ আহিছে।

# কমলপুৰত যুৱতীক হত্যাৰ অপচেষ্টা

**অগ্ৰদূত বাৰ্তা**
**কমলপুৰ, ২৬ জুলাই ঃ** কমলপুৰ আৰক্ষী থানাৰ অন্তৰ্গত এগৰাকী যুৱতীক হত্যাৰ অপচেষ্টা কমলপুৰ আৰক্ষী থানাৰ অন্তৰ্গত পানীটেমাত সংঘটিত হয়। কুঠাৰেৰে নিজৰ ঘাটমাউৰা ভতিজা ছোৱালীক হত্যাৰ অপচেষ্টা চলাইছিল ফুলেশ্বৰ ডেকা নামৰ ব্যক্তিগৰাকীয়ে। নিজৰ ঘৰতে মাটি-বাৰীক লৈ সংঘটিত হৈছিল এই কাণ্ড। খুৰাক ফুলেশ্বৰে কুঠাৰেৰে এঘাপ মাৰিয়ে শান্ত নাথাকি পুনৰবাৰ আক্ৰমনৰ চেষ্টা চলাইছিল যদিও সফল নহ'ল। পাছত যুৱতীগৰাকীয়ে চুবুৰীয়াৰ স'তে চিকিৎসালয়লৈ আহি চিকিৎসা গ্ৰহণ কৰাৰ লগতে কমলপুৰ আৰক্ষী থানাত ঘটনা সন্দৰ্ভত এক গোচৰ ৰুজু কৰে। যুৱতীগৰাকীৰ এজাহাৰৰ ভিত্তিত কমলপুৰ আৰক্ষীয়ে ফুলেশ্বৰ ডেকাক আটক কৰি জেললৈ প্ৰেৰণ কৰে। উল্লেখনীয় যে পূৰ্বেও ফূলেশ্বৰে আক্ৰমণৰ চেষ্টা চলাইছিল।

# কঠিয়াতলিত তিৱা ছাত্ৰ সন্থাৰ সম্বৰ্ধনা অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**
**পুৰণিগুদাম, ২৬ জুলাই ঃ** নগাঁও জিলাৰ কঠিয়াতলি আঞ্চলিক তিৱা ছাত্ৰ সন্থাৰ উদ্যোগত উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক কালি সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা অনুষ্ঠানত কৃতিত্বৰে উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলৰ উত্তৰণৰ ক্ষেত্ৰত ভাষণ প্ৰদান কৰে মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে। অনুষ্ঠানত তিৱা স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ, তিৱা স্বায়ত্ত পৰিষদৰ অধ্যক্ষ মদন বৰদলৈ, প্ৰাক্তন অধ্যক্ষ জিতেন্দ্ৰ নাথ হাজৰিকাকে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। ভূপেশ দাৰফাঙে সভাপতিত্ব কৰা সম্বৰ্ধনা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে আঞ্চলিক তিৱা ছাত্ৰ সন্থাৰ সভাপতি দীপাংকৰ পাটৰ আৰু সভাৰ আঁত ধৰে তিৱা ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি দীপক বৰদলৈয়ে।



*ডুমডুমাত অনুষ্ঠিত জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আসামৰ প্ৰতিষ্ঠা দিৱসৰ দৃশ্য।*

# বৰ্ষাশ্ৰীৰ পাছতে বিতুপন চাংমাইক কাৰামুক্ত কৰিবলৈ দাবী তাই আহোম ছাত্ৰ সন্থাৰ

**অগ্ৰদূত বাৰ্তা**
**আমগুৰি, ২৬ জুলাই ঃ** কবিতা লিখি কাৰাগাৰৰ অন্ধকাৰ কুঠৰীত দিন অতিবাহিত কৰিব লগা হোৱা বৰ্ষাশ্ৰী বুঢ়াগোহাঁইৰ মুক্তিৰ পাছতে এইবাৰ চৰ্চাত আহিছে আমগুৰিৰ চামগুৰি জেহেনীয়া গাঁৱৰ বিতুপন চাংমাইৰ প্ৰসংগ। বৰ্ষাশ্ৰী বুঢ়াগোহাঁই গ্ৰেপ্তাৰৰ এদিনৰ পাছতে আমগুৰি প্ৰশাসনে গ্ৰেপ্তাৰ কৰি গোচৰ নম্বৰ ৫৩/২০২২ৰ অধীনত ভাৰতীয় দণ্ডবিধিৰ ১২০ (বি)/১২১/১২১ (এ) আৰু ইউএপিএ আইন ১০/১৩ৰ অধীনত জেললৈ প্ৰেৰণ কৰে যাৰ ফলত যোৱা ৬৭ টা দিন কাৰাগাৰৰ অন্ধকাৰ কুঠৰীত দিন অতিবাহিত কৰিছে। বৰ্তমান বৰ্ষাশ্ৰী মুকলি আকাশৰ তললৈ অহাৰ পাছতে বিভিন্ন প্ৰচাৰ মাধ্যমত চৰ্চালৈ আহিছে বিতুপনৰ প্ৰসংগ। পিতৃ পুতুল চাংমাই আৰু মাতৃ ডেইজী চাংমাইৰ একমাত্ৰ সন্তান বিতুপনৰ অবিহনে চকুলো টুকি দিন কটাইছে।

ইফালে, আৰ্থিকভাৱে দুৰ্বল গাঁৱৰ এজন খেতিয়ক পিতৃয়ে পুত্ৰৰ জামিনৰ বাবে অৰ্থৰ অভাৱত আগবাঢ়িব পৰা নাই। বৰ্ষাশ্ৰীৰ মুক্তিৰ পাছত বিষয়টি সামাজিক মাধ্যমযোগে বিভিন্ন পক্ষৰ দৃষ্টিগোচৰ কৰোৱা সদৌ তাই আহোম ছাত্ৰ সন্থা আমগুৰি আৰু চামগুৰি আঞ্চলিক সমিতিৰ বিষয়ববীয়াসকল আইনী সহায়ৰ বাবে পৰিয়ালটোৰ কাষত থিয় দিছে। সেই উদ্দেশ্য আগত ৰাখিয়ে আজি দিনৰ ভাগত শিৱসাগৰ জিলা ন্যায়ালয়ত আটাছু আৰু কৃষক মুক্তি সংগ্ৰাম সমিতিৰ এটি প্ৰতিনিধি দল উপস্থিত হৈ অধিবক্তাৰ লগত বিষয়টি আলোচনা কৰে আৰু বিতুপনৰ পিতৃক লগত লৈ আটাছু আমগুৰি আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক গৌতম দিহিংগীয়াই জিলা কাৰাগাৰত বিতুপনক সাক্ষাৎ কৰি জামিনৰ আবেদনৰ বাবে প্ৰয়োজনীয় স্বাক্ষৰ সংগ্ৰহ কৰে। বিতুপন আটাছু চামগুৰি আঞ্চলিক সমিতিৰ এজন সক্ৰিয় বিষয়ববীয়া আছিল। সেয়ে পৰৱৰ্তী সময়ত বিতুপনৰ মুক্তিৰ বাবে প্ৰয়োজনীয় আইনী সাহায্য আটাছুৰ তৰফৰ পৰা আগবঢ়োৱাৰ কথা আটাছুৰ শিৱসাগৰ জিলাৰ উচ্চপৰ্যায়ৰ বিষয়ববীয়াসকলে সংবাদ মাধ্যমক অৱগত কৰাৰ লগতে বিতুপনৰ মুক্তিৰ বাবে সহযোগিতা আগবঢ়োৱা সকলো পক্ষক ধন্যবাদ জ্ঞাপন কৰে।

# বাগ্‌সাত আদিবাসী ছাত্ৰ সন্থাৰ বিজয় উৎসৱ

**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ২৬ জুলাই ঃ** প্ৰথমবাৰৰ বাবে আদিবাসী মহিলা দ্ৰৌপদী মুৰ্মুই দেশৰ ১৫ সংখ্যক ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত হোৱাৰ পাছতেই বাগ্‌সাৰ শালবাৰীৰ ফাতেমাবাদ চাহ বাগিচা খেল পথাৰত সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ আছাৰ বাঁহবাৰী আঞ্চলিক সমিতিৰ উদ্যোগত এক বিজয় উৎসৱ উদ্‌যাপন কৰা হয়। সংগঠনটোৰ কেন্দ্ৰীয়, জিলা আৰু বাঁহবাৰী আঞ্চলিক সমিতিৰ বিষয়ববীয়া-কৰ্মকৰ্তাসকলৰ লগতে স্থানীয় আদিবাসী ৰাইজে আতচবাজী ফুটাই আদিবাসী গীত গাই গীতৰ তালে- তালে নাচি-বাগি আনন্দ উল্লাস কৰে। উল্লেখ্য যে সংগঠনটোৱে আনন্দ উল্লাসৰ মাজৰ পৰাই আদিবাসীসকলক চৰকাৰে শীঘ্ৰেই জনজাতিকৰণৰ মৰ্যাদা দিব লাগে বুলিও আজিৰ কাৰ্যসূচীৰ জৰিয়তে দাবী উত্থাপন কৰে।

# গোৰ্খাসকলে গুলিৰ সন্মুখত বুকু পাতি আহিছে, পিঠি পতা নাই

## ■ নাহৰকটীয়াত গোৰ্খা ছাত্ৰ সন্থাৰ উদ্যোগত বিশেষ অভিনন্দন অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**
**নাহৰকটীয়া, ২৬ জুলাইঃ** 'বৃহত্তৰ অসমীয়া জাতি গঠনত অসমত বসবাস কৰা জনগোষ্ঠীসমূহৰ ভিতৰত গোৰ্খা জনগোষ্ঠীৰ অন্যতম অৱদান আছে।' যোৱা ২৪ জুলাইত নাহৰকটীয়া মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত আৰু নাহৰকটীয়া আঞ্চলিক সমিতিৰ সহযোগত উচ্চ আৰু উচ্চতৰ মাধ্যমিক (কলা, বিজ্ঞান আৰু বাণিজ্য) শাখাৰ সদ্যঘোষিত ফলাফলত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱাৰ উদ্দেশ্যে অনুষ্ঠিত 'বিশেষ অভিনন্দন অনুষ্ঠান'ত এই বক্তব্য দাঙি ধৰে সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই। তেওঁ লগতে কয় যে গোৰ্খা জনগোষ্ঠীৰ প্ৰতিটো অনুষ্ঠানতে তেওঁ অংশগ্ৰহণ কৰিবলৈ চেষ্টা কৰে কিয়নো গোৰ্খা জনগোষ্ঠী এনে এটা জনগোষ্ঠী যিটো জনগোষ্ঠীৰ ১০০ শতাংশ লোকেই ২০০১ৰেই হওক বা ২০১১ৰ লোকপিয়লতেই হওক সগৌৰৱেৰে বুকু ফিন্দাই নিজৰ মাতৃভাষা অসমীয়া বুলি লিখি আহিছে। যাৰ বাবে গোৰ্খা জনগোষ্ঠীক আছুৰ সাধাৰণ সম্পাদকজনে অতি শ্ৰদ্ধা আৰু



সন্মান কৰে। তেওঁ আৰু কয় যে গোৰ্খা জনগোষ্ঠীটো এনেকুৱা এটা সাহসী জনগোষ্ঠী যি স্বাধীনতা আন্দোলনতে হওক বা অসম আন্দোলনতেই হওক গুলিৰ সন্মুখত বুকু পাতি আহিছে, পিঠি পতা নাই। যাৰ বাবেই অসম আন্দোলনৰ প্ৰথমগৰাকী মহিলা ছহিদ হৈছে বৈজয়ন্তী দেৱী উপাধ্যায়, যি অসমীয়া জাতি ৰক্ষাৰ বাবে সৰ্বোচ্চ বলিদান দিছিল। সেইগৰাকী বৈজয়ন্তী দেৱী উপাধ্যায়ো গোৰ্খা জনগোষ্ঠীৰেই মহিলা আছিল। আছুৰ সাধাৰণ সম্পাদকজনে লগতে কয় যে যিখন ঠাইৰ আমি মাটি, পানী, বায়ু লৈ জীয়াই আছো সেই ঠাইৰ ভাষা, কলা-সংস্কৃতি জীয়াই ৰখাৰ স্বাৰ্থত বহু ত্যাগ স্বীকাৰ কৰা এটা জনগোষ্ঠী হৈছে এই গোৰ্খা জনগোষ্ঠী। এই জনগোষ্ঠীকেই প্ৰতিনিধিত্ব কৰা গোৰ্খা ছাত্ৰ সন্থাই কালি অভিনন্দন জনাবলগীয়া প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে গোৰ্খা জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰি বৃহত্তৰ অসমীয়া জাতিৰ হকে কাম কৰি যাব লাগিব। প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ কান্ধত এক গধুৰ দায়িত্ব আছে বুলি তেওঁ লগতে উল্লেখ কৰে। অভিনন্দন অনুষ্ঠানত সভাপতিত্ব কৰে সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি দীপক নেৱাৰে আৰু অনুষ্ঠান উদ্বোধন কৰে গোৰ্খা ছাত্ৰ সন্থাৰ ডিব্ৰুগড় জিলা সমিতিৰ প্ৰাক্তন সভাপতি বিষ্ণু ছেত্ৰীয়ে। সংগঠনৰ ডিব্ৰুগড় জিলা সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক পুষ্কৰ শৰ্মাই আঁত ধৰা সভাৰ আদৰণি ভাষণ প্ৰদান কৰে সদৌ ডিব্ৰুগড় জিলা গোৰ্খা ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক ভোজৰাজ শৰ্মাই। অনুষ্ঠানত গোৰ্খালী নৃত্য প্ৰদৰ্শন কৰে এগৰাকী কিশোৰী আৰু এগৰাকী কণমানি গোৰ্খা শিশু ক্ৰমে নিশা ছেত্ৰী আৰু আইশা উপাধ্যায়ে। একোখনকৈ ফুলাম গামোচা, একোখনকৈ অভিনন্দন পত্ৰ আৰু একোটিকৈ গছপুলি প্ৰদানেৰে মুঠ ১৫৪ গৰাকী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱা এই বিশেষ অভিনন্দন অনুষ্ঠানত উপস্থিত থাকে নাহৰকটীয়া ৰাজহ চক্ৰৰ চক্ৰ বিষয়া শৰৎ গগৈ, নাহৰকটীয়া বিধানসভা সমষ্টিৰ বিধায়ক তৰংগ গগৈৰ প্ৰতিনিধি মৃদুল কলিতা, সমাজসেৱক প্ৰদীপ বুঢ়াগোহাঁই, সাংবাদিক তথা ক্ৰীড়া সংগঠক শোভিত কুমাৰ ছেত্ৰী, প্ৰধান শিক্ষক মোহনলাল উপাধ্যায়, প্ৰধান শিক্ষক উপেন শৰ্মা, আগছুৰ উপ-সভাপতি জয়ৰাজ ছেত্ৰী, সহকাৰী সাধাৰণ সম্পাদক অজয় কুমাৰ আলে, অসম গোৰ্খা সন্মিলনৰ উপ-সভাপতি কৰ্ণ ভূজেল, আগছুৰ ডিব্ৰুগড় জিলা সন্মিলনৰ সভাপতি মোহন উপাধ্যায়, সম্পাদক লাল কুমাৰ তামাং, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ডিব্ৰুগড় জিলাৰ সাধাৰণ সম্পাদক গৌৰাংগ গগৈ, আটাছুৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি দেৱজিৎ গগৈ, আটাছুৰ নাহৰকটীয়া মহকুমা সমিতিৰ কাৰ্যকৰী সভাপতি সুৰজ ৰংছোৱাল, চুতীয়া ছাত্ৰ সন্থাৰ উপদেষ্টা ক্ষীৰোদ শইকীয়া, আছাৰ সাধাৰণ সম্পাদক দেৱেন ওৰাং, সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক বুধিন সোণোৱাল, আটছাৰ কাৰ্যনিৰ্বাহক ললিত মাহালীকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তি।

# কলকাতাৰ ৰাষ্ট্ৰীয় কবি সন্মিলনত টুটুমণি নাথ মেধিৰ 'প্ৰেমানুৰাগৰ কলি' গ্ৰন্থ উন্মোচন

**ছয়গাঁও, ২৬ জুলাই ঃ** বিশিষ্ট কবি, নৃত্য শিল্পী তথা সমাজ সেৱিকা টুটুমণি নাথ মেধিৰ এখন গ্ৰন্থ কালি কলকাতাৰ ৰবীন্দ্ৰ তীৰ্থত উন্মোচন কৰা হয়। 'আজিৰ কবিতা' আৰু দিল্লীৰ পৰা প্ৰকাশিত 'প্ৰজ্ঞা মেইন'ৰ সহযোগত অনুষ্ঠিত ৰাষ্ট্ৰীয় কবি সন্মিলনত তেওঁৰ তৃতীয়খন 'প্ৰেমানুৰাগৰ কলি' নামৰ গ্ৰন্থ উন্মোচন কৰে প্ৰাগ নিউজৰ জ্যেষ্ঠ সাংবাদিক তীৰ্থৰঞ্জন মহন্তই। নেটৱৰ্ক মাৰ্কেটিং আৰু সামাজিক কৰ্মত জড়িত হৈয়ো সাহিত্য-সাংস্কৃতিক দিশত বিশেষভাৱে বৰঙণি আগবঢ়াই অহা কবি টুটুমণি নাথ মেধিৰ প্ৰথমখন গ্ৰন্থ 'প্ৰেমৰ বৰষুণ' দ্বিতীয়খন 'প্ৰেম বাস্তৱ' আৰু 'অন্যান্য'ৰ পাছত এইখন তৃতীয়খন স্তৱক পুথি। যিখন গ্ৰন্থক বহুকেইজন ব্যক্তিয়ে অসমীয়া শ্বায়েৰী বুলি অভিহিত কৰিছে। কামৰূপৰ কমলপুৰৰ (হাবেৰীকুৰা) চিতাৰাম নাথ আৰু কনকলতা দেৱীৰ কন্যা তথা অসম আৰক্ষীৰ উপ-পৰিদৰ্শক (এছ আই) দ্বিজেন্দ্ৰ মেধিৰ পত্নী। টুটুমণি নাথ মেধিক 'আজিৰ কবিতা' আৰু 'মেজাংকৰি প্ৰকাশন'ৰ পৰা ২০২২ বৰ্ষৰ 'কাব্য সুৰভি' বঁটা প্ৰদান কৰে। বিগত ৩২ বছৰে প্ৰকাশিত হৈ অহা কবিতা আৰু কবিতা বিষয়ক পত্ৰিকা 'আজিৰ কবিতা' আৰু দিল্লীৰ 'প্ৰজ্ঞা মেইল'ৰ সহযোগত কলকাতাৰ ৰবীন্দ্ৰ তীৰ্থ (বিশ্ব বাংলা চৰানি, নিউ টাউন)ত অনুষ্ঠিত ৰাষ্ট্ৰীয় কবি সন্মিলনত প্ৰায় ১৫খন অসমীয়া, বাংলা আৰু ইংৰাজী গ্ৰন্থ উন্মোচন হোৱাৰ উপৰি বহুকেইজন ব্যক্তিক বিভিন্ন বঁটাৰে অনুষ্ঠানটোৱে সন্মানিত কৰে।

# গোৱালপাৰাত স্বাধীনতা দিৱস উদ্‌যাপনৰ প্ৰস্তুতি সভা

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ২৬ জুলাই ঃ** দেশৰ ৭৬ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপনৰ প্ৰস্তুতি সন্দৰ্ভত কালি গোৱালপাৰা জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত এখন সভা অনুষ্ঠিত হয়। জিলা উপায়ুক্ত খনিন্দ্ৰ চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাত জিলাৰ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াৰ লগতে প্ৰশাসনৰ বিষয়া, সামৰিক আৰু অৰ্ধসামৰিক বিভাগৰ বিষয়াৰ উপৰি গোৱালপাৰাৰ কে'বাগৰাকী জ্যেষ্ঠ নাগৰিক উপস্থিত থাকে। সভাত বিভিন্ন বিভাগক স্বাধীনতা দিৱসত কৰিবলগীয়া কামসমূহৰ দায়িত্ব অৰ্পণ কৰা হয়। সভাত জিলা উপায়ুক্তই কয় যে এইবাৰ স্বাধীনতা দিৱসৰ যথেষ্ট তাৎপৰ্য আছে। দেশৰ স্বাধীনতাৰ ৭৫ বছৰ সম্পূৰ্ণ কৰাৰ উদ্দেশ্যে ইতিমধ্যে জিলা প্ৰশাসনে আজাদী কা অমৃত মহোৎসৱৰ কাৰ্যসূচী পালন কৰা হৈছে। তদুপৰি যিহেতু ক'ভিড পৰিস্থিতিৰ বাবে বিগত প্ৰশাসনে আজাদী কা অমৃত মহোৎসৱৰ কাৰ্যসূচী পালন কৰা হৈছে। তদুপৰি যিহেতু ক'ভিড পৰিস্থিতিৰ বাবে বিগত কে'বা বছৰ স্বাধীনত দিৱস ভালকৈ উদ্‌যাপন কৰা হোৱা নাছিল। সেয়ে এইবেলি স্বাধীনতা দিৱসৰ পেৰেডত ছাত্ৰ-ছাত্ৰীৰ পৰিস্থিতি নিশ্চিত কৰিবলৈ উপায়ুক্তই জিলা স্কুলসমূহৰ পৰিদৰ্শকক আহ্বান জনায়। একেদৰে হৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচী সফল কৰি তুলিবলৈ গোৱালপাৰা আৰু লক্ষীপুৰ পৌৰসভাৰ সভাপতি আৰু কাৰ্যবাহী বিষয়াসকলক আহ্বান জনায়। সভাত উপায়ুক্তজনে সংশ্লিষ্ট বিভাগসমূহক তেওঁলোকৰ নিজৰ নিজৰ দায়িত্বসমূহ চমজি লৈ সময়মতে আৰু নিয়াৰিকৈ সমাধা কৰিবলৈ আহ্বান জনায়।

# বিহপুৰীয়াত কৃতী শিক্ষাৰ্থীক আছুৰ অভিনন্দন অনুষ্ঠান



**অগ্ৰদূত বাৰ্তা**
**বিহপুৰীয়া, ২৬ জুলাই ঃ** বিহপুৰীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত কালি বিহপুৰীয়া কলেজিয়েট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ২০২২ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা বিহপুৰীয়া অঞ্চলৰ শিক্ষাৰ্থীসকলক অভিনন্দন তথা সম্বৰ্ধনা জনোৱা হয়। বিহপুৰীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ উপ-সভাপতি বিকাশ শইকীয়াই সভাপতিত্ব কৰা অভিনন্দন তথা সম্বৰ্ধনা জনোৱা হয়। বিহপুৰীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ উপ-সভাপতি বিকাশ শইকীয়াই সভাপতিত্ব কৰা অভিনন্দন অনুষ্ঠানৰ আঁত ধৰে সাধাৰণ সম্পাদক হীৰকজ্যোতি বৰুৱাই। বিহপুৰীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমূল্য কুমাৰ হাজৰিকাই উদ্বোধন কৰা অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ দৃষ্টিভংগী ব্যাখ্যা কৰে সদৌ লক্ষীমপুৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি সীমান্ত নেওগে। অনুষ্ঠানত লোহিত ডিক্ৰং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ সত্যজিৎ বৰা, লুমিনাছ একাডেমীৰ অধ্যক্ষ ভৱকান্ত পূজাৰী। উত্তৰ লক্ষীমপুৰ মহকুমা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক কৃষ্ণজ্যোতি হাজৰিকা, সদৌ লক্ষীমপুৰ জিলা ছাত্ৰ সন্থাৰ বিত্ত সম্পাদক ৰিপুণ দত্ত, সদৌ লক্ষীমপুৰ জিলা ছাত্ৰ সন্থাৰ ক্ৰীড়া সম্পাদক মিলন শইকীয়াই বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে। সভাত বিহপুৰীয়া অঞ্চলৰ বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়ৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

# দৰঙত উজ্জ্বল ভাৰত উজ্জ্বল ভৱিষ্যৎ উদ্‌যাপনৰ প্ৰস্তুতি

**বিশেষ সংবাদদাতা**
**মঙলদৈ, ২৬ জুলাই ঃ** আজাদী কা অমৃত মহোৎসৱ হৈছে ভাৰত চৰকাৰৰ স্বাধীনতাৰ ৭৫ বছৰ উদ্‌যাপন আৰু স্মৰণ কৰাৰ এক প্ৰচেষ্টা আৰু ইয়াৰ মানুহ, সংস্কৃতি আৰু কৃতিত্বৰ গৌৰৱময় ইতিহাস। উদ্‌যাপনৰ অংশৰূপে, শক্তি মন্ত্ৰণালয় আৰু এমএনআৰইয়ে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত সহযোগিতাত অনুষ্ঠানৰ আয়োজন কৰিছে আৰু 'উজ্জ্বল ভাৰত উজ্জ্বল ভৱিষ্যত' শক্তি ২০৪৭ ৰ ছত্ৰছায়াত শক্তি খণ্ডৰ গুৰুত্বপূৰ্ণ সাফল্যৰ ওপৰত আলোকপাত কৰিছে। সেই অনুসৰি, এপিডিচিএল, মঙলদৈ বৈদ্যুতিক চক্ৰৰ লগতে উপায়ুক্ত, দৰং আৰু আৰইচিয়ে অনুষ্ঠানটো স্মৰণীয় কৰি ৰাখিবলৈ বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। সেই অনুসৰি ২০২২ৰ ২৭ জুলাইত ছিপাঝাৰৰ খণ্ড উন্নয়ন কাৰ্যালয়ৰ চৌহদত আৰু ২৮ জুলাইত মঙলদৈৰ জিলা পুথিভঁৰালত অনুষ্ঠানৰ পৰিকল্পনা কৰা হৈছে। দৰং জিলাত ডিডিইউজিজেৱাই নতুন আঁচনিৰ অধীনত ১১৮ খন গাঁও বসতিসমূহৰ বৈদ্যুতিকৰণ কৰা হৈছে। এই আঁচনিৰ অধীনত, ৭০ টা ট্ৰেন্সফৰ্মাৰ স্থাপন কৰা হৈছে, ৩৩.১৬ কিলোমিটাৰ ১১ কেভি লাইন আৰু ১১০.৯১৯ কিলোমিটাৰ এলটি লাইন নিৰ্মাণ কৰা হৈছে আৰু ২৭০৪ টা পৰিয়াল (গ্ৰীড আৰু অফ গ্ৰীডত) লাভান্বিত হৈছে। তদুপৰি সৌভাগ্য আঁচনিৰ অধীনত, ৫১৭ খন গাঁও। বসতিসমূহৰ বিদ্যুৎ সংযোগ কৰা হৈছে। এই আঁচনিৰ অধীনত, ২২৫ টা ট্ৰেন্সফৰ্মাৰ স্থাপন কৰা হৈছে, ১১৮.৮৪ কিলোমিটাৰ ১১ কেভি লাইন আৰু ৪২৪.০৪ কিলোমিটাৰ এলটি লাইন নিৰ্মাণ কৰা হৈছে আৰু দৰং জিলাত ৩৬৪৫৯ টা পৰিয়াল (অন গ্ৰীড আৰু অফ গ্ৰিড) লাভান্বিত হৈছে। দৰং জিলা 'উজ্জ্বল ভাৰত উজ্জ্বল ভৱিষ্যত' শক্তি ২০৪৭ উদ্‌যাপনৰ বাবে সাজু হৈছে। এই সন্দৰ্ভত, এপিডিচিএল, দৰং আৰু আৰইচিৰ বিষয়াসকলৰ স'তে উপায়ুক্ত আৰু অতিৰিক্ত উপায়ুক্তৰ উপস্থিতিত তিনিটা পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হৈছে। আজি চিপিএছইউ মনোনীত জিলা নডেল বিষয়া—উজ্জ্বল ভাৰতৰ হিতাধিকাৰী উজ্জ্বল ভৱিষ্যৎ আৰু এজিএম (আৰ ই)ৰ বাবে দৰং, এপিডিচিএল-এ মঙলদৈৰ উপায়ুক্তৰ কাৰ্যালয় পৰিদৰ্শন কৰে আৰু পৰৱৰ্তী অনুষ্ঠানসমূহৰ অগ্ৰগতি আৰু ৩০ জুলাইত গ্ৰেণ্ড ফিনালে উদ্‌যাপনৰ বিষয়ে আলোচনা কৰে আৰু উপায়ুক্তৰ কাৰ্যালয় কক্ষত, ভাৰতৰ ১০০ খন জিলাৰ হিতাধিকাৰীৰ ভাৰতৰ প্ৰধানমন্ত্ৰীৰ স'তে মত বিনিময় অধিৱেশনৰ বিষয়ে আলোচনা কৰে। ইয়াৰে ভিতৰত অসমৰ দৰং জিলাৰ দেৱানাগাঁও আছে ।

# নলবাৰীত আৰোহণৰ উদ্যোগত প্ৰাইজমানি চিত্ৰাংকন প্ৰতিযোগিতা সম্পন্ন



অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২৬ জুলাই ঃ** আৰোহণ সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত আৰু আকাশ এক কলাত্মক অনুষ্ঠানৰ সহযোগত যোৱা ২৪ জুলাইত নলবাৰী জিলা ভিত্তিত এখনি চিত্ৰাংকন প্ৰতিযোগিতাৰ অনুষ্ঠিত হয়। উল্লেখ্য যে প্ৰতিযোগিতাখন দুটা শাখাত অনুষ্ঠিত হয়। সেৱা ভাৰতীৰ আধাৰত অনুষ্ঠিত প্ৰতিযোগিতাৰ আৰম্ভণিতে সেৱা ভাৰতীৰ জিলা কাৰ্যনিৰ্বাহক শৈলেন ভাগৱতীয়ে নটৰাজৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে। ইয়াৰ পাছত সৰ্থেবাৰীস্থ জলসিঞ্চন বিভাগৰ কাৰ্যবাহী অভিযন্তা দীপমণি দাসে ছহিদ বেদীত বন্তি প্ৰজ্বলন কৰি প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। প্ৰতিযোগিতাৰ ক শাখাত উপাসনা বৰ্মন (প্ৰথম), মৰমী বেজবৰুৱা (দ্বিতীয়), উপাসনা কাশ্যপ (তৃতীয়) আৰু নিচুকনি বঁটা লাভ কৰে কৃস্মিতা তালুকদাৰে। খ শাখাত ধৃতিস্মান বৰ্মন (প্ৰথম), নিলাম বৰ্মন (দ্বিতীয়), খনিন হুজুৰী (তৃতীয়) আৰু প্ৰাচুৰ্য কৌশিকে লাভ কৰিবলৈ সক্ষম হয়। আৰোহণ সাংস্কৃতিক গোষ্ঠীৰ সঞ্চালক প্ৰধান প্ৰাঞ্জল মিশ্ৰই জনোৱা মতে প্ৰতিযোগিতাৰ অন্তত বঁটাসমূহ বিতৰণ কৰা হয়। উদ্যোক্তাসকলৰ হৈ চন্দনা দাস, মৰমী বৰ্মন, ৰঞ্জন দাস, চন্দন দাস আৰু নৰজিৎ বৈশ্যৰ সামগ্ৰিক সহযোগত প্ৰতিযোগিতাখন অনুষ্ঠিত হয়। উল্লেখ্য যে ৰূপকোঁৱৰ কলা পৰিষদ প্ৰাংগণত অনুষ্ঠিত প্ৰতিযোগিতা প্ৰথমৰ পৰা সপ্তম শ্ৰেণীলৈ ক শাখা (বিষয়-অসমীয়া বাদ্যযন্ত্ৰ) আৰু শাখাত অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ (বিষয় প্ৰাকৃতিক দৃশ্য) বিষয়বস্তুৰ ওপৰত অনুষ্ঠিত হৈছিল। উল্লেখ্য যে ক আৰু খ শাখাত প্ৰথম, দ্বিতীয়, তৃতীয় আৰু নিচুকনি পুৰস্কাৰ ক্ৰমে ২০০১ টকা, ১৫০১ টকা, ১০০১ টকা আৰু ৫০১ টকা প্ৰদান কৰাৰ লগতে মেডেল আৰু প্ৰমাণপত্ৰ প্ৰদান কৰা হয়।

# গো-চৰণীয়া পথাৰ বেদখলেৰে পথ নিৰ্মাণ কৰি ইটাভাটা স্থাপন

■ উপায়ুক্তক ৰাজহুৱা অভিযোগ ■ ব্যৱস্থা গ্ৰহণৰ দাবী

অগ্ৰদূত বাৰ্তা

**চাপৰ, ২৬ জুলাইঃ** ধুবুৰী জিলাৰ চাপৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বানিয়াপাৰা দ্বিতীয় খণ্ড গাঁৱত দুটা ইটাভাটাই গো চৰণীয়া পথাৰ (ভি জি আৰ)ৰ বাবে সংৰক্ষিত চৰকাৰী খাচ মাটিৰ মাজেৰে পথ নিৰ্মাণ কৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই সন্দৰ্ভত দীৰ্ঘদিন ধৰি ৰাজহুৱা অভিযোগ উত্থাপিত হৈ থকাৰ পাছত শেহতীয়াকৈ যোৱা ১২ জুলাইত পুনৰবাৰ ধুবুৰীৰ উপায়ুক্তক এক লিখিত ৰাজহুৱা অভিযোগ দাখিল কৰিছে স্থানীয় ৰাইজ তথা 'সদৌ দেশী জনগোষ্ঠীয় জাতীয় সংসদ, অসম' নামৰ সংগঠনটোৱে। প্ৰাপ্ত অভিযোগ মতে, চাপৰৰ হাতীপোতাৰ বানিয়াপাৰা দ্বিতীয় খণ্ডত 'গো চৰণীয়া পথাৰ' (ভি জি আৰ)ৰ বাবে সংৰক্ষিত ৯২ নম্বৰ দাগৰ প্ৰায় ৪২ বিঘা তিনি কঠা ১২ লেছা চৰকাৰী খাচ ভূমিৰ মাজেৰে একাংশ ইটা উদ্যোগে অবৈধভাৱে পথ নিৰ্মাণ কৰি ইটা উদ্যোগ চলাই আছে। উল্লেখ্য যে বানিয়াপাৰাৰ হিন্দুস্থান ব্ৰিক ইণ্ডাষ্ট্ৰী আৰু নিউ হিন্দুস্থান ব্ৰিক ইণ্ডাষ্ট্ৰী নামৰ ইটাভাটা দুটাই অবৈধভাৱে চৰকাৰী ভূমিত পথ নিৰ্মাণ কৰা বুলি অভিযোগ উত্থাপন কৰি অঞ্চলটোৰ একাংশ ৰাইজে যোৱা বৰ্ষৰ ১৩ অক্টোবৰতে ধুবুৰী জিলাৰ অভিভাৱক মন্ত্ৰী ৰঞ্জিত দাসক সাক্ষাৎ কৰি বিষয়টো অৱগত কৰিছিল। মন্ত্ৰীজনে বিষয়টো তদন্ত কৰিবলৈ বিলাসীপাৰাৰ মহকুমাধিপতিক নিৰ্দেশো দিছিল। কিন্তু প্ৰশাসনে চৰকাৰী ভূমিত অবৈধভাৱে পথ নিৰ্মাণ কৰা ইটাভাটা দুটাৰ বিৰুদ্ধে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। অৱশেষত যোৱা ১২ জুলাইত পুনৰবাৰ উপায়ুক্তক লিখিত অভিযোগ দিয়ে। অৱশ্যে এতিয়ালৈকে ভাটাকেইটাৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। প্ৰণিধানযোগ্য যে ইটাভাটাকেইটাৰ এই কাৰ্যৰ ফলত জৈৱ বৈচিত্ৰ্যৰ আঁকৰ স্বৰূপ ডাকাৱা বিলকে ধৰি সমগ্ৰ প্ৰাকৃতিক পৰিৱেশৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে। লগতে ইটাভাটাই নিৰ্মাণ কৰা পথটোৰ ফলত বিলখনৰ পানীৰ স্বাভাৱিক গতিত প্ৰতিবন্ধকতাৰ সৃষ্টি হৈ কৃষক ৰাইজক ক্ষতিগ্ৰস্ত কৰিছে। এই সন্দৰ্ভত স্থানীয় ৰাইজ তথা সংগঠনটোৱে শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ দাবী উত্থাপন কৰিছে।

# অখিল ভাৰতীয় সাহিত্য পৰিষদ, বজালী জিলা শাখাৰ কাৰ্যনিৰ্বাহক সভা

**পাটাছাৰকুছি, ২৬ জুলাই ঃ** অখিল ভাৰতীয় সাহিত্য পৰিষদ, বজালী জিলা শাখাৰ দ্বিতীয় কাৰ্যনিৰ্বাহক সভা পাঠশালাৰ ছহিদ ভৱনত কালি অনুষ্ঠিত হয়। বজালী জিলা শাখা সাহিত্য পৰিষদৰ সভাপতি মুনীন্দ্ৰ নাৰায়ণ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত সভাত সভাৰ উদ্দেশ্য আৰু সাহিত্য পৰিষদৰ লক্ষ্য, উদ্দেশ্য সম্পৰ্কে ব্যাখ্যা কৰে বজালী জিলা শাখা পৰিষদৰ সচিব অনিল ডেকাই। ইয়াৰ পাছতে পৰিষদৰ ক্ষেত্ৰীয় সংগঠন সচিব গৌতম তালুকদাৰে আজীৱন সদস্য ভৰ্তি প্ৰক্ৰিয়াটো আৰম্ভ কৰে। অখিল ভাৰতীয় সাহিত্য পৰিষদ, অসমৰ পঞ্চম ত্ৰিবাৰ্ষিক অধিবেশন আৰু প্ৰথম কাৰ্যনিৰ্বাহক সভাত বজালী জিলা শাখাৰ প্ৰতিনিধিত্ব কৰি অহা সম্পৰ্কে সভাত সবিশেষ দাঙি ধৰে বজালী জিলা শাখা পৰিষদৰ যুটীয়া সাধাৰণ সচিব তথা অখিল ভাৰতীয় সাহিত্য পৰিষদ, অসমৰ উপ-সভাপতি নন্দ দুলাল চৌধুৰীয়ে। বজালী জিলা শাখাৰ দ্বাৰা প্ৰথম অসমীয়া গদ্য সাহিত্যৰ জনক ভট্টদেৱৰ স্মৃতি দিৱস উদ্‌যাপন কৰিবলৈ সভাই প্ৰস্তাৱ গ্ৰহণ কৰে। এই সন্দৰ্ভত স্থানীয় ভট্টদেৱ বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰো সহায়-সহযোগিতা কামনা কৰে। পৰৱৰ্তী সময়ত ভট্টদেৱৰ জীৱন আৰু কৰ্ম সম্পৰ্কে শিক্ষাৰ্থীক অৱগত কৰণ, ৰচনা প্ৰতিযোগিতা আৰু আলোচনাচক্ৰৰ আয়োজন ইত্যাদি কাৰ্যক্ৰমণিকাৰে পৰিষদে কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ ড° কৰুণা মোহন শৰ্মা, কৈলাস চৌধুৰী, উৎপল বৰকাকতি, মীনা তালুকদাৰ, ডাঃ হৰেন্দ্ৰ নাথ কলিতা আদিয়ে মত প্ৰকাশ কৰে। ভট্টদেৱ সম্পৰ্কে গ্ৰন্থ প্ৰণয়ন আৰু বজালীত বিশিষ্ট লোকসকলৰ জীৱনী প্ৰকাশ হোৱাৰ বাবেও পৰিষদে প্ৰস্তাৱ গ্ৰহণ কৰে। এই ক্ষেত্ৰত জিলা শাখা পৰিষদৰ সচিবক দায়িত্ব অৰ্পণ কৰা হয়। আগন্তুক সময়ত জিলা পৰিষদৰ কৰিবলগীয়া গুৰুত্বপূৰ্ণ কাম-কাজ সন্দৰ্ভত সভাৰ সভাপতি তথা সাহিত্যিক পেঞ্চনাৰ মুনীন্দ্ৰ নাৰায়ণ গোস্বামীৰ ভাষণেৰে সভাৰ সামৰণি পৰে।

# ধুমুহাত বিধ্বস্ত সভাগৃহ নিৰ্মাণ-বজাৰ পৰিষ্কাৰ কৰাৰ আহ্বান

■ গোপালথান যজ্ঞভূমি উন্নয়ন সমিতিৰ সাধাৰণ সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২৬ জুলাই ঃ** নলবাৰী জিলাৰ যজ্ঞভূমিৰ ১৩ খন গাঁৱৰ স্বেচ্ছাসেৱী অনুষ্ঠান গোপালথান যজ্ঞভূমি উন্নয়ন সমিতিৰ সাধাৰণ সভাখন দেওবাৰে অনুষ্ঠিত হৈ যায়। কাৰ্যসূচী মতে, পুৱা পতাকা উত্তোলন, ইয়াৰ পাছতে নিত্যানন্দ ব্ৰহ্মচাৰীৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে উপদেষ্টা যাদৱ চন্দ্ৰ ডেকাই। স্মৃতি তৰ্পণ কৰে উপদেষ্টা থানুৰাম ডেকাই। সন্ধিয়া সমিতিৰ সভাপতি অশোক কুমাৰ শৰ্মাৰ সভাপতিত্বত আৰু সাধাৰণ সম্পাদক প্ৰশান্ত কুমাৰ চৌধুৰীয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাত সমিতিৰ সাধাৰণ সম্পাদকৰ সম্পাদকীয় প্ৰতিবেদন পাঠ কৰাৰ লগতে হিচাপ পৰীক্ষক কনক প্ৰাণ বাচ্যস, ভগৱান ডেকাই মহাবিষ্ণু যজ্ঞ, দুৰ্গাপূজা, জল্টিৰাম ডেকা সোঁৰৰণী বজাৰ, গোপালথানৰ আয়, ব্যয়ৰ হিচাপ দাখিল কৰা হয়। ইয়াৰ পাছতে নতুন সমিতি গঠন কাৰ্যসূচীত আগন্তুক বৰ্ষৰ বাবে উন্নয়ন সমিতিৰ সভাপতি হিচাপে পুনৰ অশোক কুমাৰ শৰ্মা, সাধাৰণ সম্পাদক হিৰণ্য গোস্বামী, সহকাৰী সম্পাদক দীনেশ ডেকা, দুৰ্গাপূজাৰ সভাপতি প্ৰভাষ চক্ৰৱৰ্তী, সম্পাদক দ্বীপেন কলিতা, যজ্ঞৰ সভাপতি কুমুদ শৰ্মা, সম্পাদক কমল কুমাৰ শৰ্মা, দীনেশ মিশ্ৰ সোঁৰৰণী কেন্দ্ৰীয় গ্ৰাম্য পুথিভঁৰালৰ সভাপতি জীৱন চন্দ্ৰ ডেকা, সম্পাদক প্ৰবীৰ চক্ৰৱৰ্তীক লৈ এখন সমিতি গঠন কৰা হয়। উল্লেখ্য যে সভাত ৰবীন মিশ্ৰ, প্ৰমোদ কলিতা, থানুৰাম ডেকা, বিনন্দ ৰাজবংশী, কন্দৰ্প শৰ্মা সহ কে'বাজনেও ভাষণ ৰাখি নতুন সমিতিক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে সমিতিৰ অধীনৰ বজাৰৰ মান উন্নত কৰা, ব্ৰহ্মচাৰী পুখুৰীৰ প্ৰতিৰোধক পকী বেৰ নিৰ্মাণ, ধুমুহাত বিধ্বস্ত আধৰুৱা সভাগৃহটো পুনৰ নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

# তেজপুৰৰ জ্যোতি কলা কেন্দ্ৰ সংগীত মহাবিদ্যালয়ৰ বাৰ্ষিক সাংস্কৃতিক সমাৰোহ

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২৬ জুলাই ঃ** ৰাজ্যৰ ভিতৰতে প্ৰথমখন সংগীত বিদ্যালয়ৰূপে ১৯৪০ত তেজপুৰত স্থাপিত তথা বৰ্তমান জ্যোতি কলাকেন্দ্ৰ নামৰে পৰিচিত সংগীত মহাবিদ্যালয়খনৰ পৰহি সন্ধিয়া অনুষ্ঠিত হৈ যায় বাৰ্ষিক সাংস্কৃতিক সমাৰোহ। উল্লেখ্য যে দেশে স্বাধীনতা লাভ কৰাৰ পূৰ্বেই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ লগতে বহুকেইগৰাকী সংস্কৃতিবান পুৰোধাৰ প্ৰচেষ্টাত স্থাপন হৈছিল ৰাজ্যৰ এইখন প্ৰথম সংগীতৰ শিক্ষানুষ্ঠান। জ্যোতি কলা কেন্দ্ৰ সংগীত মহাবিদ্যালয়ৰ বাৰ্ষিক সাংস্কৃতিক সমাৰোহ উপলক্ষে কালি সন্ধিয়া শিক্ষাৰ্থীসকলৰ দৃষ্টিনন্দন নৃত্য, মনোৰম গীত আৰু সংগীতৰে মুখৰিত হৈ পৰে তেজপুৰৰ বাণ থিয়েটাৰৰ মঞ্চ। মহাবিদ্যালয়খনৰ অধ্যক্ষ তথা প্ৰবীণ সংগীতশিল্পী লিখন শৰ্মা, পৰিচালনা সমিতিৰ সভাপতি জগন্নাথ বৰা আৰু বিষয়ববীয়াৰ লগতে সংগীত মহাবিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ উপস্থিতিত তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভাই বন্তি প্ৰজ্বলন কৰা আৰু অধ্যক্ষ শৰ্মাই আদৰণী ভাষণ প্ৰদান কৰা অনুষ্ঠানটোৰ আৰম্ভণিতে বিগত সময়ত কৰ'নাত আক্ৰান্ত হৈ অকাল মৃত্যুক সাৱটি লোৱা মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি হেমন্ত কুমাৰ বৰুৱাৰ বিদেহ আত্মাৰ সদগতি



কামনা কৰি সকলোৱে মৌন প্ৰাৰ্থনা জনায়। উদ্বোধনী ভাষণত বিধায়ক ৰাভাই ১৯৪০তে অতি দূৰদৃষ্টি সম্পন্ন মনেৰে উঠি অহা প্ৰজন্মক সংগীত শিক্ষাৰ প্ৰণালীবদ্ধ পাঠদানৰ বাবে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ বিশেষ তৎপৰতাত গঢ় লৈ উঠা এই সংগীত মহাবিদ্যালয়ৰ পাঠ গ্ৰহণ কৰি বহু দক্ষ সংগীত শিল্পীৰূপে আত্মপ্ৰকাশ কৰিছে বুলি কৈ মহাবিদ্যালয়খনৰ ইতিহাস আৰু ইয়াৰ স'তে তাহানিৰে পৰা জড়িত হৈ থকা লোকসকলৰ অৱদান স্মৰণ কৰে। আনহাতে, অধ্যক্ষ শৰ্মাই আদৰণী ভাষণৰ মাজত মহাবিদ্যালয়খনৰ প্ৰত্যেকটো বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীসকলক উপস্থিত ৰাইজৰ সন্মুখত পৰিচয় কৰাই দিয়ে। অনুষ্ঠানটোৰ মাজতে মহাবিদ্যালয়খনৰ শ্ৰেষ্ঠ শিক্ষাৰ্থী হীৰকজ্যোতি নাথক সংগীতশিল্পী অজয় চলিহা সোঁৱৰণী বঁটা প্ৰদান কৰাৰ পাছত সাংস্কৃতিক অনুষ্ঠান আৰম্ভ হয় জ্যোতি কলা কেন্দ্ৰ সংগীত মহাবিদ্যালয়ৰ শীৰ্ষ গীতেৰে। উল্লেখ্য যে খেয়াল, ভজন, ভায়'লিন, তবলা, গিটাৰ, চিত্ৰকলা, সত্ৰীয়া নৃত্য, কথক নৃত্য, ভাৰত নাট্যম, জ্যোতি সংগীত, থলুৱা বা আধুনিক গীতৰ পাঠদান কৰা মহাবিদ্যালয়খনৰ শিক্ষাৰ্থীসকলে কালি কথক নৃত্যৰ শিক্ষয়িত্ৰী ঈৰাণী মহন্তই আঁত ধৰা অনুষ্ঠানত প্ৰদৰ্শন কৰা দৃষ্টিনন্দন নৃত্য, মনোৰম গীত আৰু সুমধুৰ সংগীতৰ মূৰ্চ্ছনাৰে মুখৰিত হৈ পৰে। কালি সন্ধিয়া ছয় বজাৰ পৰা অনুষ্ঠিত বাৰ্ষিক সাংস্কৃতিক অনুষ্ঠানৰ সত্ৰীয়া নৃত্য, খেয়াল পৰিৱেশন, শিশুসকলৰ বিশেষ অনুষ্ঠান, সমবেত ভায়লিন বাদনৰ অনুষ্ঠান, কথক নৃত্য, ২৭ গৰাকী শিক্ষাৰ্থীয়ে পৰিৱেশন কৰা তবলাবাদনৰ অনুষ্ঠান, ভাৰত নাট্যম, সমবেত গিটাৰ বাদন অনুষ্ঠান আৰু দুকুৰি শিক্ষাৰ্থীয়ে একেলগে পৰিৱেশন কৰা জ্যোতি সংগীতৰ অনুষ্ঠানে উপস্থিত সকলোকে মুগ্ধ কৰি তোলে।

# সূৰ্যগিৰিত গ্ৰীষ্মকালীন বিনামূলীয়া পাঠদানৰ সামৰণি অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৬ জুলাই ঃ** যোৱা ২৭ জুনৰ পৰা সূৰ্যোদয় সাহায্য নিধিৰ উদ্যোগত অনুষ্ঠিত হোৱা গ্ৰীষ্মকালীন বিনামূলীয়া পাঠদান শিবিৰৰ কালি সামৰণি পৰে। এই উপলক্ষে স্বেচ্ছাসেৱী সংগঠনটোৰ সভাপতি ছলেমান সেখৰ পৌৰোহিত্যত সূৰ্যগিৰি মধ্য ইংৰাজী বিদ্যালয়ত এখন সামৰণি সভাৰ আয়োজন কৰা হয়। সূৰ্যোদয় সাহায্য নিধিৰ সম্পাদক ৰবিউল হুছেইনে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত ছাত্ৰ-ছাত্ৰীৰ দক্ষতা বৃদ্ধিৰ লক্ষ্যৰে চিআৰচিচি আজমল বক্সী, সূৰ্যগিৰি হাইস্কুলৰ প্ৰধান শিক্ষক মফিজুদ্দিন ফকিৰ আৰু মাটিয়া প্ৰাথমিক শিক্ষক সন্মিলনীৰ সম্পাদক ফজৰ আলীয়ে বক্তব্য দাঙি ধৰে। উল্লেখ্য যে বিগত সময়ত অঞ্চলটোৰ অষ্টম, নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক অভিজ্ঞ শিক্ষকৰ দ্বাৰা বিজ্ঞান, গণিত আৰু ইংৰাজী বিষয়ৰ ওপৰত বিনামূলীয়া পাঠদান দিয়া হয়। ইপিনে, আজিৰ সামৰণি অনুষ্ঠানৰ আগমুহূৰ্তত নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰতিভা সন্ধানী পৰীক্ষা অনুষ্ঠিত কৰা হয়। উক্ত প্ৰতিভা সন্ধানী পৰীক্ষাত নৱম শ্ৰেণীৰ ক্ৰমে কমেলা খাতুন প্ৰথম, ইনামুল হকে দ্বিতীয় আৰু চম্পক ডালুয়ে তৃতীয় স্থান দখল কৰে। একেদৰে দশম শ্ৰেণীত ক্ৰমে ফিদ্দুছ আলীয়ে প্ৰথম, হাফিজ উদ্দিনে দ্বিতীয় আৰু চুলতান হুছেইনে তৃতীয় স্থান লাভ কৰে। উক্ত ছগৰাকী ছাত্ৰ-ছাত্ৰীকে সামৰণি অনুষ্ঠানত ফুলাম গামোচা, কিতাপ আৰু কলমেৰে সম্বৰ্ধনা জনাই উৎসাহিত কৰা হয় বুলি স্বেচ্ছাসেৱী সংগঠনটোৰ সম্পাদক ৰবিউল হুছেইনে জানিবলৈ দিয়ে।

# বিজুলী মহোৎসৱৰ উপলক্ষে তামুলপুৰ-গোৰেশ্বৰত শক্তি বিভাগৰ সভা

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ২৬ জুলাইঃ** 'আজাদী কা অমৃত মহোৎসৱ'ৰ অধীনত ভাৰতৰ স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে ভাৰতৰ শক্তি মন্ত্ৰণালয়, ভাৰতৰ নতুন আৰু পুনৰ ব্যৱহাৰ যোগ্য শক্তি বিভাগ, অসম চৰকাৰৰ তামুলপুৰ জিলা প্ৰশাসন আৰু অসম শক্তি বিতৰণ কোম্পানী পৰিসীমিতৰ উদ্যোগত অহা ২৮ জুলাইত তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত আৰু ২৯ জুলাইত গোৰেশ্বৰ টাউন হলত বিজুলী মহোৎসৱৰ আয়োজন কৰা হৈছে। বিজুলী মহোৎসৱত ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ সহযোগত শক্তি বিভাগৰ মুখ্য সফলতা সমূহ দাঙি ধৰিব। কালিৰে পৰা ৩০ জুলাইলৈ সমগ্ৰ ভাৰত জুৰি 'বিজুলী মহোৎসৱ' ভাৰতীয় জনসাধাৰণৰ সহযোগত উজলা ভাৰত উজলা ভৱিষ্যৎ শক্তি হিচাপে পালন কৰা হৈছে। তামুলপুৰ জিলাত তামুলপুৰৰ কলবাৰী আৰু গোৰেশ্বৰৰ বেতনা নামৰ গাঁও দুখন এই বিজুলী মহোৎসৱৰ বাবে বাছনি কৰা হৈছে। অহা ২৮ জুলাইত তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'বলগীয়া বিজুলী মহোৎসৱৰ সভা আৰু ২৯ জুলাইত গোৰেশ্বৰৰ টাউন হলত অনুষ্ঠিত হ'বলগীয়া বিজুলী মহোৎসৱৰ সভাত বিটিআৰ প্ৰধান প্ৰমোদ বড়ো, ৰাজ্যিক বিজেপিৰ সভাপতি তথা ৰঙিয়া সমষ্টিৰ বিধায়ক ভবেশ কলিতাই মুখ্য অতিথিৰূপে উপস্থিত থাকিব সম্পূৰ্ণ ক'ভিড বিধি পালন কৰি অনুষ্ঠিত হ'বলগীয়া বিজুলী মহোৎসৱৰ কাৰ্যসূচীত অঞ্চলটোৰ বহু সংখ্যক ব্যক্তিয়ে অংশগ্ৰহণ কৰিব।

# জামুগুৰি সাৰ্বজনীন গৰখীয়া থানত 'শৰাই এদিন আৰু গৰখীয়া সবাহ'ৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ২৬ জুলাই ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ জামুগুৰিৰ ঐতিহ্যমণ্ডিত সাৰ্বজনীন গৰখীয়া থানত ২৮ সংখ্যক বাৰ্ষিক সেৱা 'শৰাই'ৰ এদিন আৰু গৰখীয়া সৱাহ' উৎসৱভাগ অহা ৩০ আৰু ৩১ জুলাইত উদ্‌যাপনৰ দিহা কৰা হৈছে। এই উপলক্ষে কাৰ্যসূচী অনুসৰি, ৩০ জুলাইত পৰিৱেশ নিকাকৰণ, বজাত মণিকূটত বন্তি প্ৰজ্বলনেৰে উৎসৱৰ আৰম্ভ কৰিব থানঘৰীয়া টংকেশ্বৰ নাথে। ধৰ্মধ্বজা উত্তোলন কৰিব উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি তথা সমাজকৰ্মী শুকুৰাম বৰুৱাই। প্ৰবীণ অনাতাঁৰ শিল্পী গম্ভীৰ নাথে স্মৃতি তৰ্পণ কৰিব। তাৰ পাছতে খোল আৰু নাম-প্ৰসংগ, দুপৰীয়া ভাগৱত পাঠ আৰু ব্যাখ্যাৰ উদ্বোধন কৰিব মৰিগাঁও মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° বোধেন কুমাৰ শইকীয়াই। সন্ধিয়া সমূহীয়া বন্তি প্ৰজ্বলন, নিশা আপ্যায়নেৰে প্ৰথমদিনাৰ কাৰ্যসূচী সমাপ্তি ঘটিব। দ্বিতীয় দিনা ভাগৱত পাঠৰ সামৰণি, সেৱকীসকলৰ শৰাই উছৰ্গা, খোল আৰু নাম-প্ৰসংগ, দুপৰীয়া মহানাম আৰম্ভ, বিয়লি মহানাম সামৰণি, প্ৰসাদ বিতৰণ আৰু সমূহীয়া ঘোষাৰে সমূহ অনুষ্ঠানৰ সামৰণি পৰিব বুলি উদ্যোক্তাসকলে জনাইছে।

# ডিমৌ কচুমাৰীত স্বামী গৃহৰ পৰা কাপোৰ-কানি, টকা লৈ পলায়ন মহিলাৰ

অগ্ৰদূত বাৰ্তা

**ডিমৌ, ২৬ জুলাই ঃ** ডিমৌ সমীপৰ কচুমাৰী গাঁৱৰ এজন নিবাসী মুনিন্দ্ৰ দাস। আনহাতে, মুনিন্দ্ৰ দাস দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা এজন দুখীয়া ব্যক্তি। তথ্য মতে যোৱা ২৪ জুলাইৰ নিশা প্ৰায় ১০ বজাত মুনিন্দ্ৰ দাসৰ পত্নী পপী শইকীয়াই স্বামী গৃহৰ পৰা কাপোৰ-কানি, সোণৰ আ-অলংকাৰ আৰু ২৫ হেজাৰকৈ টকা লৈ পলায়ন কৰে। আনহাতে, পলায়ন কৰা মহিলাগৰাকীয়ে এগৰাকী চাৰি বছৰীয়া কন্যাও এৰি গৈছে। বৰ্তমান ঘটনা সন্দৰ্ভত মহিলাগৰাকীৰ স্বামী মুনিন্দ্ৰই ডিমৌ আৰক্ষী থানাত এজাহাৰ দাখিল কৰি সুবিচাৰ কৰিবলৈ ডিমৌ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াক আহ্বান জনাইছে।



*বকোত গৰিয়া-মৰিয়া-দেশীক খিলঞ্জীয়াৰ স্বীকৃতি দিয়া উপলক্ষে অনুষ্ঠিত ৰাজহুৱা সভাৰ দৃশ্য।*

# গোৱালপাৰাৰ চুটকীত কঠীয়া ৰোপণৰ আৰম্ভ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৬ জুলাইঃ** গোৱালপাৰা জিলাৰ বৰদামাল কৃষি চক্ৰৰ অন্তৰ্গত চুটকী এন চি গাঁৱত কালি কঠীয়া ৰোপণ আৰম্ভ কৰা হয়। এপাৰ্টৰ জৰিয়তে কৃষি বিভাগে বিভিন্ন ধৰণৰ ১০টা প্ৰজাতিৰ ধান যেনে ৰঞ্জিত চাৱ-১, বাহাদুৰ চাৱ-১, স্বৰ্ণ চাৱ-১, বীনা -১১, বীনা-১৭, মাছুৰী, লাল গংগা, ডি আৰ আৰ-৪৪, চি আৰ ধান ৩০৯ আৰু ক'লা ধানৰ কঠীয়া গাঁওখনৰ কৃষিভূমিৰ প্ৰায় দুহেজাৰ বৰ্গফুট অঞ্চলত আনুষ্ঠানিকভাৱে ৰোপণ কৰা হয়। জিলা কৃষি বিষয়া তথা এপাৰ্টৰ বিষয়া নয়ন কুমাৰ বৰাই কঠীয়া ৰোপণ উদ্বোধন কৰাৰ পাছত কৃষকসকলে ৰোপণ কাৰ্য আৰম্ভ কৰে। কঠীয়া ৰোপণৰ আৰম্ভ কৰি এই ১০ টা প্ৰজাতিৰ ধান খেতিয়ে কৃষকসকলক যথেষ্ট উপকৃত কৰিব বুলি জিলা কৃষি বিষয়াই আশা প্ৰকাশ কৰে।

# মেধাৱী ছাত্ৰ-ছাত্ৰীসকলে উদ্যোগ ল'লে সমাজৰ প্ৰগতি অৱশ্যম্ভাৱী

■ অনুজৰ বৰগীত কৰ্মশালাৰ সামৰণি, ডালিমী বৰা শৈক্ষিক প্ৰেৰণামূলক বঁটা প্ৰদান

অগ্ৰদূত বাৰ্তা

**চিনামৰা, ২৬ জুলাইঃ** 'ছাত্ৰ-ছাত্ৰীসকলে শৈক্ষিক দিশৰ লগতে নিজকে সমাজৰ ভাল মানুহ হিচাপে গঢ় তুলিব লাগিব। সমাজৰ সকলো স্তৰতে মেধাৱী ছাত্ৰ-ছাত্ৰীসকলে উদ্যোগ ল'লে সমাজ প্ৰগতি হ'ব।' শিক্ষাৰ্থীসকলৰ গ্ৰীষ্মকালীন বন্ধৰ লগত সংগতি ৰাখি যোৰহাটৰ বৰখণ্ডীয়াত অনুজ সাহিত্য-সংস্কৃতি গোষ্ঠীয়ে অনুষ্ঠিত কৰা বৰগীত কৰ্মশালাৰ কালি অনুষ্ঠিত সামৰণি অনুষ্ঠানত ভাষণ দি অসম কৃষি বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° গোবিন চন্দ্ৰ বৰাই ছাত্ৰ-ছাত্ৰীসকল উদ্দেশি এনেদৰে কয়। যুৱ সমাজকৰ্মী মৃদুল হাজৰিকাই সভাপতিত্ব কৰা আৰু অনুজৰ সম্পাদক দেৱজিৎ বৰাই আঁত ধৰা সভাখন ৪০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে বৰগীত পৰিৱেশনেৰে অনুষ্ঠান আৰম্ভ কৰা সভাত সমাজকৰ্মী অমূল্য বৰা, বোধেশ্বৰ বৰা, সৰুনাথ হাজৰিকা, পূৰ্ণানন্দ বৰা, সত্যনাথ বৰা, সাংবাদিক ৰমেন শইকীয়ায়ো বক্তব্য আগবঢ়ায়। ইয়াতে বৰগীত কৰ্মশালাত অংশগ্ৰহণ কৰা ৪২ গৰাকী ছাত্ৰ-ছাত্ৰীক মানপত্ৰ প্ৰদান কৰা হয়। কৰ্মশালাত প্ৰশিক্ষণ আগবঢ়োৱা উদীয়মান সংগীত শিল্পী আজান গাঁৱৰ ক'ৰিস্মা কলিতা আৰু হিমাজিৎ নেওগক বৰগীতৰ প্ৰশিক্ষণ দিয়াৰ বাবে অনুষ্ঠানটোৱে অভিনন্দন জনায়। সদ্যঘোষিত উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ অৰ্থনৈতিকভাৱে দুৰ্বল পৰিয়ালৰ পাঁচজন মেধাৱী ছাত্ৰ-ছাত্ৰী ক্ৰমে মৌচুম বৰা, কৃষাণ বৰা, দিবাকৰ বৰা, দিবাকৰ হাজৰিকা আৰু বৰ্ণালী নেওগক নগদ ধন আৰু মানপত্ৰৰে ডালিমী বৰা শৈক্ষিক প্ৰেৰণামূলক বঁটা প্ৰদান কৰা হয়। মন কৰিবলগীয়া যে মূল সভাৰ পূৰ্বে স্থানীয় গাঁও পঞ্চায়তে আগবঢ়োৱা অনুদানেৰে নিৰ্মিত অনুজৰ সীমা বেৰা মুকলি কৰে স্থানীয় বিধায়ক ভবেন্দ্ৰ নাথ ভঁড়ালীয়ে। অনুজৰ কাৰ্যালয়ৰ আধৰুৱা কামবোৰ সম্পূৰ্ণ কৰাৰ বাবে বিধায়ক পুঁজিৰ অনুদান আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। লক্ষ্যণীয় যে অনুজে বৰখণ্ডীয়াত এটা শিশু পুথিভৰাল আৰম্ভ কৰিছে। এই পুথি ভৰালটোৰ বাবে যোৰহাটৰ গ্ৰন্থ সংস্কৃতি আৰু বেদকণ্ঠ প্ৰকাশন গোষ্ঠীয়ে কালি বহু সংখ্যক গ্ৰন্থ প্ৰদান কৰে। উল্লেখনীয় যে কৰ্মশালাৰ সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ব্যক্তিৰ চকু পৰীক্ষা শিবিৰো আয়োজন কৰা হয়

# সৰস্বতী পুস্তক মন্দিৰৰ গ্ৰীষ্মকালীন সমাৰোহত বিধায়ক গোস্বামী

■ নটসূৰ্যৰ চিৰযুগমীয়া 'চিৰাজ' মঞ্চায়ন

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ২৬ জুলাই ঃ** 'সাম্প্ৰতিক সময়ত সামাজিক অনুষ্ঠানসমূহ নিষ্ক্ৰিয় হোৱাৰ মূল কাৰণ হ'ল সহযোগিতাৰ অভাৱ। আগতে বিভিন্ন স্থানত বহু অনুষ্ঠান সক্ৰিয় আছিল। একোটা অঞ্চলত একোজন ব্যক্তি এটা অনুষ্ঠানৰ দৰে আছিল। সাহিত্য সভাৰ শাখাসমূহে সমাজত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।' উত্তৰ যোৰহাটৰ সামাজিক তথা সাংস্কৃতিক অনুষ্ঠান সৰস্বতী পুস্তক মন্দিৰৰ হীৰক জয়ন্তী বৰ্ষৰ গ্ৰীষ্মকালীন সমাৰোহৰ যোৱা ২৪ জুলাইৰ মুকলি সভাত এইদৰে অভিমত ব্যক্ত কৰে যোৰহাটৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীয়ে। তেওঁলোকৰ কাৰণে ভাবিব পৰা অৱস্থাত থাকিলে মহিলা সমাজক ভাবিবলৈ আহ্বান জনায়। বাহনা উচ্চ মাধ্যমিক বালক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ইছমাইল আলীৰ সভাপতিত্বত অনুষ্ঠিত সভাত সমাজকৰ্মী ডাঃ বলীন খাৰঘৰীয়াই নিৰ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ কৰি মানুহৰ জীৱনত কেনেকৈ নিয়মানুৱৰ্তিতা মানি চলিব লাগে আৰু জীৱনশৈলী কেনে হ'ব লাগে সেই বিষয়ে কয়। তেওঁ অনুষ্ঠানলৈ গ্ৰন্থৰ এটা টোপোলা আগবঢ়ায়। সম্পাদক পংকজ কলিতাই উদ্দেশ্য ব্যাখ্যা কৰা আৰু সভাপতি পৰেশ কলিতাই আদৰণী ভাষণ প্ৰদান কৰা সভাত শিল্পী তথা গ্ৰীষ্মকালীন কৰ্মশালাৰ মূল সমল ব্যক্তি অৰুণ চন্দ্ৰ দাস, মধ্য চাৰিগাঁও গাঁও পঞ্চায়তৰ সভাপতি বুবুল চন্দ্ৰ দত্ত, নিউজ নাওৰ উৎপল দাসে বক্তব্য প্ৰদান কৰে। পুস্তক মন্দিৰৰ প্ৰাক্তন সভাপতি ৰাজেন দত্ত উপস্থিত থকা সভাত বাহনা বালক বিদ্যালয়ৰ অৱসৰী শিক্ষক তথা গাঁৱৰ বয়োজ্যেষ্ঠ ব্যক্তি গিৰীশ কলিতা, অনুষ্ঠানৰ কাৰ্যকৰী সভাপতি ৰুবুল কলিতা, প্ৰাক্তন প্ৰাক্তন সম্পাদক হেমেন কুমাৰ শইকীয়া, অংগনবাড়ী বিদায়ী কৰ্মী মিউজা বেগম, অনিমা কলিতাক সম্বৰ্ধনা জনোৱাৰ লগতে কৃতী ছাত্ৰ-ছাত্ৰী, প্ৰতিভাৱানক অভিনন্দন জনাই আৰু পুৰস্কাৰ বিতৰণ কৰে। বসন্ত মইনা পাৰিজাতৰ মইনাসকলৰ সমবেত সংগীতেৰে আৰম্ভ হোৱা সভাত বিভিন্ন অনুষ্ঠান পৰিচালনা কৰে সম্পাদকদ্বয় নীলিম কলিতা, দেৱজ্যোতি বৰাই। সভাত অভিলাষা শইকীয়াই বৰগীত, অভিনৱ বৰাই লোকগীত



পৰিৱেশন কৰে। নিশাৰ সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে স্বেচ্ছাসেৱী অনুষ্ঠান সেৱাৰ সাধাৰণ সম্পাদক তথা লেখক প্ৰণৱজ্যোতি শইকীয়াই। পুস্তক অনুষ্ঠানত অৰুণ চন্দ্ৰ দাসৰ পৰিচালনাত মুং-ডু-চু খাম আলেখ্য আৰু অনুপ কলিতাৰ পৰিচালনাত গাঁৱৰ যুৱক-যুৱতীয়ে নটসূৰ্য ফণী শৰ্মাৰ চিৰাজ মঞ্চায়ন কৰে। ইয়াৰ আগতে কালি পুৱা পতাকা উত্তোলন কৰে পৰেশ কলিতাই, স্মৃতি তৰ্পণ কৰে বয়োজ্যেষ্ঠ ব্যক্তি আনন্দ কলিতাই। গ্ৰীষ্মকালীন কৰ্মশালাৰ এজন সমল ব্যক্তি মানসপ্ৰতিম কলিতাই পৰিচালনা আৰু দিগন্ত শইকীয়াই সঞ্চালনা কৰা প্ৰতিযোগিতা উদ্বোধন কৰে সাংস্কৃতিক কৰ্মী ৰাতুল বৰাই।

# মোৰাঝাৰত অতিৰিক্ত বোজাইবাহী বাহনৰ দৌৰাত্ম্য

## মেৰামতিৰ কিছুদিনৰ পাছতে গড়কাপ্তানী পথত প্ৰকাণ্ড প্ৰকাণ্ড গাঁতৰ সৃষ্টি

অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ২৬ জুলাই ঃ** বিধ্বস্ত যাতায়াত ব্যৱস্থাই হোজাই জিলাৰ মোৰাঝাৰ অঞ্চলৰ ৰাইজক জ্বলা-কলা খোৱাইছে। উল্লেখ্য যে দেৰস্থান আৰু মোৰাঝাৰ চামৰআলি গড়কাপ্তানী পকী পথছোৱাৰে দিনে-নিশাই অভাৰলোডিং বালি কঢ়িওৱা ট্ৰাক- ডাম্পাৰসমূহ চলাচল কৰাত সম্প্ৰতি জৰাজীৰ্ণ ৰূপ ধাৰণ কৰিছে। অভিযোগ অনুসৰি, বৃহত্তৰ মোৰাঝাৰ অঞ্চলৰ ৰাইজে বহিঃজগতৰ স'তে যোগাযোগ ৰক্ষা কৰি অহা একমাত্ৰ গড়কাপ্তানী পথছোৱা হৈছে চামৰআলি মোৰাঝাৰ আৰু দেৰস্থান মোৰাঝাৰ গড়কাপ্তানী পথ। এই পথছোৱা মোৰাঝাৰ নীলবাগান হৈ চাৰিলেনযুক্ত ঘাইপথৰ স'তে সংযোগ স্থাপন কৰা হৈছে। সংশ্লিষ্ট বিভাগে এই পথছোৱা কেইমাহমান পূৰ্বে মেৰামতিৰ কাম সম্পন্ন কৰিছিল। কিন্তু যাতায়াত ব্যৱস্থা সুচল হোৱাৰ পাছৰ পৰাই দিনে-নিশাই বালি কঢ়িওৱা ট্ৰাক আৰু ডাম্পাৰৰ দৌৰাত্ম্য বৃদ্ধি পোৱাত পথছোৱাৰ মাজত প্ৰকাণ্ড প্ৰকাণ্ড দ গাঁতৰ সৃষ্টি হৈছে। স্থানীয় ৰাইজে জানিব দিয়া মতে, দেৰস্থান আৰু চামৰআলিৰ মাজত থকা যমুনা নৈত বৈধ আৰু অবৈধ বালি ঘাটৰ পৰা বালিৰ ৰমৰমীয়া ব্যৱসায় অব্যাহত আছে। দৈনিক ১০০ৰ পৰা ১৫০ ট্ৰাক-ডাম্পাৰে অভাৰলোডিং বালি কঢ়িয়াই নিয়াত গড়কাপ্তানী পথৰ বিভিন্ন স্থানত দ গাঁতৰ সৃষ্টি হৈছে। এই ট্ৰাক-ডাম্পাৰসমূহে নীতি ১৩ পৃষ্ঠাত চাওক



# বঙাইগাঁৱত বিজুলী মহোৎসৱ

## 'উজ্জ্বল ভাৰত, উজ্জ্বল ভৱিষ্যৎ' উদ্‌যাপন

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ২৬ জুলাইঃ** সমগ্ৰ ভাৰতবৰ্ষই পালন কৰি আছে 'স্বাধীনতাৰ অমৃত মহোৎসৱ'। দেশখনৰ স্বাধীনতাই ৭৫ বছৰ অতিক্ৰম কৰা উপলক্ষে দেশখনৰ ৰাজ্যসমূহৰ আন আন জিলাৰ লগতে বঙাইগাঁও জিলাতো কালি জাকুৱাপাৰাত স্বাধীনতাৰ অমৃত মহোৎসৱৰ অংশ হিচাপে 'উজ্জ্বল ভাৰত, উজ্জ্বল ভৱিষ্যত' নামেৰে বিজুলী মহোৎসৱ পালন কৰা হয়। জিলাখনৰ দুখন ঠাই জাকুৱাপাৰা আৰু পোপৰাগাঁৱত বিজুলী মহোৎসৱ পালন কৰিবলৈ লোৱা হৈছে। কালি জাকুৱাপাৰাত অনুষ্ঠিত কৰা 'উজ্জ্বল ভাৰত, উজ্জ্বল ভৱিষ্যত' অনুষ্ঠানত উপস্থিত থাকে বঙাইগাঁও বিধানসভা সমষ্টিৰ বিধায়ক ফণীভূষণ চৌধুৰী, জিলা উপায়ুক্ত নৱদ্বীপ পাঠক, আৰক্ষী অধীক্ষক স্বপ্নীল ডেকা, নীপকোৰ উপ-মহাপ্ৰবন্ধক সঞ্জীৱ কুমাৰ বৰুৱা, জিলা পৰিষদৰ প্ৰাক্তন সভানেত্ৰী লীনা সিংহ, বঙাইগাঁও গাঁও-পঞ্চায়তৰ, সভাপতি তিলক নাৰায়ণ দেৱকে ১৩ পৃষ্ঠাত চাওক




# আমি দেহ স্নান কৰো আত্মা স্নান নকৰো ঃ সত্ৰাধিকাৰ দত্তদেৱ গোস্বামী

### ■ মঞ্জুলা কলা কেন্দ্ৰৰ নাট্য কৰ্মশালা সমাপন 'ভোজন বেহাৰ ঝুমুৰা' প্ৰদৰ্শন

অগ্ৰদূত বাৰ্তা

**পশ্চিম যোৰহাট, ২৬ জুলাইঃ** ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সুপৰিচিত পশ্চিম যোৰহাটৰ বৰখঙীয়াৰ মঞ্জুলা কলা কেন্দ্ৰই ২০১৪ৰ প্ৰতিষ্ঠাৰ সময়ৰ পৰাই মহাপুৰুষ দুজনাৰ অমূল্য সৃষ্টি অংকীয়া ভাওনা আৰু সত্ৰীয়া নৃত্যৰ কৰ্মশালাৰ ধাৰাবাহিকতাৰে চলিত বৰ্ষৰ বাবে ১৭ পৰা ২৩ জুলাইলৈ সত্ৰীয়া সংস্কৃতিৰ সাধক-বাহক পৰমানন্দ কাকতি বৰবায়নৰ মুখ্য পৰিচালনাত লগতে বুধিন ভূঞাঁ বায়নৰ দ্বাৰা সম্পন্ন হোৱা কৰ্মশালাৰ সমাপন অনুষ্ঠান বৰখঙীয়া হালোৱা চুক নামঘৰত ২৩ জুলাইত কেন্দ্ৰৰ উপদেষ্টা তথা গুৰু শংকৰদেৱ অধ্যয়ন মঞ্চৰ কাৰ্যকৰী সভাপতি মাণিক বৰাৰ পৌৰোহিত্যত সম্পন্ন হয়। ৰাষ্ট্ৰ নিৰ্মাণ সংস্থা 'সেৱা'ৰ সহযোগত কেন্দ্ৰৰ নাট্য কৰ্মশালাৰ সমাপন অনুষ্ঠানত মুখ্য অতিথিৰূপে শ্ৰীশ্ৰীভোগপুৰ সত্ৰৰ সত্ৰাধিকাৰ দত্তদেৱ গোস্বামীৰ লগতে বৰখঙীয়া বৰনামঘৰৰ সভাপতি তথা বিশিষ্ট সমাজকৰ্মী বোধেশ্বৰ বৰা লেখক তথা ৰ'দালি সভা (যোৰহাট)ৰ প্ৰধান সম্পাদক প্ৰতাপ চন্দ্ৰ শৰ্মা, অৱসৰপ্ৰাপ্ত শিক্ষক তথা সমাজকৰ্মী ক্ৰমে হেমকান্ত বৰা, সত্যনাথ বৰা, আনন্দ বৰা, পৰিৱেশ কৰ্মী প্ৰবীণ কলিতা, সেৱাৰ সংগঠক বিবেক বৰা বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে। উল্লেখ্য যে ঘনমাই হাজৰিকা সোঁৱৰণী মহাপুৰুষ মাধৱদেৱ বিৰচিত 'ভোজন বেহাৰ ঝুমুৰা' প্ৰদৰ্শন আৰু কীৰ্তিমান ছাত্ৰ-ছাত্ৰী সম্বৰ্ধনা শীৰ্ষৰে আয়োজিত অনুষ্ঠানত সত্ৰাধিকাৰ দত্তদেৱ গোস্বামীয়ে সত্ৰীয়া ঐতিহ্যৰ লগতে সামাজিক অনুষ্ঠানৰ দায়বদ্ধতা সামৰি আগবঢ়োৱা বক্তব্য প্ৰসংগত কয় যে আমি ১৩ পৃষ্ঠাত চাওক

# টেঙাখাতৰ ঘোমতাল গাঁৱত কৃত্ৰিম বান



অগ্ৰদূত বাৰ্তা

**টেঙাখাত, ২৬ জুলাই ঃ** টেঙাখাত ৰাজহ চক্ৰৰ অন্তৰ্গত ঘোমতাল গাঁৱত যোৱা নিশাৰ পৰা হোৱা কৃত্ৰিম বানৰ ফলত গাঁওখনৰ লোকে দুৰ্ভোগ ভুগিবলগীয়া হৈছে। কালি সন্ধিয়াৰ পৰা দিয়া এজাকে দবাপিটা বৰষুণৰ পানীয়ে গাঁওখনৰ ঘৰৰ ভেটি, বাৰী বুৰাই পেলায়। যাৰ ফলত গাঁওখনৰ লোকৰ স্বাভাৱিক জীৱনযাপনত ব্যাহত হৈ পৰে। গাঁওখনৰ পথৰ কাষৰ নলাৰেদি পানী ওলাই যাব নোৱাৰাৰ বাবেই এজাক বৰষুণতে গাঁওখনত কৃত্ৰিম বানৰ সৃষ্টি হয় বুলি গাঁওখনৰ লোকে অভিযোগ কৰিছে। কৃত্ৰিম বানৰ ফলত গাঁওখনত ক্ষয়-ক্ষতি হোৱা নাই যদিও ভৱিষ্যতৰ দিনত যাতে কৃত্ৰিম বানৰ সৃষ্টি নহয় তাৰ ব্যৱস্থা কৰিবলৈ গাঁওখনৰ লোকে টেঙাখাত ৰাজহ চক্ৰ বিষয়াক জনায়। কৃত্ৰিম বানৰ পৰিস্থিতি পৰিদৰ্শন কৰিবলৈ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ পৰা কৰ্মচাৰী উপস্থিত হয়।

# গোলাঘাটত অসম গোৰ্খা সন্মিলনৰ বাৰ্ষিক পৰিষদৰ সভা

### ■ গোলাঘাট জিলাৰ ৬৫ গৰাকীকৈ সাহিত্য-সংস্কৃতি তথা সাংগঠনিক ক্ষেত্ৰত সেৱা আগবঢ়োৱা ব্যক্তিক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**নুমলীগড়, ২৬ জুলাই ঃ** 'ভাৰতবৰ্ষই বৰ্তমানলৈকে সম্পূৰ্ণৰূপে স্বাধীনতা লাভ কৰা নাই; কাৰণটো হ'ল যে বৰ্তমানলৈকে দেশৰ প্ৰতিটো জাতিয়ে আত্ম-নিয়ন্ত্ৰণ আৰু সম-বিকাশৰ পূৰ্ণ অধিকাৰ লাভ কৰা নাই।' এই মন্তব্য অসম গোৰ্খা সন্মিলনৰ সভাপতি কৃষ্ণ ভুজেলৰ। কালি গোলাঘাট জিলা গোৰ্খা সন্মিলনৰ উদ্যোগত সৰুপথাৰস্থিত দক্ষিণ গোলাঘাট উন্নয়ন খণ্ড কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত বাৰ্ষিক পৰিষদৰ সভা আৰু বিশেষ অভিনন্দন অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি সভাপতি ভুজেলে লগতে কয় যে ভাৰতবৰ্ষই যেতিয়া পূৰ্ণৰূপে স্বাধীনতা লাভ কৰিব, তেতিয়া প্ৰত্যেক জাতি-জনগোষ্ঠীয়ে আত্ম-নিয়ন্ত্ৰণ অধিকাৰ লাভ কৰিব। গোৰ্খা সন্মিলনৰ গোলাঘাট জিলা সমিতিৰ সাধাৰণ সম্পাদক ৰাজু খনালে আঁতধৰা আৰু জিলা সভাপতি কাজিৰাম বিষ্টৰ পৌৰোহিত্যত অনুষ্ঠিত গম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত তেওঁ একেদৰে কয় যে সেই সময়লৈকে গোৰ্খাসকলেও ন্যায্য প্ৰাপ্য লাভ কৰিব লাগিব। এই ক্ষেত্ৰত ঐক্যবদ্ধভাৱে আগবাঢ়ি যাব লাগিব আৰু জাতিভেদ প্ৰথা তথা উচ্চ-নীচৰ ভেদ-ভাব পৰিহাৰ কৰিব লাগিব বুলিও মুখ্য অতিথি ভুজেলে প্ৰকাশ কৰে। তদুপৰি সভাপতি কৃষ্ণ ভুজেলে উল্লেখ কৰে যে বাবু ডম্বৰ সিং গুৰুঙৰ নেতৃত্বত অসম গোৰ্খা সন্মিলন প্ৰতিষ্ঠা হৈছিল। ১৯৪৬ত প্ৰতিষ্ঠিত গোৰ্খা সন্মিলনে বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে আহি সাম্প্ৰতিক অৱস্থাত উপনীত হৈছে আৰু এই সময়ৰ স'তে খাপ খুৱাই জাতীয় সংগ্ৰাম আগুৱাই নিব লাগিব বুলিও প্ৰকাশ কৰে। ইপিনে, স্বাধীনতা ১৩ পৃষ্ঠাত চাওক

# সংস্কৃতিয়ে সমাজ গঢ়ে আৰু ৰাজনীতিয়ে সমাজ ভাঙে

### ■ মৰিগাঁও মহাবিদ্যালয়ৰ আছু গোটৰ উদ্যোগত ১০ দিনীয়া কৰ্মশালাৰ আয়োজন



**মৰিগাঁও, ২৬ জুলাই ঃ** সাংস্কৃতিক আন্দোলনৰ জৰিয়তে আমাৰ সাংস্কৃতিক সমলসমূহ সংৰক্ষণৰ ব্যৱস্থা কৰাৰ লগতে প্ৰচাৰ আৰু প্ৰসাৰ হ'ব লাগিব। তাৰ বাবে সকলোৰে সাংস্কৃতিক দিশত চৰ্চা কৰিব লাগিব। আমাৰ যুৱক-যুৱতীসকলে যদি বৰগীত, লোকগীত গাব নোৱাৰে, বিহু নাচিব, ঢোল বজাব নাজানে, তেন্তে বিহাৰ, হায়দৰাবাদৰ পৰা কোনেও আহি আমাৰ এই সংস্কৃতি ধৰি নাৰাখে। কালি মৰিগাঁৱত এই মন্তব্য প্ৰকাশ কৰে মৰিগাঁও আছুৰ সম্পাদক ৰূপজ্যোতি মেধিয়ে। আজি মৰিগাঁও মহাবিদ্যালয় আছু গোটৰ উদ্যোগত আৰু মৰিগাঁও মহাবিদ্যালয়ৰ সহযোগত ছাত্ৰ-ছাত্ৰীৰ মাজত অন্তৰ্নিহিত কলা-কৌশলৰ বিভিন্ন দিশত বিকাশ সাধন কৰাৰ মানসেৰে অনুষ্ঠিত বিহু, নাটক আৰু চিত্ৰাংকনৰ বিনামূলীয়া প্ৰশিক্ষণমূলক কৰ্মশালা উদ্বোধন কৰি জিলা আছুৰ সম্পাদক ৰূপজ্যোতি মেধিয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে যে কৃষ্টি-সংস্কৃতি ধৰি ৰখাটো আমাৰ নৱ-প্ৰজন্মৰ দায়িত্ব আৰু কৰ্তব্য। আমি যুগ যুগ ধৰি কৃষ্টি-সংস্কৃতিক সদায় আগস্থান দি আহিছো। কাৰণ সংস্কৃতিয়ে সমাজ গঢ়ে আৰু ৰাজনীতিয়ে সমাজ ভাঙে। আমাৰ এই কৃষ্টি-সংস্কৃতিক আধুনিকতাই যাতে গ্ৰাস কৰিব নোৱাৰে, তাৰ ১৩ পৃষ্ঠাত চাওক

# আজাৰাৰ ৰামচন্দ্ৰ দাসৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**আজাৰা, ২৬ জুলাইঃ** আজাৰাৰ সমাজকৰ্মী ৰামচন্দ্ৰ দাস ওৰফে ৰামচিং (৬৮)ৰ কালি নিজ বাস ভৱনত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁ পত্নী আৰু দুই পুত্ৰ-কন্যাক এৰি যায়। কে'বামাহো ধৰি দুৰাৰোগ্য ৰোগত ভুগি থকা দাসৰ মৃত্যুৰ বাতৰি প্ৰচাৰ হোৱাৰ লগে লগে তেওঁৰ বাসভৱনত গুণমুগ্ধ সমবেত হৈ মৃতকৰ প্ৰতি শ্ৰদ্ধা জনায়। পাছত তেওঁৰ মৃতদেহ আজাৰা সভাঘৰ প্ৰাংগণলৈ অনা হয় আৰু তাতেই আজাৰা তালুক, আজাৰা বন্ধু মিলন নাট্য সমিতি, আজাৰা ৰঙালী বিহু সন্মিলনী আদি বিভিন্ন সংগঠনে শ্ৰদ্ধা জনায়। পাছত আজাৰা ৰাজহুৱা শ্মশানত শেষকৃত্য সমাপন কৰা হয়।

# নগাঁৱত পথ দুৰ্ঘটনা ঃ এজন নিহত

বিশেষ সংবাদদাতা

**নগাঁও, ২৬ জুলাই ঃ** কালি বিয়লি নগাঁও চহৰৰ খুটিকটীয়াত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথত এক পথ দুৰ্ঘটনা সংঘটিত হয়। জানিব পৰা মতে, আজি বিয়লি প্ৰায় ৫.৩০ বজাত হোৱা দুৰ্ঘটনাটোত এগৰাকী পথচাৰী থিতাতে নিহত হয়। এ এছ-০২ এ এফ-৯৬২৬ নম্বৰৰ বাইক আৰোহী ৰহাৰ ভাস্কৰ বণিয়াই নগাঁৱৰ পৰা ৰহালৈ গৈ থকা অৱস্থাত খোজ কাঢ়ি পথটো পাৰ হোৱাৰ সময়ত আব্বাচ আলী নামৰ এজন লোকক খুন্দা মৰাত এই দুৰ্ঘটনা সংঘটিত হয়। ফলত আব্বাচ থিতাতে নিহত হয়। দুৰ্ঘটনাটোত ভাস্কৰ বণিকো আহত হয়। সম্প্ৰতি বণিক চিকিৎসাধীন হ'ব লগা হৈছে। নিহত আব্বাচৰ ঘৰ নগাঁও চহৰৰ সমীপৰ কাৰৈমাৰীত।

# সংস্কৃতি সংগমৰ নৃত্য প্ৰতিযোগিতাত শুৱালকুছিৰ শিল্পীৰ সাফল্য

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ২৬ জুলাইঃ** সংস্কৃতি সংগমৰ ষষ্ঠ আন্তঃৰাষ্ট্ৰীয় আৰু দশম ৰাষ্ট্ৰীয় আৰ্ট, যুগা, সংগীত আৰু নৃত্য প্ৰতিযোগিতাৰ নৃত্য শাখাত শুৱালকুছি নটৰাজ কলা কেন্দ্ৰই ভোৰতাল নৃত্যত শ্ৰেষ্ঠ বঁটা লাভ কৰাৰ উপৰি দলটোৰ একাধিক শিল্পীই বিভিন্ন নৃত্য শিতানত বঁটা লাভ কৰি গাঁওখনলৈ গৌৰৱ কঢ়িয়াই আনে। শিল্প গ্ৰাম গুৱাহাটীৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত প্ৰতিযোগিতাত একক সত্ৰীয়া নৃত্যত অভীপ্সা আকাশ, লোক নৃত্যত পঞ্চী কলিতা আৰু লঘু শাস্ত্ৰীয় নৃত্যত প্ৰয়াসী ভাৰদ্বাজ, আধুনিক নৃত্যত দিজিতা চৌধুৰী শ্ৰেষ্ঠ বঁটা লাভ কৰে। আধুনিক নৃত্যত বৃষ্টিটি ডেকা প্ৰথম, কৃতিকা কলিতা আৰু কৰিশ্মা কলিতাই দ্বিতীয় আৰু লঘু শাস্ত্ৰীয় নৃত্যত নিভৃতি ডেকাই প্ৰথম পুৰস্কাৰ লাভ কাৰ। ইফালে, ভোৰতাল নৃত্যত গীতুমণি বৈশ্য, ভায়োলিনা ডেকা, সুস্মিতা দাস, প্ৰয়াসী ভাৰদ্বাজ, নিভৃতি ডেকা, পঞ্চী কলিতা, কৰিশ্মা কলিতাই অংশগ্ৰহণ কৰে।

### তামুলপুৰৰ বিধায়ক দৈমাৰীৰ প্ৰশংসনীয় পদক্ষেপ

# এপিএছচি পৰীক্ষাত অৱতীৰ্ণ হ'ব বিচৰা শিক্ষাৰ্থীৰ বিনামূলীয়া প্ৰশিক্ষণ

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ২৬ জুলাই ঃ** অসম লোকসেৱা আয়োগ (এপিএছচি)ৰ অধীনত অনুষ্ঠিত হোৱা পৰীক্ষাত অৱতীৰ্ণ হ'ব খোজা তামুলপুৰৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এক সুখবৰ কঢ়িয়াই আনিছে তামুলপুৰৰ বিধায়ক জলেন দৈমাৰীয়ে। কালি তামুলপুৰ প্ৰেছ ক্লাবত এখন সংবাদ মেল সম্বোধন কৰি বিধায়ক দৈমাৰীয়ে কয় যে তেওঁৰ উদ্যোগত জিলাখনৰ পাঁচগৰাকী মেধা ছাত্ৰ-ছাত্ৰীক এপিএছচি পৰীক্ষাৰ বাবে কোচিঙৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ বাবে তামুলপুৰ সমষ্টিৰ ইচ্ছুক ছাত্ৰ-ছাত্ৰীসকলে কাইলৈৰ পৰা নিজৰ আবেদন দাখিল কৰিব পাৰিব। অহা সাত আগষ্টত জিলাখনৰ সদৰ তামুলপুৰ, নাগ্ৰীজুলি আৰু নাওঁকাটাত অনুষ্ঠিত হ'ব এক বাছনি পৰীক্ষা। অহা ১২ ১৩ পৃষ্ঠাত চাওক



# মাজুলীত কৃষ্ণ হোণ্ডাই ছেলচ এণ্ড ছাৰ্ভিচিং কেম্প সম্পন্ন

অগ্ৰদূত বাৰ্তা


**কমলাবাৰী, ২৬ জুলাই ঃ** মাজুলীৰ জনসাধাৰণৰ সুবিধাৰ্থে 'যোৰহাটৰ কৃষ্ণ হোণ্ডাই'ৰ ২২ জুলাইৰ পৰা আজিলৈকে এটি চেলচ আৰু ছাৰ্ভিচিং কেম্প সম্পন্ন হয়। মাজুলী জিলা সদৰ গড়মূৰৰ মিনি ষ্টেডিয়ামৰ সমীপত চলা চাৰিদিনীয়া এই কেম্পত ৰাইজৰ যথেষ্ট সহাৰি লাভ কৰিছিল চেলচ এণ্ড ছাৰ্ভিচিং আৰু সেৱা কেম্পে। মাজুলীৰ ভালে কেইজন গণ্য-মান্য ব্যক্তিৰ উপস্থিতিত এই কেম্প উন্মোচন কৰে ভাৰতীয় ষ্টেট বেংক মাজুলীৰ কমলাবাৰী শাখাৰ শাখা পৰিচালক মানস জ্যোতি বৰুৱাই। চাৰিদিনীয়াকৈ অনুষ্ঠিত এই ছাৰ্ভিচিং কেম্পত জিলাখনৰ বিভিন্ন অঞ্চলৰ দৈনিক ১০-১২ খনৰ অধিক গাড়ী ছাৰ্ভিচিং কৰে। এই ছাৰ্ভিচিং কেম্পৰ দায়িত্ব তত্ত্বাৱধানত থকা বিষয়াই সংবাদ মাধ্যমক অৱগত কৰা মতে মাজুলীবাসীৰ বিশেষ সুবিধাৰ্থে ৰাইজ নদী পাৰ হৈ যোৰহাট নোযোৱাকৈ প্ৰতি মাহে যোৰহাটৰ পৰিৱৰ্তে মাজুলীত এই সুবিধা উপলব্ধ কৰাৰ ব্যৱস্থা হাতত লৈছে। অৰ্থাৎ কোম্পানীটোৱে প্ৰতি মাহে এই সেৱা মাজুলীত অব্যাহত ৰাখিব। সবিশেষ জানিবৰ কাৰণে ৬৯০১২২৬৩৪০ আৰু ৮৬৩৮৭৯৩৩২৮ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

# গোসাঁইগাঁৱত চাওতাল জনগোষ্ঠীৰ মহিলা ৰাষ্ট্ৰপতিক লৈ বিজয় উল্লাস

অগ্ৰদূত বাৰ্তা

**গোসাঁইগাঁও, ২৬ জুলাই ঃ** দেশে স্বাধীনতা লাভৰ ৭৫ বছৰ অতিক্ৰম কৰাৰ সময়তে এগৰাকী চাওতাল জনগোষ্ঠীৰ মহিলাই কালি ভাৰতৰ ৰাষ্ট্ৰপতিৰূপে শপতগ্ৰহণ কৰি ৰাষ্ট্ৰপতিৰ পদত অধিষ্ঠিত হোৱাত জনগোষ্ঠীটোৰ মাজত স্বাভাৱিকতে আনন্দৰ বন্যা বৈছে। কালি সদৌ চাওতাল ছাত্ৰ সন্থা চমুকৈ এছুৰ গোসাঁইগাঁও জিলা সমিতি উদ্যোগত আৰু আদিবাসী কোব্ৰা মিলিটেণ্ট অৱ অসম (আকমা), চাওতাল টাইগাৰ ফ'ৰ্চ (এছটিএফ) আৰু গুমা বনাঞ্চলত বসবাস কৰা বিভিন্ন গাঁৱৰ মুৰব্বী তথা মহিলাসকলে এই বিজয় উল্লাসত চামিল হৈ আনন্দত আত্মহাৰা হৈ পৰে । পুৰুষ-মহিলা নিৰ্বিশেষে মুকলি স্থানত সমবেত হৈ পুৰুষসকলে বজোৱা জনগোষ্ঠীটোৰ তামদাক টামাক বাদ্যৰ তালে তালে লয়লাস ভংগিমাৰে মহিলাসকলে জনগোষ্ঠীয় নৃত্য কৰি এক আনন্দ মুখৰ পৰিৱেশৰ সৃষ্টি কৰে। সমান্তৰালকৈ যুৱকসকলে ফটকা ফুটাই অনুষ্ঠানস্থলীত আবতৰীয়া দেৱালীৰ সৃষ্টি কৰি আনন্দ উল্লাসত মতলীয়া হৈ পৰে। গোসাঁইগাঁও চহৰৰ পৰা নাতি দূৰৈত অৱস্থিত মা মহামায়া ধামৰ সমীপৰ সত্যপুৰ এল পি স্কুলত আজি অনুষ্ঠিত এই অনুষ্ঠানৰ পূৰ্বে সমবেত ৰাইজে অনুষ্ঠানস্থলীৰ পৰা মহামায়াধামলৈ এক বিশাল সাংস্কৃতিক সমদল উলিয়ায়। উদ্‌যাপন সমিতিৰ বিষয়ববীয়াই 'দৈনিক অগ্ৰদূত'ৰ আগত সদৰী কৰা মতে অসমত বসবাস কৰা খিলঞ্জীয়া ভূমিপুত্ৰ আদিবাসী তথা চাওতাল জনগোষ্ঠীটোৰ জনজাতিকৰণৰ দীৰ্ঘদিনীয়া দাবীয়ে অহা দিনত এক যোগাত্মক গতি লাভ কৰিব বুলি আশা প্ৰকাশ কৰে। আজিৰ এই অনুষ্ঠানত সদৌ চাওতাল ছাত্ৰ সন্থা (এছু)ৰ সহকাৰী সম্পাদক বিমল চৰেন, আকমা (বৰবিল কেম্প)ৰ ভাৰপ্ৰাপ্ত বিষয়া ৰাজেশ বাস্কে, এছুৰ গোসাঁইগাঁও জিলা সমিতিৰ উপ-সভাপতি লধেয়া হেম্ব্ৰম, বল্লমঝোৰা গাঁৱৰ সমাজকৰ্মী বিশ্বনাথ ১৩ পৃষ্ঠাত চাওক

# তেজপুৰত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ অভিনন্দন অনুষ্ঠান



ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২৬ জুলাই ঃ** অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ তেজপুৰ নগৰ শাখাৰ উদ্যোগত সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হোৱা তেজপুৰ চহৰৰ বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়ৰ কৃতী ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। কালি এক বিশেষ অভিনন্দন অনুষ্ঠানত মুখ্য অতিথি, বিশিষ্ট অতিথি আৰু নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকে ক্ৰমে তেজপুৰ সমষ্টিৰ বিধায়ক পৃথ্বিৰাজ ৰাভা, তেজপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জ্যোতিকমল হাজৰিকা আৰু অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ৰাষ্ট্ৰীয় সম্পাদক ৰাকেশ দাস। কৃতী ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱা এই অনুষ্ঠানত অংশগ্ৰহণ কৰা বিশিষ্ট অতিথিসকলে ছাত্ৰ-ছাত্ৰীসকলক স্থিৰ লক্ষ্য আৰু একাগ্ৰতাৰে আগবাঢ়ি যাবলৈ আহ্বান জনোৱাৰ লগতে নিৰ্দিষ্ট লক্ষ্যত উপনীত হোৱাৰ পাছত সমাজখনৰ বাবেও ইতিবাচক কাম কৰিব বুলি আশা ব্যক্ত কৰে।

# পৰ্বতঝোৰাত ৭৬ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**চিথিলা কোকৰাঝাৰ, ২৬ জুলাই ঃ** আজি কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ মহকুমাধিপতি কাৰ্যালয়ত সমাগত স্বাধীনতা দিৱস উদ্‌যাপন সম্পৰ্কীয় এখন সভা অনুষ্ঠিত হয়। কোকৰাঝাৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত তথা পৰ্বতঝোৰা মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি অনছুলা বসুমতাৰীৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনত ৭৬ সংখ্যক স্বাধীনতা দিৱস যাতে সুকলমে অনুষ্ঠিত হয়, সেই সম্পৰ্কে বিতং আলোচনা কৰা হয়। প্ৰতিটো বিভাগৰ বিষয়া-কৰ্মচাৰীসকলক নিজা নিজা দায়িত্ব সুকলমে পালন কৰিবলৈ তেওঁ আহ্বান জনায়। উল্লেখ্য যে বিগত বছৰবোৰত কাজিগাঁও এমভি স্কুল খেলপথাৰত এই অনুষ্ঠানটো অনুষ্ঠিত হৈছিল যদিও এইবাৰ কাজিগাঁও গাৰোপাৰা যুথ স্পৰ্ট ক্লাব খেলপথাৰত অনুষ্ঠিত হ'ব। অনুষ্ঠানত বড়ো, ৰাভা, গাৰো, আদিবাসী আদি জনগোষ্ঠীৰ সাংস্কৃতিক দলে অংশগ্ৰহণ কৰাৰ উপৰি বিহুদলেও নিজা কাৰ্যসূচী পৰিৱেশন কৰিব। ইয়াৰ উপৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন আৰু ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। 'ক' শাখাত ষষ্ঠ মানৰ পৰা অষ্টম মানৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত 'মোৰ দৃষ্টিত স্বাধীনতা দিৱস' (১০০ৰ পৰা ১৫০ শব্দৰ ভিতৰত) আৰু 'খ' শাখাত নৱম মানৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ ১৩ পৃষ্ঠাত চাওক

### পানেৰীত ১৯ সংখ্যক আদিবাসী ছহিদ দিৱস উদ্‌যাপন

# ছহিদৰ তেজৰ মূল্যৰ সংগ্ৰাম হ'ব ঃ আছা

অগ্ৰদূত বাৰ্তা

**টংলা, ২৬ জুলাই ঃ** সোমবাৰে ওদালগুৰি জিলাৰ পানেৰী চাহ বাগিচাত সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ উদ্যোগত ১৯ সংখ্যক ছহিদ দিৱস উদ্‌যাপন কৰা হয়। উল্লেখ্য যে যোৱা ২০০৩ৰ ২৫ জুলাইত সদৌ অসম ভিত্তিত আদিবাসী জনজাতিকৰণ কৰাৰ দাবীত অসম বন্ধৰ ঘোষণা কৰি ৰাজ্যৰ ভিন্ন প্ৰান্তত তেওঁলোকৰ প্ৰাপ্য দাবীসমূহ গণতান্ত্ৰিক প্ৰতিবাদৰ জৰিয়তে উপস্থাপন কৰিছিল। সমান্তৰালভাৱে ওদালগুৰি জিলাৰ পানেৰী থানাৰ অন্তৰ্গত কছুবিল চ'কত প্ৰতিবাদী কাৰ্যসূচীত অসংখ্য লোক ওলাই আহিছিল। উক্ত প্ৰতিবাদী কাৰ্যসূচী চলি থকাৰ মাজতেই প্ৰশাসনৰ তৰফৰ পৰা কোনো ধৰণৰ জাননী নোহোৱাকৈ প্ৰতিবাদকাৰীসকলৰ ওপৰত আক্ৰমণ তথা গুলিবৰ্ষণ কৰে। ফলত প্ৰতিবাদীসকলৰ ভিতৰত (আঠ)গৰাকীকৈ আদিবাসী প্ৰতিবাদকাৰীয়ে থিতাতে মৃত্যুক সাৱটি ল'বলগীয়া হয়। ইয়াৰ লগতে প্ৰায় সংখ্যক প্ৰতিবাদকাৰী আহত হৈ চিৰদিনৰ বাবে ঘুণীয়া হয়। কিন্তু মন কৰিবলগীয়া বিষয় যে ইমানবোৰ হৈ যোৱাৰ পাছতো তেওঁলোকৰ সেই দাবীসমূহে বৰ্তমানেও কোনো গুৰুত্ব নাপালে। আনকি আৰক্ষীৰ সেই নিৰ্মম গুলিত গুলিবিদ্ধ হৈ চিৰকালৰ বাবে ঘুনীয়া হোৱা প্ৰত্যেককে চৰকাৰে দিয়া কৰ্মসংস্থাপনৰ প্ৰতিশ্ৰুতি আজিও ফলপ্ৰসূ নহ'ল। ইয়াৰ উপৰি ১৯৯৬ৰ পৰা ২০১১লৈ উক্ত দাবীৰ বাবে মুঠ ১৮ গৰাকী লোক ছহিদ হ'বলগীয়া হয়। ২০০৩ত সংঘটিত সেই পানেৰী কাণ্ড'ৰ আজিলৈকে কোনো ১৩ পৃষ্ঠাত চাওক



# কবিতা আলোচনী 'ৰ'দালি'ৰ স্বৰচিত কবিতা পাণ্ডুলিপি প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

**সৰুপথাৰ, ২৬ জুলাইঃ** ২০২১ৰ ছেপ্টেম্বৰত জন্মগ্ৰহণ কৰা মাহেকীয়া কবিতা আলোচনী 'ৰ'দালি'য়ে গোলাঘাট জিলাৰ সৰুপথাৰস্থিত 'ৰ'দালি প্ৰকাশন'ৰ যোগেদি ধাৰাবাহিকভাৱে কবিতা প্ৰকাশ কৰি পাঠক সমাজলৈ আগবঢ়াই দিয়াৰ লগতে অসমীয়া কাব্য সাহিত্যলৈ অৱদান আগবঢ়াই আহিছে। কাব্য সাহিত্যৰ প্ৰতি নৱপ্ৰজন্মক আকৰ্ষিত কৰাৰ লগতে আগ্ৰহী কৰি তোলাৰ উদ্দেশ্যৰে ৰ'দালি কাব্য আলোচনীয়ে আয়োজন কৰিছিল সদৌ অসম ভিত্তিত এক স্বৰচিত কবিতাৰ পাণ্ডুলিপি আৰু স্বৰচিত কবিতা প্ৰতিযোগিতাৰ। ২৪ জুলাইত 'ৰ'দালি প্ৰকাশন'ৰ দ্বাৰা গঠিত বিশেষ 'জুৰি ব'ৰ্ডে' এক সংবাদমেলৰ জৰিয়তে উক্ত প্ৰতিযোগিতাৰ ফলাফলসমূহ ঘোষণা কৰে। উল্লেখ্য যে বিগত জুনৰ প্ৰথম সপ্তাহতে 'ৰ'দালি প্ৰকাশন' গোষ্ঠীয়ে 'ৰ'দালি' কাব্যালোচনীখনৰ ছেপ্টেম্বৰত অনুষ্ঠিত হ'বলগীয়া বৰ্ষপূৰ্তি অনুষ্ঠানৰ লগত সংগতি ৰাখি সদৌ ১৩ পৃষ্ঠাত চাওক

বিল্যাসনন্দন চ'ৰা



## চাহিত্য চভাৰ দৰকাৰী আলচ

চাহিত্য চভাৰ গুৰুত্বপূৰ্ণ মিটিং বহিছে। অলপ চাৱধান হৈ থাকিব। কাৰণ চাহিত্য চভাৰ মিটিং। ইয়াত চাহিত্যক লৈ বহু ভাল ভাল কথা আলোচনা হ'ব। বহু বুদ্ধিদীপ্ত আলোচনা হ'ব। বহু চিন্তাশীল আলোচনা হ'ব। বহু আবেগিক আলোচনা হ'ব। গতিকে চাহিত্য চভাৰ মিটিঙক লৈ আটায়ে অলপ গুৰু-গম্ভীৰ হৈ থকাটো দৰকাৰ। কিয়নো চাহিত্য চভা এলেপেচা চভা নহয়। এয়া লোগ্চভা বা ৰাজচভাৰ দৰে নহয়। লোগচভা বা ৰাজচভাত হাল্লা-চিল্লা হ'লেও তাত অন্ততঃ আলাপ-আলোচনাবোৰ হয় দেছৰ বিভিন্ন প্ৰব্লেমক লৈ। কিন্তু চাহিত্যৰ কোনো প্ৰব্লেম নাথাকে। কিবা থাকিলেও চাহিত্যিকে সেয়া নিজে নিজে ছ'ল্ভ কৰি লয়। অভাৱ হৈছে, পেন্সন লৰক। বঁটা লাগে, ৰজা-মহাৰজাৰ গুণগান কৰি ফেচবুকত দুটামান কবিতা ৰচনা কৰি দিয়ক। কিবা পদবী লাগে? কোনো কথা নাই। ৰজা-মহাৰজাৰ মিটিংবোৰৰ আগে আগে দুই-এটা অগ্নিবৰষা কবিতা আবৃত্তি কৰি ৰজনজনাই দিয়ক। গতিকে কোনো প্ৰব্লেম নাই। প্ৰব্লেমটো হ'ল চাহিত্য চভা। ইয়াত চাহিত্যিকেই চাহিত্যিকৰ লক্ষ্য হৈ পৰে। চাহিত্যিকেই চাহিত্যিকৰ প্ৰধান শত্ৰু হৈ পৰে। চাহিত্য চভা এটা জাতীয় অনুষ্ঠান। জাতিৰ চিন্তাই জুৰুলা কৰি মাৰিছে এই চাহিত্য চভাক। খুলি খুলি খাইছে চাহিত্য চভাক। এনে সংকটকালত জাতিটোৰ কাৰণে চাহিত্য চভাই কি কি অৱদান আগবঢ়াব পাৰে, তাৰেই এটা এনালাইছিছ হ'ব এইখন চভাত।

চভাত বহি চাহিত্যিকসকলে আলাপ কৰাত লাগিলেই— 'আমি হ'লো জাতীয় অনুষ্ঠানৰ মানুহ।'

ঃ সেইটোতো হয়েই!
ঃ আমি চাহিত্যৰ মাজেদি জাতীয় সমস্যাবোৰ তুলি ধৰিব লাগিব।
ঃ সদায় জাতিটোৰ কথাই ক'ব লাগিব।
ঃ খুব চাফাকৈ ক'ব লাগিব।
ঃ তাৰ বাবে আমি নিজেই আগেয়ে চাফা লৈ ল'ব লাগিব।
ঃ আমিনো ক'ত লেতেৰা হৈছো?
ঃ লেতেৰা হৈছে।
ঃ কি লেতেৰা হৈছে?
ঃ চভাৰ ভিতৰচ'ৰা লেতেৰা হৈছে।
ঃ কি লেতেৰা হৈছে কৰক।
ঃ লেনা-দেনাবোৰত গণ্ডগোল আছে।
ঃ আৰু?
ঃ বেংকৰ ভুৱা একাউণ্টত টকা জমা থোৱা হৈছে।
ঃ এইবোৰ সঁচা নেকি?
ঃ সঁচা!
ঃ টকাৰ পৰিমাণটো কিমানমান হ'ব?
ঃ বহু লাখ টকা হ'ব।
ঃ অকলেই খাই হজম কৰিলে নেকি?
ঃ তেনেকুৱা যেনেই পাইছো।
ঃ এইবোৰ বেয়া কথা হৈছে।
ঃ সৱ কাম সন্মিলিত প্ৰচেষ্টাত হ'ব লাগে।
ঃ সঁচা কথা। চাহিত্য চভা কাৰোৰে পৈতৃক সম্পত্তি নহয়।
ঃ মুঠেই নহয়।
ঃ কোনেও অকলে খাব নোৱাৰে।
ঃ কেতিয়াও নোৱাৰে।
ঃ যি খাওঁ লগে-ভাগে খাব লাগিব।
ঃ সন্মিলিত প্ৰচেষ্টাৰে খাব লাগিব।
ঃ আমি একেলগে বহি খাব লাগিব।
ঃ এইবাৰ কিন্তু আমি একেলগে বহিও খাব পৰা নাই।
ঃ নাই পৰাতো! ক'ৰ কি খানা ৰান্ধিছে?
ঃ কমচে কম চিকেন-বিৰিয়ানিতো খুৱাব পাৰিলেহেঁতেন।
ঃ বিৰিয়ানি নহ'লেও কমচে কম পলাওতো খুৱাব পাৰিলেহেঁতেন।
ঃ একো পিচকৈ তন্দুৰীৰো ব্যৱস্থা কৰিব পাৰিলেহেঁতেন।
ঃ পাৰিলেহেঁতেন।
ঃ এইবোৰ কথাক লৈ আমি আৰু বেছি খৰচি মাৰি আলোচনা কৰিব লাগিব বুজিছা।
ঃ লাগিব।
ঃ আৰু চাহিত্যৰ কথা, জাতিৰ কথা— সেইবোৰ কেতিয়া আলোচনা কৰিম?
ঃ ৰাতি কৰিম দিয়া— বিছনাত শুই শুই! টোপনি নহালৈকে!



## ১২ বছৰ ধৰি ৯০ ডিগ্ৰী বেঁকা আছিল কিশোৰীৰ ডিঙি

### বিনামূল্যে চিকিৎসা কৰি চিধা কৰিলে ভাৰতৰ চিকিৎসকে

বেঁকা ডিঙিৰ যন্ত্ৰণা তথা অন্যান্য সমস্যা সহ্য কৰি কৰিয়েই আফছিনা শিশুৰ পৰা কিশোৰী হৈছিল। পিতৃ-মাতৃয়ে এই বিৰল ৰোগৰ বহু চিকিৎসা কৰাই সুফল পোৱা নাছিল। আৰ্থিকভাৱে পিছপৰা পৰিয়ালটোৰে কন্যাৰ উন্নত চিকিৎসাৰ বাবে অধিক ধনো যোগাৰ কৰিব পৰা নাছিল। অৱশেষত কন্যাক নিজৰ ভাগ্যৰ ওপৰতে এৰি দিবলৈ বাধ্য হৈছিল অসহায় পিতৃ-মাতৃয়ে। যদিও কিছু অপ্ৰত্যাশিতভাৱেই ভাগ্য উদয় হ'ল আফছিনাৰ।



**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৬ জুলাই ঃ** মানৱতাক যে কোনো ৰাজনৈতিক-কূটনৈতিক জটিলতাই বাধা দি ৰাখিব নোৱাৰে, তাৰেই এক উদাহৰণে পুনৰ চৰ্চা লাভ কৰিছে। পাকিস্তানৰ এগৰাকী কিশোৰীক নতুন জীৱন প্ৰদান কৰিলে ভাৰতৰ এজন চিকিৎসকে। এটকাও পাৰিশ্ৰমিক নোলোৱাকৈয়ে এই চিকিৎসকে প্ৰায় অসাধ্য সাধন কৰিলে।১৩ বছৰৰ আফছিন গুলে কিমান দিন জীয়াই থাকিব পাৰিব বা জীৱিত থাকিব নে নাই, কোনো বিষয়তে নিশ্চিত নাছিল তেওঁৰ পৰিয়াল। শিশু অৱস্থাত জ্যেষ্ঠা ভগ্নীৰ কোলাৰ পৰা সৰি পৰাত তেতিয়াৰ ১০ মহীয়া আফছিনৰ ডিঙিটো ৯০ ডিগ্ৰী বেঁকা হৈ পৰিছিল। বিগত ১২টা বছৰে সেই ডিঙি চিধা হোৱা নাছিল। ফলত আন সমনীয়াৰ দৰে আফছিনে স্কুললৈ গৈ পঢ়া-শুনা বা খেলা-ধূলা কৰিব পৰা নাছিল। এক অনিশ্চিত-অসহায় জীৱন ধাৰণ কৰিছিল আফছিনে। সম্প্ৰতি এক ঘটনাই নিশাৰ ভিতৰতে সলনি কৰিলে এই ত্ৰয়োদশীৰ জীৱন।

উল্লেখ্য যে বেঁকা ডিঙিৰ যন্ত্ৰণা তথা অন্যান্য সমস্যা সহ্য কৰি কৰিয়েই আফছিনা শিশুৰ পৰা কিশোৰী হৈছিল। পিতৃ-মাতৃয়ে এই বিৰল ৰোগৰ বহু চিকিৎসা কৰাই সুফল পোৱা নাছিল। আৰ্থিকভাৱে পিছপৰা পৰিয়ালটোৰে কন্যাৰ উন্নত চিকিৎসাৰ বাবে অধিক ধনো যোগাৰ কৰিব পৰা নাছিল। অৱশেষত কন্যাক নিজৰ ভাগ্যৰ ওপৰতে এৰি দিবলৈ বাধ্য হৈছিল অসহায় পিতৃ-মাতৃয়ে। যদিও কিছু অপ্ৰত্যাশিতভাৱেই ভাগ্য উদয় হ'ল আফছিনাৰ। সম্প্ৰতি এজন চিকিৎসকে নিজা উদ্যোগত আফছিনাক সুস্থ কৰি তোলাৰ প্ৰস্তাৱ আগবঢ়ায়। তাকো সম্পূৰ্ণ বিনামূলীয়াকৈ। উল্লেখ্য যে আফছিনা হৈছে পাকিস্তানৰ কিশোৰী। আকৌ সেই পাক কিশোৰীকে সুস্থ কৰি তোলাৰ প্ৰস্তাৱ দিয়া চিকিৎসকজন হৈছে ভাৰতৰ। দুই দেশৰ মাজত থকা কূটনৈতিক সমস্যাৰ বিষয়টোক একাষৰীয়াকৈ থৈ মানৱতাৰ টানত বিনামূলীয়াকৈ চিকিৎসা কৰাৰ প্ৰস্তাৱ দিয়া এই ভাৰতীয় চিকিৎসকজন হৈছে ডাঃ ৰাজাগোপাল কৃষ্ণণ। এজন ব্ৰিটিছ সাংবাদিকৰ প্ৰতিবেদনৰ পৰা তেওঁ আফছিনৰ সম্পৰ্কে অৱগত হৈছিল। ডাঃ কৃষ্ণণে জনাইছে যে সেই দুৰ্ঘটনাত আফছিনৰ ডিঙি বেঁকা হোৱাৰ সমান্তৰালকৈ চেৰিব্ৰেল পালছিতো আক্ৰান্ত হৈছিল। এই জটিলতাই তেওঁৰ ডিঙিটো ঠিক হ'বলৈ দিয়া নাছিল। চিকিৎসা জগতত এই ঘটনা কেতিয়াও হোৱা নাছিল। তৎসত্ত্বেও ডাঃ কৃষ্ণণে আফছিনাক সুস্থ কৰি তোলাৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিছিল।

আনহাতে, আফছিনৰ পৰিয়ালে জনাইছে যে তেওঁলোকে কেৱল কিছু ধন যোগাৰ কৰি পাকিস্তানৰ পৰা দিল্লীলৈ আহিবলগীয়া হৈছিল। অৱশ্যে তাৰ বাবেও তেওঁলোকে এটা অনলাইন ফাণ্ডিং প্ৰতিষ্ঠানৰ সহায় ল'বলগীয়া হৈছিল। কাৰণ তেওঁলোকৰ ভাৰতলৈ অহাৰ অৰ্থ ব্যয় কৰাৰ ক্ষমতাও নাছিল। আফছিনৰ ভ্ৰাতৃয়ে কয়, 'চিকিৎসকে আমাক কৈছিল যে ডিঙিৰ অস্ত্ৰোপচাৰ হোৱাৰ পূৰ্বে আফছিনৰ আন চাৰিটা অস্ত্ৰোপচাৰ হ'ব। সেইবোৰ হোৱাৰ পাছত যোৱা ফেব্ৰুৱাৰীত মূল অস্ত্ৰোপচাৰ হয়। প্ৰায় ছঘণ্টাৰ অস্ত্ৰোপচাৰত যি কোনো সময়তে আফছিনৰ হৃদযন্ত্ৰ বা তেওঁৰ হাওঁফাওঁৱে কাম কৰা বন্ধ কৰিব পাৰে বুলি জনাইছিল চিকিৎসকে।' যাৰ বাবে অস্ত্ৰোপচাৰৰ প্ৰতিটো মুহূৰ্ত চৰম উদ্বেগৰ মাজেৰে পাৰ কৰিছিল পৰিয়ালটোৱে। যদিও শেষ পৰ্যন্ত অস্ত্ৰোপচাৰ সফল হয়। চিকিৎসক কৃষ্ণণৰ প্ৰশংসা কৰি আফছিনৰ ভ্ৰাতৃ য়াকুব কুম্বেৰে কয়, 'তেওঁ আমাৰ ভগ্নীৰ জীৱন ৰক্ষা কৰিলে, আমাৰ বাবে তেওঁৱেই ঈশ্বৰৰ দূত। এতিয়া আফছিনে ডিঙি পোন কৰি হাঁহিব পাৰিছে, কথা পাতিব পাৰিছে, হয়তো আগন্তুক দিনত পঢ়া-শুনাও কৰিব।'

অৱশ্যে চিকিৎসকে জনাইছে যে আফছিনৰ এতিয়াই অস্ত্ৰোপচাৰ নোহোৱা হ'লে তেওঁ বেছি দিন জীয়াই নাথাকিলহেঁতেন। সম্প্ৰতি ডাঃ কৃষ্ণণে নিয়মিতৰূপে স্কাইপৰ মাধ্যমেৰে আফছিনৰ খা-খবৰ ৰাখি আছে।

## এখন আকাশতে চাৰিটা সূৰ্যৰ সন্ধান

### চতুৰ্থ নক্ষত্ৰক ইতিমধ্যেই গিলি খালে আন তিনিটাই

**নিউজ ব্যুৰ'**
**কোপেনহেগেন, ২৬ জুলাই ঃ** এখন আকাশত দুটা সূৰ্য থাকিব নোৱাৰে। বহু পূৰ্বৰে পৰাই সকলোৱে এই কথা জানি আহিছে। অথচ সেই প্ৰবাদ যে কেৱল আমাৰ পৃথিৱীৰ কাৰণেহে সত্য, সেয়াও সম্প্ৰতি প্ৰমাণ হ'ল। কিয়নো আমাৰ পৰা ১৫০ আলোকবৰ্ষ দূৰত অৱস্থিত 'এইছডি ৯৮৮০০' নক্ষত্ৰমণ্ডলীৰ সন্ধান পোৱাত অবাক হৈ পৰিছে জ্যোতিৰ্বিজ্ঞানীসকল। কাৰণ তাত দেখা পোৱা গৈছে তিনিটা নক্ষত্ৰ। বিজ্ঞানীসকলে এয়াও জানিব পাৰিছে যে আচলতে তিনিটা নহয়, সেই সৌৰজগতত আছিল চাৰিটা 'সূৰ্য'। ইয়াৰে চতুৰ্থ সূৰ্যটোক হেনো বাকী তিনিটাই মিলি ইতিমধ্যে আত্মসাৎ কৰিছে। এনে আজৱ নক্ষত্ৰমণ্ডলীৰ সন্ধান পোৱাত স্বাভাৱিকতে বিস্মিত হৈ পৰিছে বিজ্ঞানীসকল। কোপেনহেগেন বিশ্ববিদ্যালয়ৰ নিয়েল ব'ৰ ইনষ্টিটিউটৰ তৰফৰ পৰা আলেজান্দ্ৰ' ভিগনা-



গোমেজে এই সন্দৰ্ভত কয়, 'আমি যিমানদূৰ জানো, এনে কিবা বস্তুৰ সন্ধান আমি প্ৰথমবাৰলৈ পালো। অতিকায় নক্ষত্ৰসমূহে এনেদৰে ইমান ওচৰতে অৱস্থান কৰিছে যে ভাবিলেই অবাক হ'ব লাগে।' ঠিক কিদৰে এই নক্ষত্ৰমণ্ডলীৰ ভিতৰত অৱস্থান কৰিছে সূৰ্য তিনিটাই? জনা গৈছে যে ইয়াৰে দুটা তৰাই এদিনত ইটোৱে সিটোক প্ৰদক্ষিণ কৰিব পাৰে। সেই দুটা নক্ষত্ৰৰ ওজন আমাৰ সূৰ্যৰ ওজনতকৈ ১২ গুণ বেছি। ইয়াৰ উপৰি তাত আছে আৰু এটা নক্ষত্ৰ। সেইটো অৱশ্যে আৰু বেছি গধুৰ। আমাৰ সূৰ্যতকৈ ইয়াৰ ভৰ ১৬ গুণ বেছি। বিজ্ঞানীসকলে জনাইছে যে ইয়াত আৰু এটা নক্ষত্ৰ আছিল। যদিও বাকী তিনিটা সূৰ্যই মিলি তাক ইতিমধ্যে গিলি পেলাইছে। সম্প্ৰতি গৱেষকসকলে টেলিস্কোপৰ সাহায্যত এই নক্ষত্ৰসমূহ পৰীক্ষা কৰি আছে। সিবোৰৰ গঠন আৰু তথ্যগত বিশ্লেষণ কৰা হৈছে। ধাৰণা কৰা হৈছে যে ইয়াৰ ফলত এই সংক্ৰান্তীয় আৰু নতুন তথ্য হাতলৈ আহিব পাৰে। যাৰ সাহায্যত নক্ষত্ৰসমূহৰ স্বৰূপ বুজা যাব বুলি বিজ্ঞানীসকলে ধাৰণা কৰিছে। ইয়াৰ সমান্তৰালকৈ প্ৰাথমিক গৱেষণাত যি জনা গৈছে, সঁচাকৈয়ে নক্ষত্ৰসমূহ তেনেকুৱাই নেকি সেয়াও বিস্তাৰিত গৱেষণাৰ ফলত বুজি পোৱাটো সম্ভৱ হৈ উঠিব।

APOLLO HOSPITALS CHENNAI
GASTROENTEROLOGIST
ON 6th & 7th August 2022
APOLLO HOSPITALS INFORMATION CENTRE

### চাৰিঙত প্ৰশান্ত, লোহিত, যাদৱ সীমান্তই আজিও নাঙলৰ সীৰলুত ৰচিছে সেউজ সপোন

## বিলুপ্তিৰ দিশে চহা জীৱনৰ গৰুৰে হাল বোৱাৰ চিনাকি ছবিখন



অগ্ৰদূত বাৰ্তা
গৌৰীসাগৰ, ২৬ জুলাই ঃ গ্ৰামাঞ্চলৰ কৃষিভূমিত এতিয়া কৃষি কৰ্মৰ উথপথপ পৰিৱেশ। গ্ৰাম্য অৰ্থনীতিৰ প্ৰধান মেৰুদণ্ড শালি খেতিৰ ভৰপক বতৰত প্ৰতিটো কৃষক পৰিয়াল সম্প্ৰতি শাওণৰ পথাৰত ভুঁই ৰুৱা, শাল বোৱা কৰ্মক লৈ যেন ব্যস্ততাৰ অন্ত নাই। অৱশ্যে আধুনিক প্ৰযুক্তিৰ আগ্ৰাসনৰ কৱলত পৰি কৃষিকৰ্মৰ ৰেহ ৰূপ সালসলনি হৈ পৰাই নহয় অতীতৰ কষ্টকৰ বাতাৱৰণো ক্ৰমাৎ লাঘৱ কৰি আনিছে। কৃষি কৰ্মত ব্যৱহাৰ হোৱা গৰুৰে হাল বোৱা পৰম্পৰাৰ সলনি আৱিষ্কাৰ হ'ল পাৱাৰটিলাৰ, ট্ৰেক্টৰৰ দৰে যন্ত্ৰৰ। কালক্ৰমত চহা জীৱনৰ পৰা গৰুৰে হাল বোৱাৰ চিৰপৰিচিত ছবিখন দ্ৰুতগতিত হেৰাই যাব ধৰিছে। উল্লেখ্য যে ব'হাগ মাহ সোমোৱাৰ লগে লগে সুদীৰ্ঘ পাঁচমাহ কাল কৃষকৰ স'তে এৰাব নোৱৰা সম্পৰ্ক জড়িত থকা হালোৱা গৰুবোৰ এলাগী হৈ পৰিল। এলাগী হৈ পৰিল পৰম্পৰাগত নাঙল - যুঁৱলিৰ দৰে সম্পদ সদৃশ সঁজুলিবোৰ। তাৰ ঠাই দখল কৰিলে পাৱাৰটিলাৰ আৰু ট্ৰেক্টৰে। কিন্তু ৯৫ শতাংশ কৃষকে পাৱাৰটিলাৰ বা ট্ৰেক্টৰ ব্যৱহাৰেৰে কৃষিকৰ্মৰ প্ৰতি ধাৱমান হোৱাত একালৰ গ্ৰাম্য তথা চহা জীৱনৰ স'তে সংপৃক্ত হৈ থকা সীৰলুত সপোন ৰচাৰ পৰম্পৰা দুৰ্লভ হৈ পৰাত কৃষিভূমিয়ে হেৰুৱাই পেলাইছে স্বাভাৱিক আৰ্দ্ৰতা। যিমানেই সহজসাধ্য কৃষি কৰ্মৰ প্ৰতি কৃষক ৰাইজ আকৃষ্ট হৈছে সিমানেই হ্ৰাস পাব ধৰিছে সোণগুটি সদৃশ শস্যৰ উৎপাদন। স্মৰ্তব্য যে অত্যাধুনিক বিজ্ঞান প্ৰযুক্তিয়ে এফালৰ পৰা চহা জীৱনক গ্ৰাস কৰি আহিলে শিৱসাগৰ জিলাৰ বিভিন্ন অঞ্চলত আজিও পাঁচ শতাংশ কৃষকে ত্যাগ কৰা নাই গৰুৰে হাল বোৱাৰ চিৰপৰিচিত পৰম্পৰাক। বিশেষকৈ শিৱসাগৰ জিলাৰ ঐতিহাসিক চাৰিং অঞ্চলত আজি এমুঠিমান কৃষকে নাঙলৰ সীৰলুত সপোন ৰচাৰ পৰম্পৰাক বুকুত সাৱটি কৃষিকৰ্ম কৰি আহিছে। এই বছৰ ইয়াৰ গজপুৰীয়া কাকতি গাঁৱৰ প্ৰশান্ত বৰকাকতি, যাদৱ বৰকাকতি, অগ্নিবড় খনিকৰ গাঁৱৰ লোহিত খনিকৰ, ন-পাম খনিকৰ গাঁৱৰ সীমান্ত খনিকৰ নামৰ কেইজনমান উদ্যোগী যুৱ কৃষকে অত্যাধুনিক কৃষি কৰ্মৰ প্ৰতি আকৃষ্ট নহৈ গৰুৰে হাল বোৱা চিৰপৰিচিত পৰম্পৰাক আঁকোৱালি লৈ কৃষি সংগ্ৰাম অব্যাহত ৰাখিছে। উল্লেখ্য যে গৰুৰে হাল বোৱাৰ পৰম্পৰা ক্ৰমে সাধুকথাত পৰিণত হ'ব ধৰাৰ সময়তে আঙুলিৰ মূৰত লিখিব পৰা এনেবোৰ যুৱ কৃষকে অব্যাহত ৰখা পৰম্পৰাগত এই সংগ্ৰামক কিমান দিনলৈ জীয়াই ৰাখিব পাৰিব সেয়া আজিৰ প্ৰেক্ষাপটত এক জটিল বিষয়। অৱশ্যে কৃষিভূমিত দুৰ্লভ হৈ পৰা এনে চিনাকি ছবিখন প্ৰশান্ত, যাদৱ, লোহিত আৰু সীমান্তৰ দৰে যুৱ কৃষকে জীপাল কৰি ৰখাৰ কঠোৰ সংগ্ৰামে শিশুৰ পৰা বয়োজ্যেষ্ঠলৈকে দৃষ্টি আকৰ্ষণ কৰিবলৈ বাৰুকৈয়ে সক্ষম হৈছে। পৰিতাপৰ বিষয় যে ৰাজ্য চৰকাৰৰ বিয়াগোম কৃষি বিভাগ এটা আছে যদিও এনেবোৰ উদ্যোগী যুৱ কৃষকৰ ওপৰত ৰহস্যজনকভাৱে বিভাগটোৰ দৃষ্টি পৰিবলৈ কাহানিও সক্ষম হোৱা নাই।

দেশ স্বাধীন হোৱাৰ ৭৫ বছৰৰ পাছতো ভাৰত-ভূটান সীমান্তৰ কৃষকৰ উন্নয়নৰ বাবে কোনো ধৰণৰ আঁচনি গ্ৰহণ নকৰাত বাৰিষা আহিছে কৃষি কৰ্ম কৰিবলৈ পানী বিচাৰি জীয়াতু ভুগিব লাগে অঞ্চলটোৰ কৃষকসকলে। যাৰ বাবে আজিও প্ৰাকৃতিকভাৱে ভূটানৰ পৰা বৈ অহা কালানদী, দৰঙা নদীৰ পানী শিল, গছৰ ডাল-পাত আদিৰে প্ৰাকৃতিকভাৱে পাৰ্কুপাইন দি কৃত্ৰিম বান্ধ নিৰ্মাণ কৰি দোং খান্দি কৃষি পথাৰলৈ পানী বোৱাই নিবলগীয়া হয় অঞ্চলটোৰ কৃষক ৰাইজে।



## তামুলপুৰৰ ভূটান সীমান্তত খেতি পথাৰত পানী বিচাৰি কৃষকৰ হাহাকাৰ

### চৰকাৰী আঁচনিৰ মুখ নেদেখা সীমান্তৰ কৃষকে গাঁঠিৰ ধন ভাঙি নদীৰ বুকুত নিৰ্মাণ কৰিলে কৃত্ৰিম বান্ধ



অগ্ৰদূত বাৰ্তা
তামুলপুৰ, ২৬ জুলাই ঃ শাওণৰ কঠীয়া ৰোৱাৰ ভৰপক সময়তে তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী বিস্তীৰ্ণ অঞ্চলৰ খেতি পথাৰত পানী বিচাৰি শ শ কৃষকৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। ভৰ বাৰিষাৰ সময়তে তীব্ৰ খৰাঙৰ বাবে এতিয়া জিলাখনৰ ভাৰত-ভূটান সীমান্তৱৰ্তী বৃহত্তৰ অঞ্চলটোৰ গণেশগুৰি, বগাজুলি,কালিপুৰ, কুমগুৰী, বাথৌগুৰী আদি প্ৰায় ২০খন গাঁৱৰ সহস্ৰাধিক কৃষকৰ মাজত খেতি পথাৰত পানীৰ অভাৱৰ বাবে ধান খেতি কৰিব নোৱাৰাত সৃষ্টি হৈছে হাহাকাৰ অৱস্থাৰ। পথাৰত সিঁচি থোৱা কঠীয়া পানীৰ অভাৱত ৰোপণ কৰিব নোৱাৰাত মূৰে কপালে হাত দিবলগীয়া হৈছে স্থানীয় কৃষকসকলে । খেতি পথাৰত সৃষ্টি হোৱা পানীৰ অভাৱ তথা জলসিঞ্চন বিভাগৰ আঁচনিৰ অভাৱৰ বাবেই এই হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে কৃষকসকলৰ মাজত। উল্লেখ্য যে দেশ স্বাধীন হোৱাৰ ৭৫ বছৰৰ পাছতো ভাৰত-ভূটান সীমান্তৰ কৃষকৰ উন্নয়নৰ বাবে কোনো ধৰণৰ আঁচনি গ্ৰহণ নকৰাত বাৰিষা আহিছে কৃষি কৰ্ম কৰিবলৈ পানী বিচাৰি জীয়াতু ভুগিব লাগে অঞ্চলটোৰ কৃষকসকলে। যাৰ বাবে আজিও প্ৰাকৃতিকভাৱে ভূটানৰ পৰা বৈ অহা কালানদী, দৰঙা নদীৰ পানী শিল, গছৰ ডাল-পাত আদিৰে প্ৰাকৃতিকভাৱে পাৰ্কুপাইন দি কৃত্ৰিম বান্ধ নিৰ্মাণ কৰি দোং খান্দি কৃষি পথাৰলৈ পানী বোৱাই নিবলগীয়া হয় অঞ্চলটোৰ কৃষক ৰাইজে। আনহাতে, বাৰিষা কালত ভূটানৰ পৰা বৈ পানীৰ প্ৰবল সোঁতে বান্ধসমূহ সময়ে সময়ে ভাঙি পেলোৱাৰ ফলত বাৰিষাৰ সময়ত কে'বাবাৰো এনেদৰে কাম কৰিব লাগে অঞ্চলটোৰ দুৰ্ভগীয়া কৃষকসকলে। ভূটান সীমান্তৰ বৃহত্তৰ বগাজুলি-কালিপুৰ-কালানদী বান্ধ সমিতিৰ উদ্যোগত অঞ্চলটোৰ কৃষকসকলে প্ৰতি বছৰে এনেদৰে গাঁঠিৰ ধন খৰচ কৰি বান্ধ নিৰ্মাণৰ কাম কৰি খেতি কৰি আহিছে। বছৰ বছৰ ধৰি চৰকাৰ তথা জনপ্ৰতিনিধিৰ বঞ্চনাৰ বলি হৈ ক্ষোভিত হৈ পৰা বগাজুলি-কালিপুৰ-কালানদী বান্ধ সমিতিৰ সভাপতি মহেশ নাৰ্জাৰী, সম্পাদক গণেশ লিম্বু তথা স্থানীয় কৃষকসকলৰ অভিযোগ, দেশে স্বাধীনতা লাভ কৰাৰ পাছত বহু চৰকাৰ আহিল আৰু গ'ল কিন্তু কোনো এখন চৰকাৰেই তেওঁলোকৰ সমস্যা সমাধানৰ ক্ষেত্ৰত একো ব্যৱস্থা গ্ৰহণ নকৰিলে। কেৱল নিৰ্বাচনৰ সময়ত ৰাইজৰ মাজত উপস্থিত হৈ সমস্যা সমাধানৰ প্ৰতিশ্ৰুতিৰে ভোট ভিক্ষা কৰা জনপ্ৰতিনিধিসকলে নিৰ্বাচন শেষ হোৱাৰ পাছতেই তেওঁলোকৰ সমস্যালৈ পিঠি দিয়ে। ৰাজ্যৰ অন্য প্ৰান্তৰ কৃষকসকলৰ দৰে বৃহত্তৰ অঞ্চলটোতো শীঘ্ৰেই জলসিঞ্চনৰ ব্যৱস্থা কৰি কৃষকসকলৰ দীৰ্ঘদিনীয়া সমস্যা শীঘ্ৰে সমাধান কৰিবলৈ চৰকাৰলৈ আহ্বান জনাইছে বগাজুলি-কালিপুৰ- কালানদী বান্ধ সমিতি তথা সীমান্তৰ কৃষক ৰাইজে।



এম. এম. টেব (ফোৰ্ট) আৰু ডাইবিক্যোৰ
নিৰ্ভৰযোগ্য ডাইবিটিজ (পেশাব ও ৰক্তত চেনী, মধুমেহ) নাশক, অত্যন্ত বলবীৰ্য আৰু স্বাস্থ্যবৰ্দ্ধক ঔষধ।
অম্লশূলশমন চূৰ্ণ
অম্লপিত্ত, পিত্তশূল, গেছ, বুকু পুৰা, কোষ্টবদ্ধতা, শূল আদি পেটৰ সকলো ৰোগ নাশক।
শ্ৰী বজ্ৰাঙ্গ আয়ুৰ্বেদ ভৱন
(আয়ুৰ্বেদোক্ত বিশুদ্ধ ও অনুভূত ঔষধৰ সুপৰিচিত নিৰ্মাতা)
মুৰলীধৰ শৰ্মা ৰোড, ফাঁচী বজাৰ, গুৱাহাটী-১ (অসম)
ফোন ঃ (০৩৬১) ২৫৪৭৭৮৯ (কা.) ২৫২২৫৭৪ (ফেক্টৰী)

PHYSIOTHERAPY CENTRE
H.No-51, Basisthapur Bye lane 4, Survey, Beltola
Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.
Contact No- 70021-60730, 7002316720

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com